www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সঁচা দোষখিনি দেখুৱাই দিলেই যদি শত্ৰু হ'বলগা হয়, তেন্তে মিত্ৰ হৈ থকাতকৈ শত্ৰু হৈ থকা বৰং উপকাৰহে। -কমলাকান্ত ভট্টাচাৰ্য

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ প্ৰথম বছৰ ❒ সংখ্যা- ২৮৩ ❒ শনিবাৰ ❒ ২২ আগষ্ট, ২০২৬ চন ❒ Volume/Year- I ❒ Issue- 283 ❒ Saturday ❒ 22nd August, 2026 ❒ Asom Barta, Majuli ❒ PRGI Reg. No.- ASASS/25/A2361 ❒ Price- Rs. 10 ❒ Total Page-8

■ পেট্ৰ'ল-ডিজেল, চিলিণ্ডাৰবাহী গাড়ীৰ প্ৰৱেশত বাধা ঃ হোটেল-ৰেষ্টুৰেণ্টৰ বুকিং বাতিল ■

# পৰ্যটন খণ্ডৰ অৰ্থনৈতিক সংকটত মেঘালয়

## যোৰাবাটত দ্বিতীয় দিনাও অৱৰোধ অত্যাৱশ্যকীয় সামগ্ৰীৰ চলাচল বন্ধ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ আগষ্ট ঃ** অসম-মেঘালয় সীমান্তৰ সংঘাতে আজিও এক উত্তপ্ত পৰিস্থিতি বিৰাজ কৰিছে। যোৰাবাট অঞ্চলত অসমৰ টেক্সি ইউনিয়ন আৰু কেবচালকসকলে দ্বিতীয় দিনাও প্ৰতিবাদ অব্যাহত ৰাখিছে। প্ৰতিবাদকাৰীসকলে মেঘালয়ৰ পঞ্জীয়নভুক্ত যান-বাহনসমূহ গুৱাহাটীত প্ৰৱেশ কৰাত বাধা দি আহিছে, লগতে অসমৰ পৰা মেঘালয় অভিমুখী বাহনসমূহকো পথত আৱদ্ধ কৰি ৰাখিছে। ফলত ৰাষ্ট্ৰীয় ঘাইপথত শ শ বাহন আটক হৈ পৰিছে আৰু তীব্ৰ যান-জটৰ সৃষ্টি হৈছে। এই পৰিস্থিতিৰ মাজতে পেট্ৰলিয়াম মজদুৰ ইউনিয়নে এক কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰি অসমৰ পৰা মেঘালয়লৈ অনিৰ্দিষ্টকালৰ বাবে পেট্ৰল-ডিজেলৰ টেংকাৰ চলাচল বন্ধ কৰি দিছে। লগতে অত্যাৱশ্যকীয় সামগ্ৰী কঢ়িওৱা বাহন আৰু চিলিণ্ডাৰ পৰিবাহী ট্ৰাকৰ প্ৰৱেশতো ❑ ৬ পৃষ্ঠাত

শিলিগুৰিৰ সভাত কংগ্ৰেছৰ 'তুষ্টিকৰণ ৰাজনীতি'ক লক্ষ্য কৰি শ্বাহৰ ভাষণ

## 'স্বাধীনতাৰ পাছতো কংগ্ৰেছে বন্দে মাতৰমক সাদৰে নল'লে' ঃ গৃহমন্ত্ৰী অমিত শ্বাহ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শুকুৰবাৰে পশ্চিমবংগৰ শিলিগুৰিত অনুষ্ঠিত এখন ৰাজহুৱা সভাত কংগ্ৰেছ দলক তীব্ৰ সমালোচনাৰ কৰে। স্বাধীনতা লাভৰ পাছতো কংগ্ৰেছে কেতিয়াও 'বন্দে মাতৰম' ❑ ৬ পৃষ্ঠাত

## মেঘালয়ৰ শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি অসম আৰক্ষীৰ হেল্পলাইন নম্বৰ মুকলি

**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** অসম-মেঘালয় সীমান্তৰ লগতে মেঘালয়ৰ ৰাজধানী শ্বিলঙত সৃষ্টি হোৱা অশান্তিৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ১৯ ছেপ্টেম্বৰত শ্বিলঙত কেইবাগৰাকীও অসমীয়া পৰ্যটক আৰু কেবচালক নিৰ্যাতনৰ বলি হোৱাৰ পিছৰে পৰা ❑ ৬ পৃষ্ঠাত

## বৰ্ণিহাট-যোৰাবাট পথ বন্ধ ঃ মেঘালয় প্ৰশাসনৰ বিকল্প পথৰ পৰামৰ্শ

ৰি-ভয় জিলাৰ উপায়ুক্তৰ বিশেষ যাতায়াত নিৰ্দেশনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ আগষ্ট ঃ** অসম-মেঘালয় সীমান্তৰ বৰ্ণিহাট—যোৰাবাট সংযোগী পথখন দুয়োফালৰ পৰা বন্ধ হৈ পৰাত যাতায়াত ব্যৱস্থা চৰম সংকটৰ মুখামুখি হৈছে। দীৰ্ঘদিনীয়া ❑ ৬ পৃষ্ঠাত

## বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়তএমবিবিএছ পাঠ্যক্ৰমৰ অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ

১০০ আসনৰ অনুমতি, অসমৰ ১৫তম চিকিৎসা মহাবিদ্যালয় হিচাপে স্বীকৃতি




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ আগষ্ট ঃ** অসমৰ চিকিৎসা শিক্ষা ক্ষেত্ৰলৈ এক গুৰুত্বপূৰ্ণ সুখবৰ আহিছে। কেন্দ্ৰীয় চৰকাৰে নৱনিৰ্মিত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ত এমবিবিএছ পাঠ্যক্ৰমৰ বাবে ❑ ৬ পৃষ্ঠাত

## নগাঁও, উধাৰবন্দৰত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান ঃ দুজন সৰবৰাহকাৰী আটক

নগাঁৱত ৩০ কণ্টেনাৰ হেৰ'ইন, উধাৰবন্দৰত ২ কোটি টকাৰ ক'ডেইন আৰু ট্ৰেমাডল জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ আগষ্ট ঃ** অসমৰ বিভিন্ন জিলাত ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানত নগাঁও আৰক্ষীয়ে এক উল্লেখযোগ্য সফলতা লাভ কৰিছে। গোপন ❑ ৬ পৃষ্ঠাত

চিৰাঙত শিক্ষাৰ্থী-অভিভাৱকৰ প্ৰতিবাদ ঃ এসপ্তাহৰ ভিতৰত ব্যৱস্থা নল'লে গণতান্ত্ৰিক আন্দোলনৰ সকীয়নি

## লোকপিয়লৰ কামত শিক্ষক নিয়োগত শিক্ষানুষ্ঠানত সংকট



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ আগষ্ট ঃ** সমগ্ৰ দেশত ১৭ আগষ্টৰ পৰা আৰম্ভ হোৱা লোকপিয়লৰ কামত শিক্ষক-শিক্ষয়িত্ৰীক নিয়োজিত কৰাৰ ফলত চিৰাং জিলাৰ বেংতল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষাদান প্ৰক্ৰিয়া স্তব্ধ প্ৰায় হৈ পৰিছে। বিদ্যালয়খনৰ অধিকাংশ শিক্ষককে লোকপিয়ল আৰু জনগণনাৰ কাৰ্যত নিযুক্তি দিয়া হোৱাত নিয়মিত পাঠদান ব্যাহত হয়। শুকুৰবাৰে বিদ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত ছাত্ৰ-ছাত্ৰী, ❑ ৬ পৃষ্ঠাত

যন্তৰ-মন্তৰত গুলীবিদ্ধ ছাত্ৰী ছাহিল লোচাবক লৈ বিচাৰ বিচাৰি ক্ষোভ

## দিল্লী আৰক্ষীৰ DCP কাৰ্যালয়ৰ সন্মুখত ৰাহুল গান্ধীৰ প্ৰতিবাদ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ গুলীচালনাত আঘাতপ্ৰাপ্ত ছাত্ৰী ছাহিল লোচাবৰ পক্ষত বিচাৰ বিচাৰি শুকুৰবাৰে দিল্লীৰ পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানাত ধৰ্ণাত বহিল কংগ্ৰেছ নেতা ৰাহুল গান্ধী। প্ৰথমে তেওঁ মন্দিৰ মাৰ্গ থানাত অভিযোগ দাখিল কৰিবলৈ গৈছিল, কিন্তু তাত থানাৰ আৰক্ষীয়ে এফআইআৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ জনায়। তাৰ ❑ ৬ পৃষ্ঠাত

শ্বিলং আক্ৰমণ কাণ্ডক লৈ মন্ত্ৰী অতুল বৰাৰ সংবাদমেল

## 'প্ৰতিবাদৰ নামত অনাকাংক্ষিত ঘটনা ঘটিছিল মেঘালয়ত' ঃ অতুল বৰা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ আগষ্ট ঃ** অসম-মেঘালয় সীমান্তত শুকুৰবাৰেও উত্তাপ অক্ষুণ্ণ থাকে। দুয়োখন ৰাজ্যৰ গাড়ী চলোৱা ব্যক্তিসকলে আৰম্ভ কৰা এই অৱৰোধৰ ফলত ইতিমধ্যে পৰিস্থিতি চৰম হৈ পৰিছে। এই সঙ্কটজনক পৰিস্থিতিৰ ❑ ৬ পৃষ্ঠাত

বানপীড়িত অসমৰ পুনৰুদ্ধাৰ আৰু উন্নয়নমূলক বিষয়ক আলোচনা

## দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ, শিক্ষামন্ত্ৰী প্ৰহ্লাদ যোশীৰ সৈতে পৃথক বৈঠক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে ৰাজধানী দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু কেন্দ্ৰীয় শিক্ষা, গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰণালয়ৰ মন্ত্ৰী প্ৰ াদ যোশীৰ সৈতে পৃথক দুখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকসমূহত ৰাজ্যৰ বৰ্তমান পৰিস্থিতি, উন্নয়নমূলক অগ্ৰাধিকাৰ আৰু ভৱিষ্যৎ পৰিকল্পনা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বিত্তমন্ত্ৰী নিৰ্মলা ❑ ৬ পৃষ্ঠাত

বানপীড়িতৰ সাহায্য সম্পৰ্কীয় বৈঠকত আয়ুক্তক ধমকি ঃ ক'লা বেজ পিন্ধি প্ৰতিবাদ

## অখিল গগৈৰ অমৰ্যাদাকৰ আচৰণৰ বিৰুদ্ধে শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ আগষ্ট ঃ** শিৱসাগৰৰ জিলা আয়ুক্ত কাৰ্যালয়ত শুকুৰবাৰে এক অভূতপূৰ্ব পৰিস্থিতিৰ সৃষ্টি হয়। জিলাখনৰ বিধায়ক অখিল গগৈৰ আচৰণত ক্ষুব্ধ হৈ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে কাম-কাজ বন্ধ ৰাখি ক'লা বেজ পিন্ধি প্ৰতিবাদী সভাত মিলিত হয়। সোমবাৰে অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত বানপীড়িত লোকসকলক ক্ষতিপূৰণ প্ৰদানৰ বিষয়ে আলোচনা কৰি থাকোঁতে বিধায়কগৰাকীয়ে জিলা আয়ুক্ত মৃদুল যাদৱক অশালীন ভাষা ব্যৱহাৰ কৰি ধমকি দিয়াৰ অভিযোগ উত্থাপন কৰি কৰ্মচাৰীসকলে এই প্ৰতিবাদ সাব্যস্ত কৰে। সূত্ৰৰ মতে, উক্ত বৈঠকত বানপীড়িত অঞ্চলবোৰলৈ সাহায্য সামগ্ৰী আৰু আৰ্থিক অনুদান বিতৰণৰ কৌশল সম্পৰ্কে বিস্তৃত আলোচনা চলি আছিল। সেই সময়তে বিধায়ক অখিল গগৈয়ে জিলা আয়ুক্তক উদ্দেশ্যি কয়, "মোৰ সমষ্টিত ৪৬ হাজাৰ হিতাধিকাৰী আছে। যদি তেওঁলোকৰ মাজৰ কোনো এজনেও ক্ষতিপূৰণ নাপায়, তেন্তে মই ৰেহাই নিদিওঁ।" লগতে তেওঁ জিলা আয়ুক্তৰ কাম-কাজৰ পদ্ধতিৰ প্ৰতিও তীব্ৰ সমালোচনা কৰে আৰু উচ্চস্বৰত তেওঁক ধমকি দিয়ে। বৈঠকখনত উপস্থিত থকা অন্যান্য বিষয়াসকলৰ সন্মুখত ❑ ৬ পৃষ্ঠাত



## ছোমালিয়া আৰু য়েমেনত জলদস্যুৰ কবলত ২২জন ভাৰতীয় নাগৰিক

দুখন বাণিজ্যিক জাহাজ অপহৰণ; ক্ৰু সদস্য নিৰাপদে থকাৰ আশ্বাস জাহাজ মন্ত্ৰণালয়ৰ




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** জলদস্যুৱে য়েমেন আৰু ছোমালিয়াৰ উপকূলত পৃথক দুটা কাণ্ডত মুঠ ৩০জন ক্ৰু সদস্য থকা দুখন বাণিজ্যিক জাহাজ অপহৰণ কৰে। এই অপহৃতসকলৰ ভিতৰত আছে ২২জন ভাৰতীয় নাগৰিক। শুকুৰবাৰে জাহাজ মন্ত্ৰণালয়ৰ এগৰাকী জ্যেষ্ঠ বিষয়াই এই তথ্য নিশ্চিত কৰি কয় যে সকলো ভাৰতীয় ক্ৰু সদস্য নিৰাপদে আছে। য়েমেনৰ এডেন উপসাগৰত সংঘটিত প্ৰথম ঘটনাটোত ইৰিট্ৰিয়াৰ পতাকা থকা তৈল সামগ্ৰী কঢ়িয়াই নিয়া টেংকাৰ ❑ ৬ পৃষ্ঠাত

■ শ্বেখ হাছিনাৰ প্ৰত্যৰ্পণ দাবীক লৈ কূটনৈতিক উত্তেজনা ■

## তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ ঃ ৰাষ্ট্ৰপতি ভৱনৰ বিজ্ঞপ্তি প্ৰত্যাহাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** বাংলাদেশৰ প্ৰধানমন্ত্ৰী তাৰিক ৰহমানৰ প্ৰস্তাৱিত ভাৰত ভ্ৰমণক লৈ পুনৰ অনিশ্চয়তাৰ সৃষ্টি হৈছে। ৰাষ্ট্ৰপতি ভৱনে শনিবাৰে অনুষ্ঠিত হ'বলগীয়া 'চেঞ্জ অৱ গাৰ্ড' অনুষ্ঠান বাতিল কৰাৰ ঘোষণা দি কিছু সময়ৰ পিছতে সেই বিজ্ঞপ্তি প্ৰত্যাহাৰ কৰাত এই ভ্ৰমণৰ গতিপথ স্পষ্ট নহৈ পৰিছে। শুকুৰবাৰে ৰাষ্ট্ৰপতি ভৱনে প্ৰথমে এক বিজ্ঞপ্তি জাৰি কৰি কয় যে বাংলাদেশৰ প্ৰধানমন্ত্ৰীক আদৰণি জনাবলৈ নিৰ্ধাৰিত 'চেঞ্জ অৱ গাৰ্ড' অনুষ্ঠান বাতিল কৰা হৈছে। কিন্তু প্ৰায় এক ঘণ্টাৰ পাছতে নতুন বিজ্ঞপ্তিত পূৰ্বৰ ঘোষণা প্ৰত্যাহাৰ কৰা বুলি জনায়। ফলত এই ভ্ৰমণ সন্দৰ্ভত নানা জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, আগন্তুক ১২-১৩ ❑ ৬ পৃষ্ঠাত

## ছাত্ৰ চাহিলৰ ন্যায়ৰ প্ৰতিবাদ নে ৰাজনৈতিক নাটক ? কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ কটাক্ষ

উচ্চতম ন্যায়ালয়ে গঠন কৰা তদন্ত সমিতিৰ মাজতে থানাৰ বাহিৰত প্ৰতিবাদ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২১ আগষ্ট ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি দিল্লীৰ সংসদ মাৰ্গ আৰক্ষী থানাত এক চাঞ্চল্যকৰ প্ৰতিবাদ সাব্যস্ত কৰে। ককৰোচ জনতা পাৰ্টীৰ প্ৰতিবাদৰ সময়ত আৰক্ষীৰ পেলেট গানৰ আঘাতত দৃষ্টিশক্তি হেৰুওৱা ছাত্ৰ চাহিলক লগত লৈ তেওঁ ন্যায় বিচাৰি থানামুখী হয়। কিন্তু প্ৰথম অৱস্থাত দিল্লী আৰক্ষীয়ে এই গোচৰ পঞ্জীয়ন কৰিবলৈ অস্বীকাৰ জনালে। ❑ ৬ পৃষ্ঠাত

## বিদ্যালয়বহিৰ্ভূত শিশুক মূলসুঁতিলৈ আনিবলৈ 'শিক্ষা যাত্ৰা'ৰ শুভাৰম্ভ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ

২০২৬-২৭ বিত্তীয় বৰ্ষত ৰাজ্যজুৰি ২, ৮৬২ কৰ্মচাৰীয়ে ২০ আগষ্টৰ পৰা ২৩ ছেপ্টেম্বৰলৈ চলাব জৰীপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২১ আগষ্ট ঃ** সমগ্ৰ শিক্ষা অসমে বিদ্যালয়ৰ বৰ্হিভূত শিশুসকলক চিনাক্ত কৰি পুনৰ শিক্ষাৰ মূলসুঁতিলৈ ঘূৰাই অনাৰ বাবে 'শিক্ষা যাত্ৰা ঃ প্ৰত্যাহ্বানৰ পৰা আকাংক্ষালৈ' শীৰ্ষক এক বিশেষ পদক্ষেপ আৰম্ভ কৰিছে। ২০২৬-২৭ বিত্তীয় বৰ্ষত এই কাৰ্যসূচীৰ জৰিয়তে দীৰ্ঘদিন ধৰি বিদ্যালয়ত অনুপস্থিত থকা আৰু আধাতে শিক্ষা ত্যাগ কৰা শিশুসকলক চিনাক্ত কৰি তেওঁলোকক আৱাসিক/অনা-আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ আৰু মুক্ত বিদ্যালয় ব্যৱস্থাৰ মাধ্যমত শিক্ষাৰ সৈতে পুনৰ সংযুক্ত কৰোৱা হ'ব। শুকুৰবাৰে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত ❑ ৬ পৃষ্ঠাত

শ্বিলঙত উত্তেজনাময় পৰিস্থিতি, নিৰাপত্তা কটকটীয়া

## KSUৰ প্ৰতিবাদী সমদলৰ পূৰ্বে পূব খাছি পাহাৰ জিলাত BNSS-ৰ ১৬৩ ধাৰা জাৰি




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২১ আগষ্ট ঃ** খাছি ষ্টুডেণ্টছ ইউনিয়ন (KSU)ৰ পূৰ্বনিৰ্ধাৰিত প্ৰতিবাদী সমদলক কেন্দ্ৰ কৰি পূব খাছি পাহাৰ জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা (BNSS)ৰ ১৬৩ ধাৰা জাৰি কৰিছে। শুকুৰবাৰে KSU-এ এই জিলাত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা আছিল। শেহতীয়াকৈ ❑ ৬ পৃষ্ঠাত

কংগ্ৰেছ নেতাৰ বিৰুদ্ধে প্ৰতিবাদী সমদল ঃ 'ৰাজনীতি নকৰিব'লৈ সকিয়নি'

## কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল ১০ নে ১ কিলোমিটাৰ ?

**ষ্টাফ ৰিপ'ৰ্টাৰ, কলিয়াবৰ, ২১ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীল অঞ্চল (Eco-Sensitive Zone)ৰ পৰিসৰক লৈ ৰাজ্যত বিতৰ্কই নতুন মাত্ৰা লাভ কৰিছে। ৰাজ্য চৰকাৰে পূৰ্বতে ১০ কিলোমিটাৰৰ পৰা ১ কিলোমিটাৰলৈ পৰিসৰ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কিন্তু এই সিদ্ধান্তক লৈ শাসক-বিৰোধী মহলত বিতৰ্ক অব্যাহত থকাৰ মাজতে কাজিৰঙাৰ সমীপৱৰ্তী কাৰ্বি-আংলং জিলাৰ জনসাধাৰণে কংগ্ৰেছ নেতাসকলৰ ১০ কিলোমিটাৰ দাবীৰ বিৰুদ্ধে প্ৰতিবাদী সমদল উলিয়াই মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে। শেহতীয়াকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰস্তাৱিত পৰিৱেশ-সংবেদনশীল অঞ্চল (ESZ)ৰ সীমা নিৰ্ধাৰণক লৈ কংগ্ৰেছ নেতা গৌৰৱ গগৈ, মীৰা বৰঠাকুৰ আৰু ৰতন ইংতিৰ মন্তব্যৰ বিৰুদ্ধে কাৰ্বি আংলং জিলাৰ ৰংমংৰে উন্নয়ন খণ্ডত বৃহস্পতিবাৰে এক প্ৰতিবাদী সমদল অনুষ্ঠিত হয়। প্ৰতিবাদৰ অন্তত তেওঁলোকে খণ্ড উন্নয়ন বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। প্ৰতিবাদী ❑ ৬ পৃষ্ঠাত



নিযুত মইনা আঁচনি, নামভৰ্তি, আৱেদন পত্ৰ পূৰণত অবৈধভাৱে ধন সংগ্ৰহ

# বৰক্ষেত্ৰীৰ ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত চূড়ান্ত অৰাজকতা

## শিক্ষাৰ্থীৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাক লৈ উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, দৌলাশাল, ২১ আগষ্ট ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বামুণবড়িস্থিত ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত চূড়ান্ত অৰাজকতাৰ সৃষ্টি হৈছে। পূৰ্বৰে পৰা বিভিন্ন বিতৰ্কৰ মাজত সোমাই অহা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়খনত সম্প্ৰতি চূড়ান্ত অৰাজকতাৰ সৃষ্টি হৈছে। যিটো সময়ত ৰাজ্যৰ লাখ লাখ শিক্ষাৰ্থীৰ কল্যাণৰ অৰ্থে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে নিযুত মইনা, নিযুত বাবুকে ধৰি চৰকাৰী বিদ্যালয় মহাবিদ্যালয়ত নামভৰ্তি বিনামূলীয়া কৰি আহিছে ঠিক তেনে সময়তে বৰক্ষেত্ৰীৰ বামুণবড়িস্থিত ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত উৎকোচ অবিহনেই শিক্ষাৰ্থীৰ কোনো কামেই সিদ্ধি নোহোৱাৰ অভিযোগ উঠিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি পশ্চিম বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত বামুণবড়িস্থিত ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষই চূড়ান্ত অৰাজকতাৰ সৃষ্টি কৰি আহিছে। শেহতীয়াকৈ নিযুত মইনা আঁচনিৰ আৱেদন পত্ৰ বিতৰণত বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰীসকলৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাত উত্তপ্ত হৈ পৰিছে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ। জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়খনৰ ছাত্ৰীসকলৰ মাজত কৰ্তৃপক্ষই নিযুত মইনা আঁচনিৰ প্ৰ পত্ৰ বিতৰণ কৰি অবৈধভাৱে ধন সংগ্ৰহ কৰি আহিছে। একোগৰাকীয়ে ছাত্ৰীয়ে নিযুত মইনা আঁচনি প্ৰ পত্ৰ লাভ কৰাৰ বাবে কৰ্তৃপক্ষক ১০০ টকাকৈ উৎকোচ দিবলগীয়া হৈছে। বিদ্যালয় কৰ্তৃপক্ষৰ হকে মধ্যভোগী তথা স্থানীয় চবিন আলী ওৰফে ৰাতুল আলীয়ে প্ৰতিগৰাকী ছাত্ৰীৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰি আহিছে। চবিন আলী ওৰফে ৰাতুল আলীয়ে বিদ্যালয়ৰ কাৰ্যালয় সহায়ক ফজলউদ্দিন শইকীয়াৰ নিৰ্দেশত কাৰ্যালয়ত টেবুল চকী স্থাপন কৰি ছাত্ৰীসকলৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগ কৰে শিক্ষাৰ্থীসকলে। চবিন আলী ওৰফে ৰাতুল আলীয়ে বিদ্যালয় কৰ্তৃপক্ষৰ হকে শিক্ষাৰ্থীসকলৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰা ঘটনাটো বৰক্ষেত্ৰীৰ শৈক্ষিক সমাজত বিয়পি পৰাৰ পাছতেই শৈক্ষিক মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আলতাজ ইমানীৰ নেতৃত্বত আজি ভুক্তভোগী ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰি সংবাদ মাধ্যমৰ আগত ক্ষোভ ব্যক্ত কৰে। ইমানেই নহয় ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে বিদ্যালয়ত নামভৰ্তি কৰাৰে পৰা বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে বুলিও মন্তব্য কৰে। বিদ্যালয়ত নামভৰ্তিৰ বাবে বহু ছাত্ৰ-ছাত্ৰীৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰিছিল বিদ্যালয় কৰ্তৃপক্ষই। অভিযোগ অনুসৰি বিদ্যালয়ৰ কাৰ্যালয় সহায়ক ফজলউদ্দিন শইকীয়াই ২০২৬ বৰ্ষত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ বহু শিক্ষাৰ্থীৰ নামভৰ্তিৰ বাবে অবৈধভাৱে ৬০০ টকাকৈ সংগ্ৰহ কৰি শিক্ষাৰ্থীসকলক ৪০০ টকাৰহে ৰছিদ প্ৰদান কৰিছে। তদুপৰি বিগত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অনুত্তীৰ্ণ একাংশ ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত নামভৰ্তিৰ বাবে ২০০০ টকাৰ পৰা ৫০০০ টকা পৰ্যন্ত অবৈধভাৱে সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন কৰিছে। বিদ্যালয়ত পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবেও অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগ কৰিছে শিক্ষাৰ্থীসকলে। অইন বিদ্যালয়ৰ পৰা ছহিদ সোঁৱৰণী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়লৈ বদলি হৈ অহা কেইবাগৰাকী শিক্ষাৰ্থীৰ পৰা ভয়-ভাবুকিৰে বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। শিক্ষাৰ্থীসকলে কৰ্তৃপক্ষই বিচৰা ধন নিদিলেই বিভিন্ন ভয়-ভাবুকি প্ৰদান কৰাৰো অভিযোগ কৰিছে কৰ্তৃপক্ষৰ বিৰুদ্ধে। উল্লেখযোগ্য যে বিগত দুটা মাহ ধৰি বিদ্যালয়খনত নাই অধ্যক্ষ। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক বাবৰ মামুদক বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক হিচাপে দায়িত্ব অৰ্পণ কৰিছে যদিও বাবৰ মামুদে বিষয়বোৰ সন্দৰ্ভত গা এৰা মন্তব্য প্ৰদান কৰি শিক্ষাৰ্থীসকলক বিপদৰ পিনে থেলি দিছে। বিদ্যালয়খনত সৃষ্টি হোৱা এনে অৰাজক পৰিস্থিতিৰ বিৰুদ্ধে আজি ছাত্ৰ একতা সভাৰ উদ্যোগত শিক্ষাৰ্থীসকলে সমস্যাসমূহ মুকলিকৈ উপস্থাপন কৰে। বিদ্যালয়ৰ এনেবোৰ অৰাজকতাৰ সন্দৰ্ভত ছাত্ৰ একতা সভাই আজি নলবাৰী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকগৰাকীক লিখিত অভিযোগ দাখিল কৰে। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আলতাজ ইমানীয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য দাঙি ধৰি বিদ্যালয়খনত উঠি ৰজা বহি ৰজা হৈ শিক্ষাৰ্থীসকলৰ ওপৰত সন্ত্ৰাস চলোৱা চবিন আলী ওৰফে ৰাতুল আলীৰ বিদ্যালয়ত প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে চৰকাৰক দাবী জনাইছে। পশ্চিম বৰক্ষেত্ৰী অঞ্চলৰ শৈক্ষিক প্ৰতিষ্ঠানখনৰ পৰা অৰাজকতা পৰিস্থিতি মুক্ত কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সংবাদ মাধ্যমৰ জৰিয়তেই আহ্বান জনাইছে শিক্ষাৰ্থীসকলে। বিদ্যালয়খনত সৃষ্টি হোৱা এনেবোৰ অৰাজক পৰিস্থিতিক লৈ অঞ্চলটোৰ শৈক্ষিক সমাজে নলবাৰী জিলা আয়ুক্তৰ হস্তক্ষেপ বিচাৰিছে।

সৰুপথাৰৰ জীয়ৰী আইচেংফাৰ প্ৰথম ভক্তিমূলক গীত 'কৃষ্ণ যদুৰাই'

# ভাদমহীয়া নাম-প্ৰসঙ্গৰ মাজতে নামঘৰৰ মজিয়াত ভক্তিমূলক গীত মুকলি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২১ আগষ্ট ঃ** প্ৰতিভাৰ কোনো বয়স নাথাকে। নিষ্ঠা, সাধনা আৰু সংগীতৰ প্ৰতি গভীৰ অনুৰাগে এগৰাকী প্ৰতিভাক সাফল্যৰ দিশে আগুৱাই নিয়ে। সৰুৰে পৰা সংগীতৰ প্ৰতি একান্তভাৱে অনুৰক্ত হৈ সাধনাৰে আগবাঢ়ি অহা সৰুপথাৰ সমজিলাৰ এগৰাকী প্ৰতিভাবান ছাত্ৰী আইচেংফা ফুকনে শেহতীয়াকৈ সংগীতৰ ক্ষেত্ৰখনত সংযোজন কৰিলে এক নতুন অধ্যায়। নিজৰ সুৰীয়া আৰু মায়াময় কণ্ঠৰে ইতিমধ্যে ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হোৱা আইচেংফাৰ কণ্ঠত বাণীবদ্ধ হোৱা প্ৰথমটো ভক্তিমূলক গীত 'কৃষ্ণ যদুৰাই' বৃহস্পতিবাৰে এক আধ্যাত্মিক পৰিৱেশত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। সৰুপথাৰ সমজিলাৰ মৰাণ গাঁৱৰ ডিম্পল ফুকন আৰু পলাশী বৰুৱাৰ কন্যা আইচেংফা ফুকন সপ্তম শ্ৰেণীত অধ্যয়ন কৰি থকা সময়ৰ পৰাই সংগীতৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। সংগীতৰ প্ৰতি থকা এই আগ্ৰহক সঠিক দিশ প্ৰদান কৰাৰ উদ্দেশ্যে তেওঁ বৰবালি অঞ্চলৰ সংগীত শিক্ষক লীলা গগৈৰ ওচৰত বৰগীত, লোকগীত আদি বিষয়ত প্ৰশিক্ষণ গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত বৰপথাৰ অঞ্চলৰ সংগীত শিক্ষয়িত্ৰী চিত্ৰা দেৱৰ ওচৰত শাস্ত্ৰীয় সংগীতৰ প্ৰশিক্ষণ গ্ৰহণ কৰি নিজৰ সংগীত সাধনাক অধিক সুদৃঢ় কৰি তোলে। নিয়মীয়া অনুশীলন, একাগ্ৰতা আৰু প্ৰতিভাৰ বলত অতি কম বয়সতে আইচেংফাই বিভিন্ন সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বহু সংখ্যক বঁটা-বাহন লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতিযোগিতাৰ মঞ্চতে সীমাবদ্ধ নাথাকি বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানতো গীত পৰিৱেশন কৰি তেওঁ ইতিমধ্যে ৰাইজৰ মাজত এক সুকীয়া পৰিচয় গঢ়ি তুলিছে। তেওঁৰ সুললিত কণ্ঠ, সুৰৰ ওপৰত থকা দখল আৰু গীত পৰিৱেশনৰ স্বকীয় শৈলীয়ে শ্ৰোতাসকলক বিশেষভাৱে আকৰ্ষিত কৰি আহিছে। ইয়াৰ মাজতে বৃহস্পতিবাৰে সন্ধিয়া ভাদ মাহৰ নাম-প্ৰসঙ্গৰে মুখৰিত হৈ থকা টেঙাহোলা নামঘৰৰ পৱিত্ৰ পৰিৱেশত আইচেংফা ফুকনৰ প্ৰথম ভক্তিমূলক গীত 'কৃষ্ণ যদুৰাই' আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। পিতৃ-মাতৃ আৰু পৰিয়ালৰ লোকৰ উপস্থিতিত অনুষ্ঠিত এই গীত মুকলি অনুষ্ঠানত গীতটি আনুষ্ঠানিকভাৱে মুকলি কৰে সৰুপথাৰ সমজিলাৰ ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দলেই। অনুষ্ঠানত ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দলেৰ উপৰি সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ সভাপতি দ্বিপেন কুমাৰ বৰা, আইচেংফাৰ সংগীত গুৰু চিত্ৰা দেৱ, যথেষ্ট সংখ্যক ভকত-বৈষ্ণৱ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। 'কৃষ্ণ যদুৰাই' গীতটিৰ কথা আৰু সুৰ অংকুৰ বুঢ়াগোহাঁইৰ। সংগীত শ্যামল ভূঞাৰ, শব্দ সংমিশ্ৰণ শংকৰ জে. বৰুৱাৰ। গীতটিত খোল-নেগেৰা বজাইছে অচ্যুত বৰাই, বাঁহীত দাদু ৰাজখোৱা, বেঞ্জুত সমৰজ্যোতি শৰ্মা আৰু পাৰ্কাচনত জিণ্টু নেওগে সহযোগিতা আগবঢ়াইছে। গীতটি মুকলি কৰাৰ পূৰ্বে আইচেংফা ফুকন আৰু তেওঁৰ পিতৃ-মাতৃয়ে শিৱসাগৰ, চৰাইদেও, নাজিৰা, যোৰহাট আদি অঞ্চলৰ শেহতীয়া বানপীড়িত লোকসকলৰ মংগল কামনাৰ লগতে গীতটিৰ সফলতাৰ বাবে নামঘৰত শৰাই আগবঢ়ায়। ইয়াৰ পাছতে আইচেংফাৰ সুৰীয়া কণ্ঠত 'কৃষ্ণ যদুৰাই' গীতটি পৰিৱেশন কৰা হয়। আইচেংফাৰ কণ্ঠত গীতটি শুনি উপস্থিত ভকত-বৈষ্ণৱ আৰু ৰাইজে গীতটোৰ উচ্চ প্ৰশংসা কৰে। প্ৰথমবাৰৰ বাবে ভক্তিমূলক গীত বাণীবদ্ধ কৰিও আইচেংফাই যি পৰিপক্কতা আৰু ভক্তিৰসেৰে গীতটি পৰিৱেশন কৰিছে, সেয়া উপস্থিত সকলোৰে বাবে বিশেষ আকৰ্ষণৰ বিষয় হৈ পৰে। তেওঁৰ কণ্ঠৰ মাধুৰ্য, সুৰৰ প্ৰতি থকা গভীৰ দখল আৰু ভক্তিৰসৰ সুন্দৰ সমন্বয়ে 'কৃষ্ণ যদুৰাই'ক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। গীতটি শুনি ৰাইজে এই ভক্তিমূলক গীতটো অসমবাসী শ্ৰোতাই আন্তৰিকতাৰে আদৰি ল'ব বুলি আশা প্ৰকাশ কৰে। একেদৰে আইচেংফাৰ সংগীত প্ৰতিভাক আগুৱাই নিয়াৰ ক্ষেত্ৰত পিতৃ ডিম্পল ফুকন আৰু মাতৃ পলাশী বৰুৱাই আগবঢ়াই অহা উৎসাহ, সহযোগিতা আৰু অনুকূল পৰিৱেশৰ বাবেও উপস্থিত ৰাইজে তেওঁলোকক শলাগ লয়। সন্তানৰ প্ৰতিভা সৰুতেই চিনাক্ত কৰি সংগীতৰ সাধনাৰ বাবে প্ৰয়োজনীয় পৰিৱেশ সৃষ্টি কৰি দিয়াত পিতৃ-মাতৃৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ বুলি ৰাইজে মন্তব্য কৰে। প্ৰথমবাৰৰ বাবে এটি সম্পূৰ্ণ ভক্তিমূলক গীত ৰাইজৰ মাজলৈ আগবঢ়াই আইচেংফা ফুকনে তেওঁৰ সংগীত যাত্ৰাত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁৰ সুৰীয়া কণ্ঠ, একাগ্ৰ সাধনা আৰু সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগ অব্যাহত থাকিলে ভৱিষ্যতে অসমৰ সংগীত জগতত তেওঁ এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি শুভাকাংক্ষীসকলে আশা প্ৰকাশ কৰিছে। টেঙাহোলা নামঘৰৰ পৱিত্ৰ পৰিৱেশত 'কৃষ্ণ যদুৰাই'ৰ জৰিয়তে আৰম্ভ হোৱা আইচেংফা ফুকনৰ এই নতুন সংগীত যাত্ৰাই ইতিমধ্যে লাভ কৰিছে ৰাইজৰ মৰম, আশীৰ্বাদ আৰু শুভেচ্ছা। এই ধাৰা অব্যাহত থাকিলে আইচেংফা ফুকনে নিসন্দেহে এদিন সফল আৰু প্ৰতিস্থিত গায়িকা হিচাবে পৰিচয় লাভ কৰিব। আইচেংফা ফুকন বৰ্তমান সৰুপথাৰ সমজিলাৰ বৰপথাৰস্থিত অমৃত ইণ্টাৰনেচনেল স্কুলৰ একাদশ শ্ৰেণীৰ ছাত্ৰী।

# দেওপানীৰ বিশিষ্ট সমাজকৰ্মী তথা সংগ্ৰামী সেনা অসমৰ নেতা মহবুবুৰ ৰহমানৰ দেহাৱসান

**অসম বাৰ্তা, গেলেকী, ২১ আগষ্ট ঃ** দেওপানী অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা 'সংগ্ৰামী সেনা, অসম'ৰ গেলেকী আঞ্চলিক সমিতিৰ সন্মানীয় কাৰ্যকৰী সভাপতি মহবুবুৰ ৰহমানৰ আজি আকস্মিক দেহাৱসান ঘটে। তেওঁৰ এই অকাল বিয়োগত সমগ্ৰ দেওপানী আৰু গেলেকী অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, উচ্চ ৰক্তচাপ জনিত কাৰণত হঠাতে অসুস্থ হৈ পৰাত তেওঁক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ নি থকা হৈছিল। কিন্তু দুৰ্ভাগ্যবশত: পথৰ মাজতে আজি পুৱা তেওঁ শেষ নিশ্বাস ত্যাগ কৰে বুলি জানিব পৰা গৈছে। এজন নিৰ্ভীক সামাজিক সংগ্ৰামী আৰু জনদৰদী নেতা হিচাপে অঞ্চলটোৰ ৰাইজৰ মাজত তেওঁৰ বিশেষ জনপ্ৰিয়তা আছিল। সংগ্ৰামী সেনা অসমৰ প্ৰতিটো কাৰ্যসূচী সক্ৰিয়ভাৱে ৰূপায়ণ কৰাৰ লগতে আঞ্চলিক সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত তেওঁ সদায় অগ্ৰণী ভূমিকা পালন কৰি আহিছিল। তেওঁৰ বিয়োগত 'সংগ্ৰামী সেনা, অসম'ৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তাৰ লগতে স্থানীয় বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# নগাঁও-হোজাইত চৰকাৰী ৰাজহ ফাঁকিৰে চলিছে অবৈধ শিলৰ ৰমৰমীয়া ব্যৱসায়

**অসম বাৰ্তা, ডবকা, ২১ আগষ্ট ঃ** ৰাজ্য চৰকাৰে বনাঞ্চল সংৰক্ষণ আৰু প্ৰাকৃতিক সম্পদৰ অবৈধ খনন ৰোধৰ বাবে বিভিন্ন সময়ত কঠোৰ নিৰ্দেশনা জাৰি কৰি আহিছে। বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱায়ো অবৈধ খনন আৰু বন ধ্বংসৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সকীয়নী প্ৰদান কৰিছে। কিন্তু মন্ত্ৰীৰ এনে কঠোৰ সকীয়নীৰ পিছতো নগাঁও আৰু হোজাই জিলাৰ একাংশ অঞ্চলত অবৈধ শিলৰ কোৱেৰীৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, নগাঁও বন সংমণ্ডল আৰু হোজাই দক্ষিণ বন সংমণ্ডলৰ বন বিষয়াৰ অধীনস্থ ডবকা পাহাৰীয়া অঞ্চলত পুনৰ সক্ৰিয় হৈ পৰিছে কেইবাটাও অবৈধ শিলৰ কোৱেৰী। বিশেষকৈ ডবকাৰ মাদাতলি আৰু ভেলেউগুৰি অঞ্চলত চাৰিটাকৈ অবৈধ শিলৰ কোৱেৰীত কোনো বৈধ নিবিদা বা অনুমোদিত ব্যৱস্থা অবিহনে শিল খনন চলি থকাৰ অভিযোগ উত্থাপিত হৈছে। পাহাৰ কাটি বৃহৎ পৰিমাণে শিল উলিয়াই নিয়াৰ ফলত অঞ্চলটোৰ প্ৰাকৃতিক পৰিৱেশৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰাৰ আশংকা কৰা হৈছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি, এইসমূহ কোৱেৰীৰ পৰা প্ৰতিদিনে শ শ ডাম্পাৰত শিল কঢ়িয়াই নিয়া হয়। বহু ক্ষেত্ৰত চালান অবিহনে শিল সৰবৰাহ কৰাৰ অভিযোগো উত্থাপিত হৈছে। ডবকাৰ পৰা নগাঁও, হোজাইকে ধৰি দুয়োখন জিলাৰ বিভিন্ন অঞ্চললৈ এই শিল সৰবৰাহ কৰা হয় বুলি জানিব পৰা গৈছে। যদি এই অভিযোগ সত্য হয়, তেন্তে ইয়াৰ ফলত চৰকাৰে বৃহৎ পৰিমাণৰ ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ লগতে চৰকাৰী নিয়ম-কানুনকো ভেঙুচালি কৰা হৈছে বুলি অভিযোগ উঠিছে। অবৈধভাৱে শিল খননৰ ফলত কেৱল চৰকাৰী ৰাজহৰ ক্ষতিয়েই নহয়, পাহাৰীয়া অঞ্চলৰ পৰিৱেশ আৰু প্ৰাকৃতিক ভাৰসাম্যৰ ওপৰতো ইয়াৰ গুৰুতৰ প্ৰভাৱ পৰাৰ আশংকা আছে। পাহাৰ কাটি শিল উলিয়াই নিয়াৰ ফলত মাটিৰ ক্ষয়, বৰষুণৰ সময়ত ভূমিস্খলন আৰু নিকটৱৰ্তী অঞ্চলত পৰিৱেশগত সমস্যাৰ সৃষ্টি হ'ব পাৰে। সেয়ে বিষয়টো কেৱল ৰাজহ ফাঁকিৰ সৈতে জড়িত নহয়, পৰিৱেশ সুৰক্ষাৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। ইফালে, ইমান বৃহৎ পৰিমাণে অবৈধভাৱে শিল খনন আৰু সৰবৰাহ চলি থকাৰ পিছতো সংশ্লিষ্ট বন বিভাগে কিয় কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই, তাক লৈও প্ৰশ্ন উত্থাপিত হৈছে। স্থানীয় ৰাইজৰ মাজত এই সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। একাংশ সচেতন নাগৰিকে অভিযোগ কৰিছে যে, অবৈধ শিল কোৱেৰীৰ বিৰুদ্ধে সময়ে সময়ে অভিযান চলোৱাৰ পৰিৱৰ্তে সংশ্লিষ্ট বিভাগসমূহৰ একাংশ বিষয়াৰ নীৰৱ ভূমিকাই অবৈধ ব্যৱসায়ীসকলক উৎসাহিত কৰি আহিছে। সেয়েহে সমগ্ৰ বিষয়টো নিৰপেক্ষভাৱে তদন্ত কৰি প্ৰকৃত তথ্য পোহৰলৈ অনাৰ দাবী জনাইছে সচেতন মহলে। অন্য এক গুৰুতৰ অভিযোগ হৈছে এইসমূহ কোৱেৰীৰ পৰা শিল কঢ়িয়াই নিয়া একাংশ ডাম্পাৰে অত্যধিক পৰিমাণৰ শিল লৈ ৰাষ্ট্ৰীয় ঘাইপথেৰে চলাচল কৰি আহিছে। হোজাই জিলা পৰিবহণ বিভাগৰ তৎপৰতাৰ অভাৱৰ সুযোগ লৈ অভাৰ লোডিং কৰা ডাম্পাৰসমূহে নিয়মীয়াকৈ চলাচল কৰাৰ অভিযোগ উঠিছে। অভাৰ লোডিং কৰা গধুৰ বাহনৰ অবাধ চলাচলে ইতিমধ্যে পথৰ ওপৰত অতিৰিক্ত চাপ সৃষ্টি কৰাৰ লগতে সাধাৰণ যাত্ৰী আৰু পথচাৰীৰ বাবেও বিপদৰ আশংকা বৃদ্ধি কৰিছে। বিশেষকৈ ডবকাৰ ৰাষ্ট্ৰীয় ঘাইপথত দিন-ৰাতি শিলভৰ্তি ডাম্পাৰৰ চলাচল বৃদ্ধি পোৱাত যিকোনো মুহূৰ্ততে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। নিয়ম অনুসৰি বাহনসমূহৰ ওজন পৰীক্ষা কৰা, চালান আৰু অন্যান্য নথি-পত্ৰ পৰীক্ষা কৰা আৰু অবৈধভাৱে শিল সৰবৰাহ কৰা বাহনৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উঠিছে। সচেতন মহলৰ মতে, অবৈধ শিল খনন বন্ধ কৰিবলৈ কেৱল মাজে-সময়ে অভিযান চলালেই নহ'ব, অবৈধ কোৱেৰীৰ উৎসৰ পৰা শিল সৰবৰাহ কৰা বাহনলৈকে সমগ্ৰ ব্যৱস্থাটোৰ ওপৰত কঠোৰ নজৰদাৰী চলাব লাগিব। একে সময়তে বৈধ অনুমতি অবিহনে পাহাৰ কাটি শিল খনন কৰা, চালানবিহীনভাৱে শিল সৰবৰাহ কৰা আৰু অভাৰ লোডিং কৰা বাহনৰ বিৰুদ্ধে পৃথক পৃথকভাৱে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো প্ৰয়োজনীয়। এই পৰিপ্ৰেক্ষিতত ডবকাৰ মাদাৰতলি আৰু ভেলেউগুৰি অঞ্চলত চলি থকা বুলি অভিযোগ উত্থাপিত অবৈধ শিলৰ কোৱেৰী সমূহৰ বিৰুদ্ধে শীঘ্ৰে তদন্ত আৰু অভিযান চলাই প্ৰকৃত সত্য উদঘাটন কৰাৰ দাবী জনাইছে ডবকাৰ সচেতন মহলে। লগতে চৰকাৰী ৰাজহ ফাঁকি আৰু প্ৰাকৃতিক সম্পদৰ অবৈধ লুণ্ঠন ৰোধৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ জৰুৰী হস্তক্ষেপ কামনা কৰিছে ৰাইজে।

# মাজুলী মহাবিদ্যালয়ত নৱাগত আদৰণী সভা সম্পন্ন

## অনুসন্ধিৎসা জ্ঞান অৰ্জনৰ বাবে প্ৰধান পূৰ্বচৰ্ত ঃ ড° দেৱজিৎ শইকীয়া



**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২১ আগষ্ট ঃ** মাজুলীত উচ্চশিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ২০২৬ বৰ্ষৰ নৱাগত আদৰণি সভাখনি আজি সম্পন্ন হৈ যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱা মহাবিদ্যালয়ৰ কৰ্মচাৰী নাৰায়ণ শইকীয়া, অতুল বৰা, ভৱেন শইকীয়া, মংগলা পায়েং, ৰত্ন বৰা, অনাময় কৰ্মী দীপক দাস, নৈশ চকীদাৰ মাণিক ৰেগন আৰু সমাজসেৱা সম্পাদকৰ নেতৃত্বত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলৰ দ্বাৰা পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছতেই গছপুলি ৰোপণ কৰে মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগনে। পুৱা ৮ বজাত ছাত্ৰ একতা সভাৰ সভানেত্ৰী কাকুলী পগাগে একতা সভাৰ পতাকা উত্তোলন কৰাৰ পিছতেই মহাবিদ্যালয়ৰ স্থায়ী শ্বহীদ বেদীত শ্বহীদ তৰ্পণ কৰে সদৌ মাজুলী জিলা ছাত্ৰ সন্থা ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়াই। তাৰ পাছতেই মহাবিদ্যালয় প্ৰাংগণত প্ৰতিষ্ঠিত 'পঞ্চৰত্ন প্ৰতিমূৰ্তি'ৰ সন্মুখত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰাই। ৯ বজাত মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰৰ পৰা অধ্যক্ষ প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থীসকলে নৱাগতসকলৰ যাত্ৰাপথত ফুল ছটিয়াই আনুষ্ঠানিকভাৱে মহাবিদ্যালয়-প্ৰাংগণলৈ আদৰি আনে। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰাণৰ শিল্পী জুবিন গাৰ্গক প্ৰধান বিষয় হিচাপে লৈ প্ৰস্তুত কৰা ছাত্ৰ একতা সভাৰ এইবাৰৰ প্ৰাচীৰ পত্ৰিকা 'সমীৰণ' উন্মোচন কৰে মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই। ১০.০৫ বজাত মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়াই মূল মঞ্চত বন্তি প্ৰজ্বলন কৰাৰ পাছতে কেশৱৰাম বৰা প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাখনি শুভাৰম্ভ কৰা হয় ড° দেৱজিৎ শইকীয়া ৰচিত আৰু অনিল বৰা সুৰাৰোপিত, শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত 'বাষষ্ঠিৰ মহাপ্ৰলয়ো নেওচি দিলে সাহৰ পৰিচয়...' শীৰ্ষক মহাবিদ্যালয়-গীতেৰে। শিক্ষক গোটৰ সম্পাদক ড° অনুপ কুমাৰ দলেয়ে আঁত ধৰা সভাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী তথা শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ পদ্মধৰ শইকীয়াই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছাত্ৰী জিৰণী কোঠা সম্পাদিকা জানমণি নৰহে আৰু আদৰণি ভাষণ পাঠ কৰে ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক জিণ্টু পাতিৰে। নিৰ্দিষ্ট বক্তাৰ সাৰগৰ্ভ ভাষণ প্ৰদান কৰি গড়মূৰ পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ অজিত সভাপণ্ডিতে মহাবিদ্যালয়ৰ অভিজ্ঞ শিক্ষাগুৰুসকলৰ নিৰ্দেশ শিৰোধাৰ্য কৰি ছাত্ৰ-ছাত্ৰীসকলক সৰ্বতোপ্ৰকাৰে নিজৰ বৌদ্ধিক বিকাশ ঘটাবলৈ আহবান জনায়। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "অনুসন্ধিৎসা জ্ঞান আহৰণৰ প্ৰধান পূৰ্বচৰ্ত। জিজ্ঞাসু আৰু অনুসন্ধিৎসু মনৰ অধিকাৰী হোৱা শিক্ষাৰ্থীয়েই জীৱনত কৃতকাৰ্যতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হয়।" লগতে বিদ্যামন্দিৰৰ পৰা আহৃত জ্ঞানেৰে সমৃদ্ধ হৈ নিজৰ লগতে সমাজখনকো পোহৰাই তুলিবলৈ প্ৰয়াস কৰাটোৱেই প্ৰকৃত শিক্ষাৰ্থীৰ মূল কৰ্তব্য বুলি উল্লেখ কৰি তেওঁ গুৰুসকলৰ প্ৰতি শ্ৰদ্ধাশীল হ'লেহে জ্ঞান অন্বেষণ সম্পূৰ্ণ হ'ব বুলি মন্তব্য কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, গড়মূৰ পীতাম্বৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুমুদ গোস্বামী মাজুলী মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ আৰু নামনি মাজুলী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ স্নাতকোত্তৰ শিক্ষক নিৰণ ভৰালীয়ে নিজৰ বক্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ কৰে। আজিৰ সভাতেই ২০২৬ বৰ্ষৰ শ্ৰেষ্ঠ নৱাগত আৰু শ্ৰেষ্ঠা নৱাগতা বঁটা প্ৰদান কৰা হয় ক্ৰমে বিভূতি পেগু আৰু তৃষা দলেক। মহাবিদ্যালয়ৰ অনাময় কৰ্মী দীপক দাসক ছাত্ৰ একতা সভাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাত মহাবিদ্যালয় নাৰী সবলীকৰণ কোষৰ সভানেত্ৰী প্ৰণীতা ৰাজখোৱা আৰু গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে শিক্ষাৰ্থীসকলক উদ্দেশ্য বক্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল সমন্বিতে আমন্ত্ৰিত বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মুকলি সভাৰ পাছতে মহাবিদ্যালয়ৰ বছা বছা শিক্ষাৰ্থী-শিল্পীৰ দ্বাৰা পৰিবেশিত বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে নতুন কমলাবাৰী সত্ৰৰ শিল্পী পেঞ্চনাৰ বৈষ্ণৱ প্ৰভাত বৰা বুঢ়াভকতে। ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ সম্পাদিকা মঞ্জুলা হাজৰিকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সাংস্কৃতিক অনুষ্ঠানত অসমৰ যশস্বী কণ্ঠশিল্পী নমিতা ভট্টাচাৰ্যই গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। অধ্যাপক ড° অনুপ কুমাৰ দলে, আচাৰ্য মোহন দাস আৰু প্ৰজ্ঞা পাৰমিতা কৌশিকৰ তত্ত্বৱধানত ৰূপায়িত মহাবিদ্যালয়ৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিবেশন কৰা বৰ্ণিল গীত-নৃত্যৰ অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰাক্তন তৰ্ক সম্পাদক তথা কণ্ঠশিল্পী ৰঞ্জিত মুক্তিয়াৰে বিশেষ আমন্ত্ৰিত শিল্পী হিচাপে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# তীৰ্থ নগৰী হাজোত অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া বেহা

**অসম বাৰ্তা, হাজো, ২১ আগষ্ট ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া বেহা পূৰ্বতকৈ অধিক হাৰত বৃদ্ধি পাইছে। বিশেষকৈ দমদমা চ'ক, গেৰুৱা, অভয়পুৰ, মাজৰচুপা, শাক্তিবড়ী, চকামতলী, ৰামদিয়া, বাগটা, জাপিয়া, দিহিনাকে ধৰি একাধিক অঞ্চলত বৃদ্ধি পাইছে অবৈধ সুৰাৰ বেহা। উল্লেখ্য যে হাজো তীৰ্থনগৰী হোৱা বাবে সুৰাৰ বিপনীৰ অনুজ্ঞাপত্ৰ দিয়াত নিষেধাজ্ঞা আছে যদিও সম্প্ৰতি হাজোৰ বিভিন্ন প্ৰান্তত শতাধিক বিলাতী সুৰাৰ দোকান মুকলিমুৰীয়াকৈ চলি থকা দেখা গৈছে। এইক্ষেত্ৰত আবকাৰী বিভাগৰ লগতে হাজো আৰক্ষীয়েও কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। মাজে সময়ে আৰক্ষীয়ে অবৈধ বিলাতী সুৰাৰ বিৰুদ্ধে অভিযান চলাই যদিও জনৈক সত্য, ঘনশ্যাম, নৰ, ধীৰেণ, ৰাম, হৃদয় নামৰ অসাধু ব্যৱসায়ীসকলৰ অবৈধ বিলাতী সুৰাৰ ঘাটিত অভিযান চলোৱা দেখা নাযায়। অনুজ্ঞাপত্ৰ থকা বিলাতী সুৰাৰ দোকান সমূহ বন্ধ আৰু খোলাৰ নিৰ্ধাৰিত সময় আছে যদিও বৃহত্তৰ হাজোত বিলাতী সুৰাৰ অবৈধ দোকান সমূহ দিনটোৰ চৌবিশ ঘণ্টাই মুক্তভাৱে সুৰা বিক্ৰী কৰি থকাৰ অভিযোগ আছে। সুৰা বিক্ৰীৰ ক্ষেত্ৰত চৰকাৰী নিৰ্দেশনা নামানি এচাম ঘোচখোৰ বিষয়াক মেনেজ কৰি অসাধু ব্যৱসায়ীয়ে হাজোত চলাই গৈছে অবৈধ বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায়। তীৰ্থনগৰী হাজোত অবৈধ সুৰাৰ অবাধ প্ৰচলনে প্ৰভাৱ পেলাইছে একাংশ শিক্ষাৰ্থীৰ মাজত। এক প্ৰকাৰ যেন ধ্বংসৰ মুখলৈ ঠেলি দিয়া হৈছে উঠি অহা নৱ প্ৰজন্মক। সমাজৰ বিভিন্ন বিষয়ত সততে মাত মাতি অহা ছাত্ৰ সংগঠন সমূহেও এই ক্ষেত্ৰত ৰহস্যজনকভাৱে নিমাত হৈ থকা পৰিলক্ষিত হৈছে। এতিয়া সচেতন ৰাইজৰ প্ৰশ্ন কিদৰে হাজোৰ উঠি অহা নতুন প্ৰজন্মক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিব পাৰি? এই ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষ তথা প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি স্থানীয় ৰাইজে আশা কৰিছে।

# মাজুলীত জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ যৌথ উদ্যোগত বিশেষ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ২১ আগষ্ট ঃ** মাজুলী জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ যৌথ উদ্যোগত আজি সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক বিশেষ কৰ্মশালা তথা প্ৰশিক্ষণ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়। এই কৰ্মশালাত মূলতঃ National Programme for Prevention and Control of Non-Communicable Diseases (NP-NCD), National Quality Assurance Standards (NQAS) আৰু ৮০ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে ঘৰতে সৰ্বাংগীণ স্বাস্থ্য সেৱা আগবঢ়োৱাৰ লক্ষ্যৰে গ্ৰহণ কৰা বিশেষ পদক্ষেপ "বিবেচক" (BIBE CHOK) সম্পৰ্কে বিশদ প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলাখনৰ কমিউনিটি হেল্থ অফিচাৰ (CHO) আৰু বহুমুখী স্বাস্থ্যকৰ্মীসকলক (MPW) এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে প্ৰশিক্ষিত কৰি তোলা হয়। উক্ত কাৰ্যসূচীত মাজুলী জিলাৰ মাননিয় জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য) অপৰূপা বৰগোহাঁই, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক (JDH), জিলা প্ৰকল্প প্ৰবন্ধক (DPM), বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) স্বাস্থ্য ব্যৱস্থা বিষয়া আৰু জিলাখনৰ স্বাস্থ্য বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# যোৰহাটৰ এৰি-মুগা গৱেষণা প্ৰতিষ্ঠানৰ উদ্যোগত বিহালী সমষ্টিত দুখনকৈ সজাগতামূলক শিবিৰ




**অসম বাৰ্তা, গহপুৰ, ২০ আগষ্ট** ঃ যোৰহাটৰ লাহদৈগড়স্থিত এৰি-মুগা গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বিজ্ঞানী ড° শশীকলা এমৰ বিশেষ উদ্যোগত আৰু বিশ্বনাথ জিলা ৰেছম বিভাগৰ সহযোগত আজি দিনযোৰা কাৰ্যসূচীৰে বিহালী বিধানসভা সমষ্টিৰ অন্তৰ্গত বেদেতী আৰু বৰগাঙৰ খেলমাটিত দুখনকৈ সজাগতামূলক শিবিৰ অনুষ্ঠিত হয়। "Mera Resham Mera Abhiman 2.0, A National Mega Sericulture Technology Transfer Campaign" শীৰ্ষক কাৰ্যসূচীৰ অধীনত প্ৰথমখন সজাগতামূলক শিবিৰ বেদেতীৰ এক নং বৰালীমৰা গাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। পঞ্চায়তটোৰ আঞ্চলিক সদস্যা নীতা আগৰৱালা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা শিবিৰটোত এৰি পলু কণীৰ পৰা ওলোৱাৰ পিছত কণমানি পলুৰ প্ৰাৰম্ভিক পৰ্যায়ৰ যত্ন আৰু পালনৰ বিষয়ে বিজ্ঞানসন্মত পদ্ধতিৰে বিস্তৃত ব্যাখ্যা আগবঢ়ায় বিজ্ঞানী ড° শশীকলা এমে। বিশ্বনাথ জিলা ৰেছম বিভাগৰ অধীক্ষক মকছেদ আলী আহমেদে আঁত ধৰা শিবিৰটোত অঞ্চলটোৰ প্ৰায় ৫০ গৰাকী এৰি পালকে অংশগ্ৰহণ কৰে। শিবিৰত এৰি পলুৰ চাওকি পালন (Chawki rearing) তথা প্ৰাৰম্ভিক পৰ্যায়ৰ পলু পালনৰ পদ্ধতি, পৰিচৰ্যা আৰু ৰোগ প্ৰতিৰোধৰ বিভিন্ন দিশৰ বিষয়ে পালকসকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে ৰেছম বিভাগৰ তৰফৰ পৰা উপস্থিত এৰি পালকসকলৰ মাজত কেচেৰু গছৰ পুলি আৰু ৰোগ প্ৰতিৰোধৰ বাবে ব্লিচিং পাউডাৰ বিতৰণ কৰা হয়। ইয়াৰ পিছত বৰগাঙৰ খেলমাটিস্থিত এৰি সমাহাৰ কেন্দ্ৰত দ্বিতীয়খন সজাগতামূলক শিবিৰ অনুষ্ঠিত হয়। শিবিৰটোত বিজ্ঞানী ড° শশীকলা এমে বৈজ্ঞানিক পদ্ধতিৰে এৰি পলু পালনৰ বিভিন্ন দিশৰ ওপৰত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। বিশ্বনাথ জিলা ৰেছম অধীক্ষক মকছেদ আলী আহমেদে আঁত ধৰা শিবিৰটোত স্থানীয় প্ৰায় ৫০ গৰাকী এৰি পালকে অংশগ্ৰহণ কৰে। শিবিৰটোত এৰি পলু পালনৰ বিভিন্ন দিশ সামৰি প্ৰস্তুত কৰা লিফলেট বিতৰণ কৰা হয়। এনে সজাগতামূলক আৰু প্ৰশিক্ষণমূলক কাৰ্যসূচীয়ে এৰি পালকসকলক বৈজ্ঞানিক পদ্ধতিৰে এৰি পলু পালন কৰিবলৈ উৎসাহিত কৰাৰ লগতে এৰি পলু পালনৰ প্ৰতি অধিক আগ্ৰহ আৰু সচেতনতা সৃষ্টি কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# উজনি মাজুলীৰ ভকতি বিল আৰু টুনি নৈৰ পৰিস্কৰণ আৰু উন্নয়ন মুলক কামৰ অগ্ৰগতিৰ বুজ ললে জিলা আয়ুক্ত ৰাতুল পাঠকে

**অসম বাৰ্তা, মাজুলী, ২০ আগষ্ট** ঃ উজনি মাজুলীৰ ঐতিহাসিক ভকতি বিল আৰু টুনি নদীৰ জলাশয়সদৃশ পৰিস্কৰণ তথা উন্নয়নমূলক কামৰ অগ্ৰগতি সূক্ষ্মভাৱে পৰ্যালোচনা কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে এক গুৰুত্বপূৰ্ণ পৰিদৰ্শন কাৰ্যসূচী গ্ৰহণ কৰে। পৰিদৰ্শনকালত জিলা আয়ুক্তগৰাকীয়ে ভকতি বিলৰ পৰিস্কৰণ আৰু পুনৰুজ্জীৱনৰ ফলত অঞ্চলটোত সৃষ্টি হ'ব পৰা সম্ভাৱনাময় পৰ্যটনস্থলী, মৎস্য উৎপাদনৰ সুযোগ, জলজ সম্পদৰ সংৰক্ষণ আৰু স্থানীয় ৰাইজৰ জীৱিকাৰ সম্ভাৱনাকে ধৰি বিভিন্ন দিশ পৰ্যালোচনা কৰে। লগতে টুনি নদী আৰু ভকতি বিলৰ জলসম্পদক সুপৰিকল্পিতভাৱে ব্যৱহাৰ কৰি পাৰ্শ্বৱৰ্তী কৃষিভূমিত জলসিঞ্চনৰ সুবিধা সৃষ্টি কৰাৰ এক দীৰ্ঘম্যাদী পৰিকল্পনাৰ বিষয়েও গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। এই উপলক্ষে জলসম্পদ বিভাগ, লোকনিৰ্মাণ বিভাগ, কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগৰ বিষয়াসকলৰ লগতে স্থানীয় ৰাইজৰ সৈতে জিলা আয়ুক্তগৰাকীয়ে এক গুৰুত্বপূৰ্ণ মত-বিনিময়ত মিলিত হয়। আলোচনাত প্ৰকল্পটোৰ কাৰিকৰী দিশ, জলধাৰণ ক্ষমতা বৃদ্ধি, পানীৰ সঠিক ব্যৱস্থাপনা, কৃষিক্ষেত্ৰত জলসিঞ্চনৰ সুবিধা, মৎস্য উৎপাদনৰ সম্ভাৱনা আৰু পৰ্যটনৰ সম্ভাৱনা বিভিন্ন দিশৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে ভকতি বিল আৰু টুনি নদীৰ এই ঐতিহাসিক জলাশয়সমূহৰ পুনৰুজ্জীৱন কেৱল পৰিৱেশ সংৰক্ষণৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, ই ভৱিষ্যতে স্থানীয় অৰ্থনীতি, কৃষি, মৎস্য উৎপাদন, পৰ্যটন আৰু ৰাইজৰ জীৱন-জীৱিকাৰ ক্ষেত্ৰতো ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। ভকতি বিল আৰু টুনি নদীৰ এই ঐতিহাসিক জলসম্পদসমূহৰ সুপৰিকল্পিত সংৰক্ষণ আৰু উন্নয়নৰ জৰিয়তে স্থানীয় জনজীৱনৰ বাবে এক নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি হোৱাৰ আশা কৰা হৈছে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ সময়তে ধাপাক গাঁৱৰ ওচৰত থকা শ্লুইচ গেট বন্ধ কৰি ৰখাৰ বাবে টুনিত বাঢ়নী পানী সোমাব পৰা নাই। ফলত ঠায়ে ঠায়ে মেটেকাই আবৰি ধৰা দেখা গৈছে। মেটেকা এতিয়াই চফা নকৰিলে কিছু দিনৰ পিছতে টুনিনৈ পিতনিলৈ পৰ্যবসিত হ'বলৈ বেছি দিন নালাগিব। তদুপৰি গেটখন অপৰিকল্পিত ভাৱে আৰু প্ৰাককলন অনুসৰি নিৰ্মাণ কৰা নাই বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। পানী ওলোৱা আৰু সোমোৱাৰ বাবে নিৰ্মাণ কৰা গেটখন বন্ধ ৰখা দেখা পোৱা যায়। স্থানীয় ৰাইজে গেটখন নিৰ্মাণত হোৱা বিজুতিৰ বাবে এক তদন্ত কৰিবলৈ দাবী জনোৱাৰ লগতে সেই স্থানত এখন দলং নিৰ্মাণ কৰিবলৈ দাবী জনায়। ❒

# আমগুৰিৰ ভগ্ন পথ মৰণফান্দ; শিশু আহত হোৱাৰ ঘটনা

**অসম বাৰ্তা, চেলেংহাট, ১৯ আগষ্ট** ঃ শিৱসাগৰ জিলাৰ আমগুৰিত পৌৰসভাৰ দায়িত্বহীন ব্যৱস্থাৰ বলি হ'ল এটি নিষ্পাপ শিশু। নগৰৰ ভগ্নপ্ৰায় পথসমূহ এতিয়া মৰণফান্দত পৰিণত হৈছে। যোৱা ১৭ আগষ্টত আমগুৰি পৌৰসভাৰ ২ নং ৱাৰ্ডৰ শ্বহীদ নবীন গগৈ পথৰ ভঙা ফুটপাথত সোমাই গুৰুতৰভাৱে আহত হয় ৬ বছৰীয়া শিশু ভিভান দে। ভাঙি থকা পদপথৰ লোৰ ৰডে শিশুটিৰ ভৰিত সৃষ্টি কৰে গভীৰ ক্ষত। প্ৰথমে আমগুৰি সামূহিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকৰ পৰামৰ্শত শিশুটিক তাৎক্ষণিকভাৱে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

বালিজানৰ পৰা চোৰে লৈ গ'ল চেউৰী গৰু

# গহপুৰৰ ঘাঁহিগাঁও আৰক্ষী চকী এলেকাত ৪ দিনত তিনিটাকৈ চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ২১ আগষ্ট** ঃ গহপুৰ সমজিলাৰ ঘাঁহিগাঁও আৰক্ষী চকীৰ অন্তৰ্গত বিভিন্ন অঞ্চলত ধাৰাবাহিকভাৱে সংঘটিত চুৰিৰ ঘটনাই অঞ্চলবাসীৰ মাজত আতংকৰ সৃষ্টি কৰিছে। বিগত মাত্ৰ চাৰিদিনৰ ভিতৰতে আৰক্ষী চকীখনৰ এলেকাত তিনিটাকৈ চুৰিকাণ্ড সংঘটিত হোৱাৰ তথ্য লাভ কৰা হৈছে। শেহতীয়াকৈ যোৱা নিশা বালিজানত সংঘটিত হৈছে গৰু চুৰিৰ ঘটনা। বালিজান নিবাসী তথা কৃষক ধ্ৰুৱজ্যোতি(বিদ্যুৎ )কাথ হাজৰিকাৰ ঘৰৰ গোহালিৰ পৰা যোৱা নিশা চোৰে এজনী চেউৰী গৰু লৈ যায়। পুৱা গোহালিত গৰু নথকা প্ৰত্যক্ষ কৰাৰ পিছতে পৰিয়ালটোৱে চুৰিৰ ঘটনাটো অৱগত হয়। ইফালে একেখন আৰক্ষী চকীৰ এলেকাত অতি কম সময়ৰ ব্যৱধানত কেইবাটাও চুৰিকাণ্ড সংঘটিত হোৱাক লৈ স্থানীয় ৰাইজৰ মাজত আতংক বৃদ্ধি পাইছে। নিৰাপত্তাহীনতাত ভুগিছে স্থানীয় ৰাইজ। ধাৰাবাহিক চুৰিৰ ঘটনাসমূহ ৰোধ কৰাৰ লগতে নিশাৰ সময়ত আৰক্ষীৰ তহলদাৰী অধিক শক্তিশালী কৰাৰ দাবী জনাইছে অঞ্চলবাসীয়ে। উল্লেখযোগ্য যে যে-যোৱা ১৭ আগষ্টৰ দিনা দিন দুপৰতে ঘাঁহিগাঁৱৰ বিভূতি কাকতি নামৰ ব্যৱসায়ী জনৰ ঘৰত চুৰি কাণ্ড সংঘটিত হোৱাৰ পিছত ১৮ আগষ্টৰ নিশা বৰঙাবাৰীৰ মানসী শৰ্মাৰ "টিফিন পইণ্ট" নামৰ খাদ্য বিপণীখনত সংঘটিত হৈছিল আন এক চুৰি কাণ্ড। ইয়াৰ পিছতে একেখন আৰক্ষী চকীৰ এলেকাত যোৱা নিশা পুনৰ গৰু চুৰি সংঘটিত হোৱাত ৰাইজ অধিক আতংকিত হৈ পৰিছে।

# ৰহা মহাবিদ্যালয়ত ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, ৰহা, ২১ আগষ্ট** ঃ ৰহা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC)ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট (NSS Unit) তথা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC)ৰ সহযোগত আজি ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰেক্ষাগৃহত দিনৰ ২ বজাত অনুষ্ঠিত হোৱা এই সজাগতা সভা খনৰ আঁত ধৰে মহাবিদ্যালয় উপাধ্যক্ষ মৃণাল শৰ্মা। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁও জিলাৰ জিলা আয়ুক্ত দেৱাশিস শৰ্মা, লগতে সমজিলা আয়ুক্ত ড° অংকিতা বৰা, সমজিলা আৰক্ষী অধীক্ষক সোণমণি শইকীয়া, সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে নগাঁও উকীল সন্থাৰ জ্যেষ্ঠ অধিবক্তা আবুল হাচেম খন্দকাৰ। সমল ব্যক্তি হিছাপে উপস্থিত হৈ অধিবক্তা গৰাকীয়ে ছাত্ৰ ছাত্ৰী সকলৰ আগত ড্ৰাগছ কি লগতে ইয়াক বিৰোধিতা কৰি মানৱ সমাজখনক আগুৱাই নিবলৈ লবলগীয়া প্ৰদক্ষেপ ওপৰত সাৱলীলভাৱে বক্তব্য দাঙি ধৰে। উক্ত সভাত জিলা আয়ুক্ত গৰাকীয়ে ছাত্ৰ ছাত্ৰী সকলৰ মাজত বৰ্তমান সমাজত ড্ৰাগছৰ ভয়াৱহ প্ৰভাৱ, যুৱ প্ৰজন্মৰ মাজত ইয়াৰ ক্ৰমবৰ্ধমান আসক্তি আৰু ইয়াৰ পৰা পৰিত্ৰাণৰ উপায় সন্দৰ্ভত নানা প্ৰশ্নৰে ছাত্ৰ ছাত্ৰী সকলৰ লগত আলোচনা কৰি বক্তব্য ৰাখে। লগতে প্ৰশ্ন উত্তৰ দিয়া ছাত্ৰ ছাত্ৰীক উদগনি মূলক উপহাৰ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক বিশেষকৈ নিচামুক্ত সমাজ গঢ়াৰ বাবে গুৰুত্ব পূৰ্ণ বুজনি প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বেদ কুমাৰ চলিহাই আদৰণি ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত গৰাকীয়ে ৰহা মহাবিদ্যালয়লৈ মৰমেৰে আৰ্থিক ভাবে বিগত ৰহা মহাবিদ্যালয়ৰ সোণালী জয়ন্তীত বৰঙনি আগবঢ়াই সহায় সহযোগিতা আগবঢ়ালে তাক মহাবিদ্যালয়ৰ তৰফৰ পৰা শলাগ ল'বই লাগিব বুলি অধ্যক্ষ গৰাকীয়ে আদৰণি ভাষণত বক্তব্য ৰাখে। ড্ৰাগছ বিৰোধী সভাখনত উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী বৃন্দ, প্ৰাক্তন অধ্যক্ষ গুণহাস বৰা, প্ৰাক্তন উপাধ্যক্ষ দিপ্তী দেৱী শৰ্মা, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মা, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতি, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভাৰত বৰুৱা, তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা ৰহা শাখা সাহিত্য সভাৰ সভাপতি প্ৰহ্লাদ কুমাৰ মচৰং, মানৱ অধিকাৰ সংগ্ৰাম সমিতি মাছৰ কাৰ্যকৰী অধ্যক্ষ তথা ৰহা শাখা সাহিত্য সভাৰ সম্পাদক লক্ষ্মী প্ৰসাদ ডেকা ৰহা আঞ্চলিক সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি সুভাষ ডেকা, ৰহা আঞ্চলিক সাংবাদিক সংস্থাৰ সভাপতি ৰমেশ নাথ, সাংবাদিক দ্বয় ক্ৰমে দীপক দাস, চয়েল খেতান, পলাশ হাজৰিকা, অসীম চেত্ৰী, নৱ জ্যোতি ভূঞা, ৰাজ দাস, প্ৰাক্তন আছু নেতা মৃদুল হাজৰিকা সহ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধি লগতে গণ্য মান্য ব্যক্তি আৰু অভিভাৱক লগতে বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এই সজাগতা সভাত উপস্থিত থাকে।

চিত্ৰাংকন, সজাগতা সভা আৰু বাটৰ নাট প্ৰদৰ্শন

# মৰঙীত ড্ৰাগছ বিৰোধী অভিযান; ছাত্ৰ-ছাত্ৰীয়ে বাহিৰ কৰিলে ড্ৰাগছ বিৰোধী সমদল

**অসম বাৰ্তা, নুমলীগড়, ২০ আগষ্ট** ঃ নুমলীগড়ৰ সমীপৰ মৰঙীৰ ফালঙনি বাপুজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্বেচ্ছাসেৱী সংগঠন 'মাটি'ৰ উদ্যোগত এলানি ড্ৰাগছ বিৰোধী সজাগতা অভিযান চলোৱা হয়। চিত্ৰাংকন, সজাগতা সভা, সমদল আৰু বাটৰ নাট প্ৰদৰ্শনেৰে বৰবিহ ড্ৰাগছৰ ভয়াবহতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। ড্ৰাগছৰ ক্ৰমবৰ্ধমান প্ৰচলনে উদ্বিগ্ন কৰিছে গোলাঘাটবাসীক। জিলাখনত বিশেষকৈ যুৱ-প্ৰজন্মৰ মাজত নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱক লৈ উদ্বেগ প্ৰকাশ কৰি ড্ৰাগছৰ বিৰুদ্ধে ঐক্যবদ্ধ যুঁজৰ আহ্বান জনোৱা হৈছে। গোলাঘাট জিলাৰ মৰঙীত অনুষ্ঠিত এক নিচাবিৰোধী সজাগতা কাৰ্যসূচীত ৰাজ্যৰ ভিতৰত ড্ৰাগছ প্ৰচলনৰ ক্ষেত্ৰত গোলাঘাটৰ স্থান দ্বিতীয় বুলি প্ৰকাশ কৰা হয়। একে কাৰ্যসূচীতে ড্ৰাগছ আসক্ত লোকৰ মাজত HIV সংক্ৰমণৰ হাৰ সন্দৰ্ভতো এক চাঞ্চল্যকৰ তথ্য উত্থাপন কৰা হয়। অৱশ্যে, ড্ৰাগছ আসক্ত লোকৰ ৯০ শতাংশৰ শৰীৰত HIV পজিটিভ পোৱা যায় বুলি কৰা দাবীটোৰ কোনো নিৰ্দিষ্ট চৰকাৰী বা স্বাস্থ্য বিভাগীয় উৎসত প্ৰকাশ পোৱা তথ্য নহয়। ড্ৰাগছৰ আসক্তিয়ে এজন ব্যক্তিৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ লগতে শিক্ষা, কৰ্মজীৱন আৰু পাৰিবাৰিক সম্পৰ্কতো গুৰুতৰ প্ৰভাৱ পেলায়। বিশেষকৈ ইনজেকচনৰ জৰিয়তে ড্ৰাগছ সেৱন কৰা লোকসকলে একেটা বেজী বা ছিৰিঞ্জ ভাগ-বতৰা কৰিলে HIVসহ বিভিন্ন ৰক্তবাহিত সংক্ৰমণৰ আশংকা বৃদ্ধি পাব পাৰে। ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে মৰঙীত 'মাটি' নামৰ স্বেচ্ছাসেৱী সংস্থা আৰু নুমলীগড় শোধনাগাৰ লিমিটেডৰ উদ্যোগত অনুষ্ঠিত হয় বিভিন্ন কাৰ্যসূচী। কাৰ্যসূচীৰ অংশ হিচাপে সজাগতা সভা, চিত্ৰাংকন প্ৰতিযোগিতা আৰু শোভাযাত্ৰা আদি উলিওৱা হয়। আনহাতে, বাটৰ নাটৰ জৰিয়তেও ড্ৰাগছ আসক্তিৰ ভয়াবহ পৰিণতি ৰাইজৰ সন্মুখত তুলি ধৰা হয়। সজাগতা সভাত বক্তাসকলে কয় যে ড্ৰাগছৰ বিৰুদ্ধে যুঁজ কেৱল আৰক্ষী-প্ৰশাসনৰ দায়িত্ব নহয়। পৰিয়াল, বিদ্যালয়, স্বাস্থ্য বিভাগ, স্বেচ্ছাসেৱী সংগঠন আৰু সমাজৰ প্ৰতিগৰাকী সচেতন নাগৰিকৰ সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। একেদৰে ড্ৰাগছ আসক্ত ব্যক্তিক কেৱল অপৰাধী হিচাপে গণ্য নকৰি তেওঁৰ চিকিৎসা, পৰামৰ্শ আৰু পুনৰ্সংস্থাপন জৰিয়তে সমাজৰ মূলসুঁতিলৈ ঘূৰাই অনাৰ ওপৰতো গুৰুত্ব আৰোপ কৰাটো অতিব প্ৰয়োজনীয় দিশ। ড্ৰাগছৰ প্ৰচলন ৰোধৰ সমান্তৰালভাৱে HIV/AIDS সম্পৰ্কে সজাগতা, পৰীক্ষা, চিকিৎসা ব্যৱস্থা শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাও সজাগতা কাৰ্যসূচীত উত্থাপন কৰা হয়। যুৱ প্ৰজন্মক নিচাৰ কৱলৰ পৰা ৰক্ষা কৰিবলৈ এতিয়া সমাজৰ সকলো স্তৰৰ লোক একত্ৰিত হৈ অধিক ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

# কৃষ্ণাইত হাতী-মানুহৰ সংঘাত ৰোধৰ বাবে বন বিভাগৰ সজাগতা অভিযান

**অসম বাৰ্তা, কৃষ্ণাই, ২১ আগষ্ট** ঃ হাতী-মানুহৰ সংঘাত ৰোধৰ লগতে গাঁওবাসীৰ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে গোৱালপাৰা জিলাৰ কৃষ্ণাই ৰেঞ্জৰ বন বিভাগে সজাগতা অভিযান চলায়। কৃষ্ণাই ৰেঞ্জৰ অন্তৰ্গত ২ নং কেতকীবাৰী, গুৱাবাৰী আৰু দহেলা অঞ্চলৰ গাঁওবাসীৰ মাজত কৃষ্ণাই মধ্যাঞ্চলিক বন বিষয়া ধ্ৰুৱজ্যোতি শৰ্মাৰ নেতৃত্বত টৰ্চ লাইট বিতৰণ কৰা হয়। বনাঞ্চলৰ কাষৰীয়া এই অঞ্চলসমূহত নিশাৰ ভাগত বন্যহস্তীৰ বিচৰণ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি গাঁওবাসীৰ সুৰক্ষাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। হাতীৰ উপস্থিতিৰ সময়ত অন্ধকাৰত যাতে ৰাইজে সজাগ হৈ থাকিব পাৰে আৰু হাতীৰ গতিবিধি লক্ষ্য কৰিব পাৰে, তাৰ বাবে টৰ্চ লাইট প্ৰদান কৰা হয়। ইয়াৰ লগতে বন বিভাগে হাতীৰ পৰা নিৰাপদ দূৰত্ব বজাই ৰখা, হাতীক উত্যক্ত নকৰা আৰু নিশাৰ সময়ত অধিক সাৱধানতা অৱলম্বন কৰিবলৈ গাঁওবাসীক আহ্বান জনায়। বন বিভাগৰ এই পদক্ষেপক আদৰণি জনাইছে স্থানীয় ৰাইজে।

# ৰহা আঞ্চলিক বনমালী শিল্পী সমাজৰ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা সম্পন্ন




**অসম বাৰ্তা, ৰহা, ২১ আগষ্ট** ঃ ৰহা আঞ্চলিক বনমালী শিল্পী সমাজৰ ৰহা মধ্যস্থ নামঘৰৰ প্ৰাঙ্গণত অসম ভিত্তিত দ্বিতীয় বাৰ্ষিক দিহানাম প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। উক্ত অনুষ্ঠানৰ প্ৰথমে পুৱা ৬ বজাত প্ৰাতঃ প্ৰসংগ অনুষ্ঠিত হৈ ভকত সকলৰ দ্বাৰা ভাগৱত পাঠৰ পাছত ধৰ্ম ধ্বজা উত্তোলন কৰে ৰহা আঞ্চলিক বনমালী শিপ্পী সমাজৰ সভাপতি দিলেন হাজৰিকা। ইয়াৰ পিছত অঞ্চলৰ যুৱক আইমাতৃ সকলৰ সহযোগত বিয়লি সমূহীয়া দিহানাম অনুষ্ঠিত হৈ সন্ধিয়া বন্তি প্ৰজ্বলন কৰে বুলু দাসে। ইয়াৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা দেৱৰ প্ৰতিছবিত বন্তি প্ৰজ্বলন কৰে ৰহা আঞ্চলিক বনমালি শিল্পী সমাজৰ সম্পাদক সঞ্জীৱ দাস আৰু সমূহ ৰাইজে। নিশা দাতা সকলক সম্বৰ্ধনা আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা শংকৰী কলা কৃষ্টিৰ সংস্কৃতি অনুষ্ঠান অনুষ্ঠিত হৈ নিশা অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত মুঠ ৩৮টা দল যোগদান কৰা কৰি সমগ্ৰ অঞ্চল হৰি নামেৰে মুখৰিত হৈ ভক্তিময় হৈ পৰে। উক্ত প্ৰতিযোগিতা শেষত বিচাৰকৰ ফলাফল ঘোষণা অন্তত প্ৰথম স্থান ৰুদ্ৰাক্ষমালা দিহানাম দল ননৈয়ে লাভ কৰে। ইয়াৰ উপৰিও দ্বিতীয় স্থান কল্পতৰু শিল্পী সংঘ কাকী, তৃতীয় স্থান ৰাধা কৃষ্ণ নামতি দল চাটনগুৰি, চতুৰ্থ স্থান কোমোৰাগুৰি পাঞ্চজন্য নামতি দল মৰিগাঁও, পঞ্চম স্থান নৱসূৰুয সাংস্কৃতিক গোষ্ঠী দক্ষিণপাট, ষষ্ঠ স্থান শংকৰ মাধৱ শিল্পী সমাজ ডিমৰুগুৰি, সপ্তম স্থান মণিকাঞ্চন শিল্পী সমাজ, বড়মপুৰ লাভ কৰা উপৰিও উৎদগনিমূলক বঁটা হিছাপে কৃষ্ণচূড়া নামতি দল মৰিগাঁও, সপ্ত বৈকুণ্ঠ নামতি দল পানবাৰী, নৱউদিত নামতি দল ধৰমতুল, কলংপৰীয়া নামতি দল ম'হমৰীয়া আৰু মিলিজুলি নামতি দল শেঁতালি লাভ কৰা লগতে শ্ৰেষ্ঠ নামতি দল পাৰিজাত নামতি দল শেনচুৱা, শ্ৰেষ্ঠ নগৰা বাদক নৱসূৰুয নামতি দল দক্ষিণপাট, শ্ৰেষ্ঠ খোল বাদন কল্পতৰু শিল্পী সমাজ কাকী, শ্ৰেষ্ঠ বৰতাল বাদন জগতগুৰু নামতি দল ২/৩ নং কাকী, শ্ৰেষ্ঠ খৰুতাল বাদন হৰি বিষ্ণু নামতি দল নগাঁও লাভ কৰে। সদৌ শেষত ৰাইজৰ সহায় সহযোগৰ বাবে উদোক্তা ফালৰ পৰা সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

# মাজুলীৰ আঁহতগুৰিত শক্তি বিভাগৰ নিৰ্মীয়মান কামত ঠিকাদাৰৰ মইমতালিৰ অভিযোগ

**অসম বাৰ্তা, দেৰগাঁও, ২১ আগষ্ট** ঃ মাজুলীৰ আঁহতগুৰিত শক্তি বিভাগৰ অধীনত চলি থকা নিৰ্মীয়মান বিদ্যুৎ কামত ব্যাপক অনিয়ম আৰু ঠিকাদাৰৰ মইমতালিৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। অভিযোগ অনুসৰি, অঞ্চলটোত নতুনকৈ বিদ্যুতৰ খুঁটা স্থাপন কৰাৰ এমাহো সম্পূৰ্ণ নৌহওঁতেই একাংশ খুঁটা মাটিত হাউলি পৰিছে। স্থানীয় ৰাইজৰ অভিযোগ, খুঁটা স্থাপনৰ সময়ত কামৰ মানদণ্ড আৰু নিৰ্ধাৰিত নিয়ম-নীতি সঠিকভাৱে পালন কৰা হোৱা নাই। ফলত অতি কম সময়ৰ ভিতৰতে খুঁটাবোৰ হাউলি পৰাত নিৰাপত্তাক লৈও উদ্বেগ সৃষ্টি হৈছে। ৰাইজে সমগ্ৰ বিষয়টো শক্তি বিভাগে তদন্ত কৰি নিৰ্মাণকাৰ্যৰ মানদণ্ড পৰীক্ষা কৰাৰ লগতে অনিয়ম সংঘটিত হ'লে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। লগতে নিম্নমানৰ কামৰ বাবে ৰাজহুৱা ধনৰ অপচয় হোৱাৰ অভিযোগৰো উচিত তদন্তৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

পকীদলং, পকী পথ আৰু কালভাৰ্টৰ আধাৰশিলা স্থাপন ৰিহণ দৈমাৰীৰ

# ওদালগুৰিত প্ৰায় ১৯ কোটি টকাৰে নিৰ্মাণ হ'বলগীয়া ৩ প্ৰকল্পৰ আধাৰশিলা স্থাপন ৰিহণ দৈমাৰীৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২১ আগষ্ট** ঃ নিৰ্বাচনৰ দিয়া প্ৰতিশ্ৰুতি পালন কৰি আজি বিটিচিৰ উপ-মুখ্য কাৰ্য্যবাহী সদস্য তথা বিধায়ক ৰিহণ দৈমাৰীয়ে ওদালগুৰিত তিনিটাকৈ গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। দৈমাৰীয়ে প্ৰথমে ওদালগুৰি জিলাৰ ভল্লা নদীৰ ওপৰত প্ৰায় ১৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগীয়া এখন পকী দলঙৰ আধাৰশিলা স্থাপন কৰে। শান্তিপুৰৰ পৰা বনগ্ৰম সংযোগী প্ৰায় ২৪০ মিটাৰ দৈৰ্ঘ্যৰ এই দলংখনৰ জৰিয়তে নদীৰ সিপাৰে থকা ৬খন ৰাজহ গাৱঁৰ কেইবা হাজাৰ লোকৰ যাতায়ত ব্যৱস্থা চমু আৰু সুচল কৰাৰ লক্ষ্য লোৱা হৈছে। ৰিহণ দৈমাৰীয়ে জনোৱা তথ্য অনুসৰি বহু বছৰ পূৰ্বৰে পৰা তেখেতে এই দলংখন নিৰ্মাণৰ প্ৰচেষ্টা লৈছিল যদিও দলংখনৰ দৈৰ্ঘ্য অধিক হোৱাৰ বাজেটৰ অভাৱত দলংখন নিৰ্মাণ বাবে অনুমোদন লাভ কৰিব সক্ষম হোৱা নাছিল। অৱশেষত বিশ্ববেংকৰ পৰা আৱণ্টিত পুজিৰে অসম চৰকাৰে এই দলংখন নিৰ্মাণৰ কাম হাতত লোৱাত তেখেতে বিশ্ববেংক আৰু অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে ৰিহণ দৈমাৰীয়ে মঙ্গলপাৰাৰ পৰা বাদাম ফাৰ্ম সংযোগী প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ পকী পথ এটিৰো আধাৰশিলা স্থাপন কৰে। প্ৰায় ৩.১৩ কোটিৰে অধিক টকা ব্যয়ৰে এই পথটো নিৰ্মাণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ আজিৰ দিনটোত ওদালগুৰি ২নং আমজুলিত প্ৰায় ৭৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগীয়া এটা কালভাৰ্টৰো আধাৰশিলা স্থাপন কৰে। প্ৰকল্প সমূহৰ আধাৰশিলা স্থাপন কৰি বিটিচিৰ উপ-মুখ্য কাৰ্য্যবাহী সদস্য তথা বিধায়ক ৰিহণ দৈমাৰীয়ে এই প্ৰকল্প সমূহত জড়িয়ৰে ভূটান সীমান্তৱৰ্তী অঞ্চল সমূহৰ হাজাৰ হাজাৰ জনগণ লাভান্বিত হ'ব বুলি মন্তব্য কৰে। তেঁও লগতে ওদালগুৰি জিলাত ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বিটিচিৰ পুজিৰে বিভিন্ন প্ৰকল্প নিৰ্মাণৰ কাম সফলভাৱে চলি আছে বুলিও উল্লেখ কৰে। আজিৰ এই কাৰ্য্যসূচী সমূহত কেইবাজনো বিশিষ্ট লোকে অংশ গ্ৰহণ কৰে।

# গৌৰীপুৰত গাড়ীৰ বেটাৰী চুৰি কৰিবলৈ গৈ ৰাইজৰ হাতত ধৰা খালে দুই চোৰ

**অসম বাৰ্তা, গৌৰীপুৰ, ২১ আগষ্ট** ঃ গৌৰীপুৰ থানাৰ অন্তৰ্গত বালাজান আৰক্ষী চকীৰ এলেকাত গাড়ীৰ বৈদ্যুতিক বেটাৰী চুৰি কৰিবলৈ গৈ ৰাইজৰ হাতত হাতে-লোটে ধৰা পৰিল দুজন গভাইত চোৰ। জানিব পৰা মতে, যোৱা নিশা আনুমানিক ৮ঃ৩০ বজাত গৌৰীপুৰৰ কুৰীৰপাৰ অঞ্চলত ইউ এফ মিলৰ ওচৰত ৰখাই থোৱা এখন গাড়ীৰ পৰা বৈদ্যুতিক বেটাৰী চুৰি কৰি থকা অৱস্থাত দুজন লোকক স্থানীয় ৰাইজে হাতে-লোটে ধৰি পেলায়। আটকাধীন লোক দুজনক ক্ৰমে সাহাজাহান আলি আৰু ছোহেল সেখ বুলি জানিবলৈ পোৱা হৈছে। আৰু দুয়োজনৰে ঘৰ ধুবুৰীৰ ঝগৰাৰপাৰ অঞ্চলত বুলি খবৰ পোৱা গৈছে। উল্লেখ্য যে, গৌৰীপুৰ থানাৰ অন্তৰ্গত বিভিন্ন এলেকাত ইয়াৰ পূৰ্বেও এনেধৰণৰ বেটাৰী চুৰিৰ কেইবাটাও ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ফলত এই ঘটনাক লৈ স্থানীয় ৰাইজৰ মাজত উদ্বেগ সৃষ্টি হৈছে। উক্ত ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু আটকাধীন দুয়োজনৰ সৈতে জড়িত চুৰি চক্ৰৰ বিষয়ে অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# বইটামাৰীৰ মূগা ফাৰ্মত 'মোৰ ৰেচম, মোৰ অভিমান'ৰ চতুৰ্থ দিনৰ কাৰ্যসূচী

**অসম বাৰ্তা, অভয়াপুৰী, ২১ আগষ্ট** ঃ কেন্দ্ৰীয় ৰেচম বৰ্ডৰ উদ্যোগত আৰু বঙাইগাঁও জিলা ৰেচম বিভাগৰ সহযোগত বঙাইগাঁও জিলাৰ বিভিন্ন অঞ্চলত অনুষ্ঠিত হৈ থকা 'মোৰ ৰেচম, মোৰ অভিমান' কাৰ্যসূচীৰ তৃতীয় দিনা কালি ছিপনছিলা গাঁও পঞ্চায়ত সমূহীয়া ভৱনত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত এৰী পলুৰ জীৱন প্ৰণালী, বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰৰ বিষয়ে কৃষকসকলক বিস্তৃতভাৱে অৱগত কৰা হয়। ইফালে, কাৰ্যসূচীৰ চতুৰ্থ দিনা আজি বইটামাৰী দেৱানগাঁৱৰস্থিত মূগা ফাৰ্মত এখন সভা অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় ৰেচম বৰ্ডৰ বিজ্ঞানী ইশিতা গোৰাই, কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী ৰক্তিম বৰা, ৰেচম বিভাগৰ পথ প্ৰদৰ্শক দীপক দাস, আব্দুল ৰহিম সৰকাৰৰ লগতে অভেশ্বৰী কৃষক উৎপাদক কোম্পানী লিমিটেডৰ অধ্যক্ষ চহেন ৰায় উপস্থিত থাকে। সভাৰ আৰম্ভণিতে অধ্যক্ষ চহেন ৰায়ে উপস্থিত সকলোকে সম্বৰ্ধন কৰি এৰী আৰু মূগা পলু পালন এক লাভজনক কৃষি হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য আগবঢ়ায়। তেওঁ পলু পালনৰ জৰিয়তে কৃষকসকলে স্বাৱলম্বী হোৱাৰ লগতে ইয়াক ব্যৱসায়িকভাৱে গঢ়ি তোলাৰ বাবে সকলোকে আহ্বান জনায়। সভাত কেন্দ্ৰীয় ৰেচম বৰ্ডৰ বিজ্ঞানী ইশিতা গোৰাই এৰী আৰু মূগা পলুৰ বিভিন্ন ৰোগ, ৰোগৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ বিষয়ে কৃষকসকলক বিস্তৃতভাৱে বুজাই দিয়ে। সভাখনত পলু পালনক অধিক লাভজনক আৰু ব্যৱসায়িকভাৱে সফল কৰি তোলাৰ বিভিন্ন দিশ সন্দৰ্ভতো কৃষকসকলৰ সৈতে মত-বিনিময় কৰে।

## সম্পাদকীয়

# শিক্ষা যাত্ৰা আৰু আমাৰ দায়িত্ব

অসমৰ শিক্ষা খণ্ডৰ বাবে 'শিক্ষা যাত্ৰা: প্ৰত্যাহ্বানৰ পৰা আকাংক্ষালৈ' নিশ্চিতভাৱে এক অত্যন্ত সময়োপযোগী আৰু আশাৰ ৰেঙনি কঢ়িয়াই অনা পদক্ষেপ। অসম চৰকাৰৰ সমগ্ৰ শিক্ষা অভিযানে সংকল্প লৈছে— ৰাজ্যখনৰ কোনো এটি শিশুও যাতে শিক্ষাৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত হৈ নাথাকে। শেহতীয়াকৈ গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত বিশেষ শুভাৰম্ভণি অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিশেষ কাৰ্যসূচীৰ আনুষ্ঠানিক সূচনা কৰে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ অধীনত আৰম্ভ হোৱা এই অভিযানত ৰাজ্যজুৰি ২, ৮৬২ গৰাকী বিশেষভাৱে প্ৰশিক্ষিত জিলা গুণগত মান ব্যৱস্থাপক আৰু শিক্ষা স্বেচ্ছাসেৱকে ২০ আগষ্টৰ পৰা ২৩ ছেপ্টেম্বৰলৈ এক ব্যাপক জৰীপ চলাব। দীৰ্ঘদিন ধৰি বিদ্যালয়ত অনুপস্থিত থকা আৰু আধাতে শিক্ষা ত্যাগ কৰা শিশুসকলক চিনাক্ত কৰি তেওঁলোকক আৱাসিক, অনা-আৱাসিক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰ আৰু মুক্ত বিদ্যালয় ব্যৱস্থাৰ মাধ্যমেৰে পুনৰ শিক্ষাৰ মূলসুঁতিলৈ ঘূৰাই অনাটোহে এই যাত্ৰাৰ প্ৰধান উদ্দেশ্য। অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে বিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰৰ সংগ্ৰামী জীৱনক আদৰ্শ হিচাপে দাঙি ধৰি উল্লেখ কৰে যে প্ৰতিকূল পৰিস্থিতিয়ে কেতিয়াও শিশুৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব নোৱাৰে।

চৰকাৰৰ এই পদক্ষেপ প্ৰশংসনীয় আৰু আদৰণীয় হ'লেও ইয়াৰ সফল ৰূপায়ণক লৈ সাধাৰণ ৰাইজ আৰু শিক্ষা সচেতন সমাজৰ মনত স্বাভাৱিকতেই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উদয় হৈছে। শিশুসকলে কেৱল ইচ্ছা কৰিয়েই স্কুল ত্যাগ নকৰে; ইয়াৰ আঁৰত থাকে চৰম দাৰিদ্ৰ্য, বাল্যবিবাহ, শিশু শ্ৰমিক প্ৰথা আৰু ঘৰুৱা আৰ্থিক অনাটন। কেৱল নামভৰ্তি বা জৰীপ চলোৱাই শেষ কথা হ'ব নোৱাৰে, বৰঞ্চ এই শিশুসকলৰ পৰিয়ালৰ আৰ্থিক সুৰক্ষা নিশ্চিত নকৰিলে তেওঁলোকক বিদ্যালয়ত ধৰি ৰখা আৰ্থিকভাৱে প্ৰত্যাহ্বানজনক হৈ পৰিব। আকৌ যিবোৰ আৱাসিক বা অনা-আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰত শিশুসকলক প্ৰশিক্ষণ দিয়া হ'ব, সেইবোৰত পৰ্যাপ্ত আন্তঃগাঁথনি, সুৰক্ষিত পৰিৱেশ আৰু গুণগত শিক্ষা প্ৰদান কৰিব পৰাকৈ দক্ষ শিক্ষকমণ্ডলী প্ৰস্তুত আছেনে নাই, সেয়াও এক চিন্তনীয় বিষয়। অতীতেও এনে ধৰণৰ বহু জৰীপ চলোৱা হৈছে, কিন্তু তথ্য সংগ্ৰহৰ পাছত বাস্তৱত শিশুসকল নিয়মিতভাৱে শ্ৰেণীকোঠালৈ অহাটো সুনিশ্চিত কৰাত প্ৰশাসন প্ৰায়ে ব্যৰ্থ হোৱা দেখা গৈছে। সেয়েহে, এই জৰীপ কেৱল কাগজে-কলমে এখন চৰকাৰী আঁচনি হৈ ৰ'ব নে প্ৰকৃততে প্ৰত্যেকটো শিশুক শ্ৰেণীকোঠালৈ আনিব পাৰিব, তাক লৈ ৰাইজ শংকিত।

'শিক্ষা যাত্ৰা'ক বাস্তৱত সফল কৰিবলৈ হ'লে কেৱল চৰকাৰী বিষয়া বা শিক্ষামন্ত্ৰালয়ৰ ওপৰত সমগ্ৰ নিৰ্ভৰশীলতা ৰাখিলে নহ'ব। সমাজৰ প্ৰতিজন সচেতন নাগৰিক, স্থানীয় বেচৰকাৰী সংস্থা, গাঁও প্ৰধান আৰু অভিভাৱকসকলে ইয়াত পোনপটীয়া সংযোগ আৰু সহযোগিতা আগবঢ়াব লাগিব। নিজৰ ওচৰ-পাজৰৰ কোনো শিশু যাতে কোনো কাৰণতে শিক্ষাৰ পৰা বঞ্চিত হৈ নাথাকে, তাৰ বাবে জৰীপকাৰী দলক সঠিক তথ্য যোগান ধৰাটো আমাৰ সকলোৰে নৈতিক দায়িত্ব। শিশুসকল আমাৰ দেশ তথা জাতিৰ ভৱিষ্যত। 'শিক্ষা যাত্ৰা'ই যেন কেৱল এক চৰকাৰী কাৰ্যসূচী হৈ নোৰয়, বৰঞ্চ প্ৰত্যেকটো নিষ্পেষিত শিশুক নতুন সপোন দেখুৱাব পৰা আৰু সেই সপোন বাস্তৱত পৰিণত কৰিব পৰা এক প্ৰকৃত সামাজিক আন্দোলনলৈ ৰূপান্তৰিত হয়, সেয়াই আমাৰ কামনা।

# ড্ৰাগছৰ বিৰুদ্ধে সামাজিক দায়িত্ব আৰু কৰণীয়

*ড্ৰাগছ নিৰ্মূলকৰণৰ বাবে এক সামাজিক আন্দোলন গঢ়ি তোলাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা। প্ৰথমতেই, পৰিয়াল-সমূহে নিজৰ পৰম দায়িত্ব পালন কৰিব লাগিব। পিতৃ-মাতৃসকলে নিজৰ সন্তানৰ সৈতে এক মুকলি আৰু ভয়মুক্ত সম্পৰ্ক বজাই ৰখাটো অতিশয় গুৰুত্বপূৰ্ণ। সন্তানৰ আচৰণত হোৱা সৰু সৰু পৰিৱৰ্তনবোৰৰ প্ৰতি তীক্ষ্ণ চকু ৰখা, তেওঁলোকৰ সমস্যাসমূহ মনোযোগেৰে শুনা আৰু কোনো চৰ্ত নোহোৱাকৈ তেওঁলোকক মানসিক সমৰ্থন প্ৰদান কৰাৰ জৰিয়তে পৰিয়ালেই ড্ৰাগছৰ বিৰুদ্ধে আটাইতকৈ শক্তিশালী প্ৰতিৰোধ গঢ়ি তুলিব পাৰে। কঠোৰ শাসন বা শাৰীৰিক-মানসিক নিৰ্যাতনৰ সলনি বুজাবুজিৰে পৰিস্থিতি চম্ভালাৰ প্ৰয়াস কৰিব লাগে, কিয়নো ককৰ্থনাই তেওঁলোকক অধিক গোপনীয়তাৰ ফালেহে ঠেলি দিয়ে। ইয়াৰ সমান্তৰালভাৱে, আমাৰ পৰম্পৰাগত শিক্ষানুষ্ঠানসমূহৰ দৃষ্টিভংগীৰো আমূল পৰিৱৰ্তন হোৱাটো বাঞ্ছনীয়। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত কেৱল প্ৰতিযোগিতামূলক পাঠ্যক্ৰমৰ শিক্ষাই নহয়, জীৱনশৈলীৰ শিক্ষা আৰু মানসিক স্বাস্থ্য সম্পৰ্কীয় বিজ্ঞানসন্মত সজাগতাও প্ৰদান কৰিব লাগিব।*

বৰ্তমান সময়ত সমগ্ৰ বিশ্বৰ লগতে আমাৰ ৰাজ্য অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আটাইতকৈ ভয়াৱহ আৰু চিন্তনীয় বিষয়টো হৈছে নৱপ্ৰজন্মৰ মাজত দ্ৰুতগতিৰে বৃদ্ধি পোৱা ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্যৰ ভয়ংকৰ প্ৰচলন। শেহতীয়াকৈ অসম আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে যি এক আপোচবিহীন আৰু কঠোৰ অভিযান আৰম্ভ কৰিছে, তাৰ ফলস্বৰূপে প্ৰতিদিনে ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ বৃহৎ পৰিমাণৰ হেৰোইন, গাঞ্জা, কফ চিৰাপ, নিচাযুক্ত টেবলেট আৰু অন্যান্য কৃত্ৰিম নিচাযুক্ত সামগ্ৰী জব্দ হোৱাৰ খবৰ সংবাদ মাধ্যমত নিয়মীয়াকৈ প্ৰকাশ পাইছে। চৰকাৰৰ এই পদক্ষেপ সঁচাকৈয়ে প্ৰশংসনীয়, কিয়নো ই ড্ৰাগছৰ সৰবৰাহ আৰু উপলব্ধতাৰ ক্ষেত্ৰত এক প্ৰচণ্ড মাধমাৰ শোধাবলৈ সক্ষম হৈছে আৰু যোগান শৃংখলত যথেষ্ট ব্যাঘাত জন্মাইছে। কিন্তু কেৱল আইনৰ কঠোৰতা আৰু আৰক্ষীৰ সক্ৰিয়তাৰেই এই জটিল ব্যাধিটোক সমাজৰ পৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পৰা যাবনে? এই প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ হ'লে আমি সমস্যাটোৰ শিপালৈ যাব লাগিব আৰু এগৰাকী বিশ্লেষকৰ দৃষ্টিকোণৰ পৰা গভীৰভাৱে চালি-জাৰি চাব লাগিব যে কিয় আজিৰ যুৱচাম ইমান সহজে আৰু ভয়াৱহভাৱে ড্ৰাগছৰ প্ৰতি আসক্ত হৈ পৰিছে।

যুৱসমাজ ড্ৰাগছৰ কবলত পৰাৰ মূলতে কোনো এটা নিৰ্দিষ্ট কাৰণ নাই, বৰঞ্চ ই এক জটিল মনস্তাত্ত্বিক, স্নায়ুৱিক (Neurobiological), সামাজিক আৰু অৰ্থনৈতিক কাৰণৰ এক ভয়াৱহ সংমিশ্ৰণ। প্ৰথম আৰু প্ৰধান কাৰণটোৱেই হৈছে বৰ্তমানৰ প্ৰতিযোগিতামূলক আৰু যান্ত্ৰিক জীৱনশৈলীৰ ফলত সৃষ্টি হোৱা তীব্ৰ মানসিক চাপ, উদ্বেগ আৰু একাকিত্ব। আজিৰ প্ৰজন্মই শিক্ষা, কৰ্মসংস্থাপন আৰু সমাজত নিজকে প্ৰতিষ্ঠা কৰাৰ যি এক নিৰন্তৰ আৰু কঠোৰ দৌৰত অৱতীৰ্ণ হৈছে, তাৰ ফলত তেওঁলোকৰ মানসিক স্বাস্থ্যৰ ওপৰত নিৰন্তৰ বিৰূপ প্ৰভাৱ পৰিছে। পৰীক্ষাত সৰ্বোচ্চ ফলাফল দেখুওৱাৰ হেঁচা, কেৰিয়াৰৰ অনিশ্চয়তা আৰু তীব্ৰ নিবনুৱা সমস্যাই বহু যুৱক-যুৱতীক তীব্ৰ হতাশাৰ গৰাহলৈ ঠেলি দিছে। এনে পৰিস্থিতিত, যেতিয়া তেওঁলোকে নিজৰ মনৰ কথা খুলি ক'বলৈ বা মানসিক শান্তি বিচাৰি কাৰো সহায় নাপায়, তেতিয়া তেওঁলোকে সাময়িক সকাহৰ আশাত ড্ৰাগছৰ দৰে মাৰাত্মক ৰাসায়নিক পদাৰ্থৰ আশ্ৰয় লয়। প্ৰাৰম্ভিক অৱস্থাত কেৱল কৌতূহল বা মানসিক অৱসাদ দূৰ কৰাৰ অচিলাৰে আৰম্ভ কৰা এই ব্যৱহাৰ লাহে লাহে মগজুৰ ড'পামিন স্তৰৰ অস্বাভাৱিক বৃদ্ধিৰ জৰিয়তে এক ভয়ংকৰ নিচাত পৰিণত হয়, যাৰ পৰা বিনা চিকিৎসায় ওলাই অহাটো তেওঁলোকৰ বাবে অসম্ভৱ হৈ পৰে। ইয়াৰ উপৰিও, সমবয়সীয়াৰ প্ৰভাৱ যুৱসমাজৰ ড্ৰাগছ আসক্তিৰ অন্যতম প্ৰধান কাৰণ হিচাপে চিহ্নিত হৈছে। কৈশোৰ আৰু যৌৱনৰ প্ৰাৰম্ভিক কালছোৱাত বন্ধু-বান্ধৱৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ প্ৰৱণতা আটাইতকৈ বেছি থাকে। আধুনিক সমাজত 'স্মাৰ্ট' বা 'বিদ্ৰোহী' হোৱাৰ এক ভ্ৰান্ত ধাৰণাই বহু যুৱক-যুৱতীক নিচাযুক্ত দ্ৰব্য গ্ৰহণ কৰিবলৈ বাধ্য কৰে। ছচিয়েল মিডিয়া, আধুনিক পপ-সংস্কৃতি আৰু ৱেব চিৰিজসমূহেও বহু ক্ষেত্ৰত ড্ৰাগছ বা নিচাজাতীয় দ্ৰব্যৰ ব্যৱহাৰক এক বিশেষ গ্লেমাৰ আৰু আধুনিকতাৰ প্ৰতীক হিচাপে উপস্থাপন কৰিছে, যিয়ে নৱপ্ৰজন্মক বিপথে পৰিচালিত কৰিছে। লগতে, আধুনিক প্ৰযুক্তিৰ অপব্যৱহাৰ, যেনে- ডাৰ্ক ৱেব, এনক্ৰিপ্টেড মেছেজিং এপ আদিৰ জৰিয়তে মানুহৰ চকুত ধূলি দি সহজে ড্ৰাগছ ক্ৰয় কৰিব পৰা ব্যৱস্থাই এই সমগ্ৰ প্ৰক্ৰিয়াটোক আৰু অধিক সুচল কৰি তুলিছে। বৰ্তমান বজাৰত উপলব্ধ ড্ৰাগছবোৰ পূৰ্বতকৈ বহুত বেছি ভয়ংকৰ, কিয়নো কৃত্ৰিম ৰাসায়নিক পদাৰ্থৰে তৈয়াৰী এই ছিন্থেটিক ড্ৰাগছবোৰে মানুহৰ স্নায়ুতন্ত্ৰক অতি কম সময়ৰ ভিতৰতে চিৰদিনৰ বাবে বিকল কৰি পেলায়। ৰাষ্ট্ৰসংঘৰ মাদক দ্ৰব্য নিয়ন্ত্ৰণ কাৰ্যালয়ৰ শেহতীয়া প্ৰতিবেদনসমূহৰ পৰাও এই কথা স্পষ্ট হৈছে যে ড্ৰাগছ মাফিয়াবোৰে এতিয়া ডিজিটেল মাধ্যমক ব্যৱহাৰ কৰি যুৱ বজাৰখনক মূল লক্ষ্য হিচাপে লৈছে। পৰিয়ালৰ অভ্যন্তৰীণ পৰিৱেশ আৰু গঠনো যুৱ প্ৰজন্মৰ আসক্তিৰ ক্ষেত্ৰত এক নিৰ্ণায়ক কাৰক হিচাপে বিবেচিত হৈছে। বৰ্তমানৰ একক পৰিয়াল ব্যৱস্থা আৰু পিতৃ-মাতৃ দুয়োগৰাকী কৰ্মব্যস্ত হোৱাৰ বাবে সন্তানক পৰ্যাপ্ত সময় আৰু মনোযোগ দিব নোৱাৰাটো আধুনিক সমাজৰ এক সাধাৰণ ঘটনাত পৰিণত হৈছে। পাৰিবাৰিক অশান্তি, পিতৃ-মাতৃৰ বিচ্ছেদ, বা ঘৰুৱা কন্দলৰ মাজত ডাঙৰ-দীঘল হোৱা শিশু বা কিশোৰসকলে প্ৰায়ে মৰম আৰু মানসিক নিৰাপত্তাৰ তীব্ৰ অভাৱ অনুভৱ কৰে। এই শূন্যতা পূৰণ কৰিবলৈ আৰু নিজৰ দুখ পাহৰিবলৈ তেওঁলোকে নিচাজাতীয় দ্ৰব্যৰ পৃথিৱীখনত ভৰি দিয়ে।



চন্দন কুমাৰ নাথ

এই ভয়ংকৰ আৰু সৰ্বগ্ৰাসী পৰিস্থিতিৰ পৰা নৱপ্ৰজন্মক উদ্ধাৰ কৰিবলৈ কেৱল চৰকাৰী ব্যৱস্থা বা আৰক্ষীৰ কঠোৰতাৰ ওপৰত নিৰ্ভৰ কৰিলে কেতিয়াও সুফল পোৱা নাযাব, বৰঞ্চ সমগ্ৰ সমাজখনে এক সন্মিলিত, বিজ্ঞানসন্মত আৰু সহানুভূতিশীল ভূমিকা পালন কৰিব লাগিব। ড্ৰাগছ নিৰ্মূলকৰণৰ বাবে এক সামাজিক আন্দোলন গঢ়ি তোলাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰয়োজনীয়তা। প্ৰথমতেই, পৰিয়ালসমূহে নিজৰ পৰম দায়িত্ব পালন কৰিব লাগিব। পিতৃ-মাতৃসকলে নিজৰ সন্তানৰ সৈতে এক মুকলি আৰু ভয়মুক্ত সম্পৰ্ক বজাই ৰখাটো অতিশয় গুৰুত্বপূৰ্ণ। সন্তানৰ আচৰণত হোৱা সৰু সৰু পৰিৱৰ্তনবোৰৰ প্ৰতি তীক্ষ্ণ চকু ৰখা, তেওঁলোকৰ সমস্যাসমূহ মনোযোগেৰে শুনা আৰু কোনো চৰ্ত নোহোৱাকৈ তেওঁলোকক মানসিক সমৰ্থন প্ৰদান কৰাৰ জৰিয়তে পৰিয়ালেই ড্ৰাগছৰ বিৰুদ্ধে আটাইতকৈ শক্তিশালী প্ৰতিৰোধ গঢ়ি তুলিব পাৰে। কঠোৰ শাসন বা শাৰীৰিক-মানসিক নিৰ্যাতনৰ সলনি বুজাবুজিৰে পৰিস্থিতি চম্ভালাৰ প্ৰয়াস কৰিব লাগে, কিয়নো ককৰ্থনাই তেওঁলোকক অধিক গোপনীয়তাৰ ফালেহে ঠেলি দিয়ে। ইয়াৰ সমান্তৰালভাৱে, আমাৰ পৰম্পৰাগত শিক্ষানুষ্ঠানসমূহৰ দৃষ্টিভংগীৰো আমূল পৰিৱৰ্তন হোৱাটো বাঞ্ছনীয়। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত কেৱল প্ৰতিযোগিতামূলক পাঠ্যক্ৰমৰ শিক্ষাই নহয়, জীৱনশৈলীৰ শিক্ষা আৰু মানসিক স্বাস্থ্য সম্পৰ্কীয় বিজ্ঞানসন্মত সজাগতাও প্ৰদান কৰিব লাগিব। প্ৰতিখন শিক্ষানুষ্ঠানতে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক স্বাস্থ্যৰ নিয়মীয়া বুজ ল'বলৈ আৰু প্ৰয়োজনীয় পৰামৰ্শ (Counseling) প্ৰদান কৰিবলৈ প্ৰশিক্ষিত মনোবিজ্ঞানী বা পৰামৰ্শদাতা থকাটো জৰুৰী। ভয়-ভীতি প্ৰদৰ্শন কৰাৰ সলনি ড্ৰাগছৰ ভয়াবহতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত তথ্যৰ আধাৰত অৱগত কৰাৰ লগতে খেল-ধেমালি, কলা-সংস্কৃতি, সংগীত আৰু অন্যান্য সৃষ্টিশীল কাম-কাজত জড়িত হ'বলৈ তেওঁলোকক উৎসাহিত কৰিব লাগে। যেতিয়া যুৱচামে সমাজত নিজৰ প্ৰাসংগিকতা অনুভৱ কৰিব, তেতিয়া কৃত্ৰিম নিচাৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ স্বাভাৱিকতেই হ্ৰাস পাব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, ড্ৰাগছ আসক্তসকলৰ প্ৰতি সমাজৰ সামগ্ৰিক দৃষ্টিভংগীৰ পৰিৱৰ্তন। আমি ড্ৰাগছ আসক্ত ব্যক্তিসকলক আজন্ম অপৰাধী হিচাপে গণ্য কৰাৰ সলনি তেওঁলোকক চিকিৎসাৰ প্ৰয়োজন হোৱা ৰোগী হিচাপে গণ্য কৰিবলৈ শিকিব লাগিব। সমাজৰ পৰা এঘৰীয়া কৰিলে বা কলংকিত কৰিলে আসক্ত ব্যক্তিজনৰ মানসিক অৱস্থাৰ অধিক অৱনতিহে ঘটে আৰু তেওঁ কেতিয়াও সুস্থ জীৱনলৈ উভতি অহাৰ সাহস গোটাব নোৱাৰে। সেয়েহে, তেওঁলোকক সমাজচ্যুত কৰাৰ সলনি উন্নত চিকিৎসা আৰু বৈজ্ঞানিক পুনৰ্সংস্থাপনৰ যোগেদি মূল সুঁতিলৈ ঘূৰাই অনাৰ প্ৰয়াস কৰিব লাগে। চৰকাৰ আৰু বেচৰকাৰী সংস্থাসমূহে ৰাজ্যৰ প্ৰতিখন জিলাতে পৰ্যাপ্ত পৰিমাণৰ আৰু উন্নত মানদণ্ডৰ নিচামুক্তি কেন্দ্ৰ স্থাপন কৰাত অগ্ৰাধিকাৰ দিব লাগে। ইয়াৰ লগতে, স্থানীয় ৰাইজ, যুৱ সংঘ, আৰু সচেতন নাগৰিক সমাজে নিজৰ অঞ্চলত যাতে ড্ৰাগছৰ গুপ্ত বেহা চলিব নোৱাৰে, তাৰ বাবে সজাগ দৃষ্টি ৰাখিব লাগিব।

ড্ৰাগছৰ এই ভয়ংকৰ আগ্ৰাসন কেৱল এখন ৰাজ্য বা এখন দেশৰ আইন-শৃংখলাৰ সমস্যা নহয়, ই আমাৰ তীব্ৰবেগী আধুনিক সমাজ ব্যৱস্থাত সোমাই পৰা হতাশা আৰু গাঁথনিগত বিফলতাৰ এক স্পষ্ট প্ৰতিফলন। আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানে যোগানৰ পথ অৱশ্যেই ৰুদ্ধ কৰিব পাৰে, কিন্তু ড্ৰাগছৰ প্ৰতি থকা তীব্ৰ চাহিদা নিৰ্মূল কৰিবলৈ হ'লে আমি যুৱপ্ৰজন্মৰ মানসিকতাক সৱল কৰিব লাগিব। এখন সুস্থ, সবল আৰু নিচামুক্ত সমাজ গঢ়ি তুলিবলৈ হ'লে আমি সকলোৱে আমাৰ সামাজিক উদাসীনতা ত্যাগ কৰি হাতে হাত ধৰি আগবাঢ়ি আহিব লাগিব। কেৱল শাস্তি নহয়, বৰঞ্চ মৰম, সহানুভূতি, আৰু উপযুক্ত পথ প্ৰদৰ্শনৰ জৰিয়তেহে আমি আমাৰ অমূল্য নৱপ্ৰজন্মক এই কৰাল গ্ৰাসৰ পৰা চিৰদিনৰ বাবে ৰক্ষা কৰিব পাৰিম। সমাজৰ প্ৰতিজন সচেতন নাগৰিকে আজি এই সংকল্প লোৱাৰ সময় আহি পৰিছে।

# ইৰাণ সংকটত আবদ্ধ ট্ৰাম্প যুদ্ধৰ পৰা ওলাই অহাৰ পথ পাবনে?

### অজিত বৰুৱা

ইৰাণৰ সৈতে আমেৰিকাৰ চলি থকা সংঘাতৰ পৰা ওলাই অহাৰ বাবে নতুনকৈ চিন্তা-চৰ্চা কৰাৰ প্ৰয়োজন আছে বুলি বিশেষজ্ঞ সকলে মত প্ৰকাশ কৰিছে। যোৱা বুধবাৰে আমেৰিকাই পুনৰ ইৰাণত আক্ৰমণ চলায়। ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণক আকৌ এবাৰ "ভয়ংকৰ আক্ৰমণ"ৰ ভাবুকি দিছে। কিন্তু সামৰিক আক্ৰমণৰ জৰিয়তে তেহৰাণক পুনৰ আলোচনাৰ মেজলৈ ঘূৰাই আনিব পাৰিব বুলি এতিয়াও কোনো দৃঢ় লক্ষণ দেখিবলৈ পোৱা নাই। আনহাতে, মধ্যপ্ৰাচ্যত ঐতিহাসিক শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্যে ট্ৰাম্পে যি কূটনৈতিক প্ৰচেষ্টাক সমৰ্থন জনাইছিল, সেই প্ৰচেষ্টাৰ অংশস্বৰূপ বুজাবুজিৰ চুক্তিত কোনো কথা স্পষ্ট নহয় বুলি অভিযোগ উত্থাপিত হোৱাৰ লগে লগে ই ব্যৰ্থতালৈ পৰ্যবসিত হ'ল। সেয়েহে বৰ্তমানৰ পৰিস্থিতি সলনি কৰিবলৈ ট্ৰাম্পৰ সন্মুখত যিসমূহ বিকল্প আছে তাৰ ভিতৰত- হয় স্থলযুদ্ধত শ শ আমেৰিকান সৈন্যৰ জীৱন বিপন্ন কৰিবলৈ আগবঢ়াই দিব লাগিব নহ'লে হৰমুজ প্ৰণালীৰ ওপৰত তেহৰাণৰ নিয়ন্ত্ৰণ স্বীকাৰ কৰি লোৱা। অৱশ্যে এই দুয়োটা বিকল্পই তেওঁৰ বাবে তিক্ত অভিজ্ঞতাত পৰিণত হৈছে বুলিব পাৰি। "যুদ্ধৰ বাহিৰে উপযুক্ত কোনো বিকল্প পথ খোলা নাই" বুলি কোৱা কথাটো এতিয়া এক গতানুগতিক উক্তিত পৰিণত হৈছে বুলি ক'ব পাৰি। আমেৰিকাভিত্তিক চিন্তন প্ৰতিষ্ঠান 'Difence Priorities'ৰ এছিয়াৰ সঞ্চালক লাইল গোল্ডষ্টেইনে কয়, "We are truly facing a profound crisis."

ইৰাণ যুদ্ধৰ প্ৰভাৱ কেৱল ইয়াৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত থকা পক্ষসমূহৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। মধ্যপ্ৰাচ্য আৰু ইউৰোপজুৰি ইয়াৰ ৰাজনীতি আৰু অৰ্থনীতিৰ নেতিবাচক প্ৰভাৱ ক্ৰমাৎ তীব্ৰ হৈ পৰিছে। ফলত স্থবিৰ হৈ পৰা কূটনৈতিক প্ৰক্ৰিয়াক পুনৰ সক্ৰিয় কৰিবলৈ বাহ্যিক শক্তিসমূহে চাপ বৃদ্ধি কৰা দেখিবলৈ পোৱা গৈছে। যদি হৰমুজ প্ৰণালী অধিকাংশ অসামৰিক জাহাজৰ বাবে অনুপযোগী বা "No-Go Zone"ত পৰিণত হয়, তেনে হ'লে যুদ্ধৰ কুফল আৰু অধিক ভয়াবহ হ'ব। ইয়াৰ ফলত বিশ্বজুৰি তেলৰ যোগান হ্ৰাস পাব আৰু ডিজেল, সাৰ আদি শক্তি আৰু কৃষি-উপকৰণৰ মূল্য গগনচুম্বী হ'ব বুলিব পাৰি। একেদৰে আগন্তুক শীতকালত ইউৰোপত LNG (তৰল প্ৰাকৃতিক গেছ)ৰ তীব্ৰ সংকটৰ সৃষ্টি হ'ব বুলি আশংকা প্ৰকাশ কৰা হৈছে। তদুপৰি বিলাসবহুল পৰ্যটন আৰু প্ৰবাসীসকলৰ নিৰাপদ আশ্ৰয়স্থলী হিচাপে পৰিচিত উপসাগৰীয় দেশসমূহে গঢ়ি তোলা নিজৰ ভাবমূৰ্তিও এই যুদ্ধই ধ্বংস কৰি পেলাইছে। আনহাতে, জীৱনধাৰণৰ ব্যয় অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ ফলত ইউৰোপৰ বহু দুৰ্বল চৰকাৰ গণৰোষৰ বলি হোৱাৰ লগতে এক কঠিন ৰাজনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

আমেৰিকাত এই যুদ্ধই ট্ৰাম্পৰ দ্বিতীয় কাৰ্যকালৰ গতিপথ নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰিছে। বুধবাৰে প্ৰকাশিত CNN/SSRS-ৰ এক মতামত সমীক্ষাত দেখা গৈছে যে ইৰাণ পৰিস্থিতি আৰু ইন্ধন তেলৰ মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ট্ৰাম্পৰ নীতিৰ জনসমৰ্থন ৩০ শতাংশৰ তললৈ নামি গৈছে। এই পৰিসংখ্যাই অহা মধ্যৱৰ্তী নিৰ্বাচনত ৰিপাব্লিকান দলৰ বাবে বিপৰ্যয় মাতি আনিব পাৰে। লগতে ২০২৪ চনত জীৱনধাৰণৰ ব্যয় হ্ৰাসৰ প্ৰতিশ্ৰুতি দি ট্ৰাম্পে যিসকল ভোটাৰৰ সমৰ্থন লাভ কৰিছিল, সেই প্ৰতিশ্ৰুতিসমূহো এতিয়া প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হৈছে।

পৰম্পৰাগতভাৱে কূটনীতিৰ সফলতা নিহিত থাকে নতুন সুযোগ সৃষ্টি কৰা, বিভিন্ন উৎসাহ উদ্দীপনা আগবঢ়োৱা আৰু উপযুক্ত সময়ত প্ৰতিপক্ষক সংঘাতৰ পৰা আঁতৰি আহিবলৈ সন্মত কৰোৱাত। আন বহু সংকটৰ দৰেই ইয়াতো যুদ্ধ বন্ধ কৰি ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচীৰ দৰে মূল বিষয়সমূহৰ ওপৰত আলোচনা আৰম্ভ কৰিবলৈ যি ধৰণৰ সামগ্ৰিক ৰূপৰেখাৰ প্ৰয়োজন, সেয়া এতিয়াও কল্পনাৰ পৰ্যায়তে আছে। এক্ষেত্ৰত এনে এক আলোচনা বিচৰা হ'ব পাৰে, য'ত আমেৰিকাই প্ৰত্যক্ষভাৱে স্বীকাৰ কৰিব নালাগে যে হৰমুজ প্ৰণালীৰ ওপৰত ইৰাণৰ কাৰ্যকৰী নিয়ন্ত্ৰণে তেওঁলোকক এক বৃহৎ কৌশলগত পৰাজয়ৰ সন্মুখীন কৰিছে।

আনহাতে, ইৰাণেও এই কথা প্ৰচাৰ কৰাৰ সুযোগ পাব যে তেওঁলোকৰ নেতৃত্ব আৰু সামৰিক শক্তি যুদ্ধত ক্ষতিগ্ৰস্ত হ'লেও তেওঁলোকে নিজৰ মূল স্বাৰ্থসমূহ সংৰক্ষণ কৰিবলৈ সক্ষম হৈছে। কিন্তু এনে লক্ষ্যত উপনীত হ'বলৈ ৰাজনৈতিক আৰু কূটনৈতিক পথ নিৰ্মাণ কৰাটো অতি কঠিন হ'ব। লগতে উত্তেজনা হ্ৰাসৰ বাবে হৰমুজ প্ৰণালীৰ ভৱিষ্যৎ পৰিচালনাৰ এক স্পষ্ট পৰিকল্পনাৰো প্ৰয়োজন। অসামৰিক জাহাজ চলাচলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ বাহ্যিক শক্তিসমূহৰ সম্পৃক্ততাও প্ৰয়োজন হ'ব পাৰে। এই কূটনৈতিক অচলাবস্থাৰ মাজতো আশাৰ দুটা ক্ষীণ পোহৰ দেখিবলৈ পোৱা গৈছে। ইয়াৰ ভিতৰত এটা হৈছে এক আন্তঃৰাষ্ট্ৰীয় সংস্থা গঠনৰ নতুন ধাৰণা। ইয়াৰ লক্ষ্য হ'ল ইৰাণ আৰু উপসাগৰীয় দেশসমূহে যৌথভাৱে এই বাণিজ্যিক পথ পৰিচালনা কৰা আৰু তেলৰ মূল্য বিশ্ববজাৰত স্থিতিশীল ৰখাৰ বাবে বাণিজ্যিক কাৰ্যকলাপসমূহৰ সমন্বয় কৰা।

পৰিহাসজনকভাৱে, এই সমাধান হয়তো পূৰ্বে বাতিল হৈ যোৱা বুজাবুজিৰ চুক্তিৰ মাজতেই নিহিত আছিল। সেই দলিলত ইৰাণ আৰু ওমানক আহ্বান জনোৱা হৈছিল যাতে তেওঁলোকে পাৰস্য উপসাগৰৰ অন্যান্য উপকূলীয় ৰাষ্ট্ৰসমূহৰ সৈতে আলোচনা কৰি "হৰমুজ প্ৰণালীৰ ভৱিষ্যৎ প্ৰশাসন আৰু নৌ-সেৱা"ৰ ৰূপৰেখা নিৰ্ধাৰণ কৰে।

কূটনৈতিক অচলাবস্থা ভংগ কৰাৰ বাবে আন এটা সম্ভাব্য পথ আমেৰিকাৰ বাহিৰৰ শক্তিৰ জৰিয়তেও আহিব পাৰে। এই সপ্তাহত যুক্তৰাজ্যই হৰমুজত জাহাজ চলাচলৰ সুৰক্ষা বিষয়ক এক আন্তঃৰাষ্ট্ৰীয় সন্মিলন আয়োজনৰ কথা ভাবিছিল যদিও সেয়া বাস্তৱত হৈ নুঠিল। তথাপি কূটনীতিৰ পৰিসৰ বিস্তৃত কৰাৰ এই চিন্তাধাৰা পুনৰ আগবাঢ়ি অহাৰ সম্ভাৱনা যথেষ্ট আছে বুলিব পাৰি। কাৰণ বৰ্তমানৰ অস্থিৰ পৰিস্থিতিত ইউৰোপ আৰু পূব এছিয়াৰ দেশসমূহৰ দৰে তৃতীয় পক্ষসমূহৰো বহু ক্ষতিৰ আশংকা কৰিব পাৰি।

শেহতীয়াকৈ প্ৰকাশ পোৱা একমাত্ৰ কূটনৈতিক তৎপৰতা আছিল ইৰাণ আৰু ওমানৰ উপ-বৈদেশিক মন্ত্ৰী পৰ্যায়ৰ আলোচনা। যিহেতু ওমানো এই হৰমুজ প্ৰণালীৰ উপকূলৱৰ্তী দেশ। এই আলোচনাত মূলতঃ হৰমুজ পুনৰ মুকলি হ'লে সামুদ্ৰিক জাহাজ চলাচল কেনেকৈ পৰিচালনা কৰা যাব, সেই বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। CNN-এ প্ৰকাশ কৰা এক প্ৰতিবেদন অনুসৰি, হৰমুজ প্ৰণালীৰে চলাচল কৰা তেলবাহী টেংকাৰৰ ওপৰত Transit Tax আৰোপৰ ক্ষেত্ৰত ওমানে তেহৰাণে গ্ৰহণ কৰা স্থিতিৰ বিৰোধিতা কৰিছে। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় আইনে নিশ্চিত কৰা মুক্ত আৰু নিৰাপদ নৌ-চলাচলৰ যি নীতি তাৰ ওপৰত ভিত্তি কৰিয়েই ওমানে নিজৰ আপত্তি উত্থাপন কৰিছে। তথাপিও অচলাবস্থা দূৰ কৰিবলৈ ওমানে এক বুজাবুজিৰ আলোচনাৰ প্ৰস্তাৱ আগবঢ়াইছে। ইয়াত Direct Taxৰ পৰিৱৰ্তে "Maritime Services"ৰ বাবদ এক প্ৰকাৰৰ মাচুল আদায়ৰ কথা কোৱা হৈছে। এই পদ্ধতি বৰ্তমানৰ সংকট সমাধানৰ এক কৌশলগত বিকল্প হ'ব পাৰে।

লণ্ডনস্থিত চিন্তন কেন্দ্ৰ 'Bourse & Bazaar Foundation'ৰ এক নিবন্ধত এই "Hormuz Fee"ৰ ধাৰণাটোৰ বিষয়ে বিশ্লেষণ কৰা হৈছে। ইয়াৰ উদ্দেশ্য জলপথ ব্যৱহাৰৰ ওপৰত সাধাৰণ টোল আৰোপ কৰা নহয়, বৰং পাৰস্য উপসাগৰৰ উপকূলীয় দেশসমূহে এই জলপথৰ সুশাসন আৰু পৰিচালনাত অৰিহণা যোগাবলৈ সহায় কৰা। এই মডেলটো ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰ সংযোগ কৰা মালাক্কা প্ৰণালীৰ ব্যৱস্থাৰ সৈতে একে, য'ত ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু মালয়েছিয়াই সক্ৰিয় ভূমিকা পালন কৰে।

এই নিবন্ধটিত নেদাৰলেণ্ডছৰ ৰ'টাৰডাম বন্দৰত প্ৰচলিত "Sustainability Fee"ৰ উদাহৰণ দিয়া হৈছে। সেই অনুসৰি, বিশাল টেংকাৰসমূহে প্ৰতিটো গ্ৰছ মেট্ৰিক টন সামগ্ৰীৰ বাবে প্ৰায় ০.০৮ ডলাৰ মাচুল পৰিশোধ কৰে। এই নিবন্ধৰ লেখকৰ হিচাপ অনুসৰি, পাৰস্য উপসাগৰত একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে নতুন সংস্থাটোৱে বছৰি প্ৰায় ২৬ মিলিয়ন ডলাৰ উপাৰ্জন কৰিব পাৰিব।

শেষ পৰ্যন্ত এই ধাৰণাটো সফল হ'ব পাৰে, যদিও ইৰাণে ইয়াৰ পৰা অধিক লাভৰ দাবী কৰে। কাৰণ প্ৰতি বেৰেল তেলৰ মূল্যত কেইটামান ডলাৰ বৃদ্ধি হোৱাটো বৰ্তমানৰ চূড়ান্ত বজাৰ অস্থিৰতাতকৈ বহু গুণে কম ক্ষতিকাৰক। উল্লেখযোগ্য যে কেৱল যোৱা বুধবাৰেই তেলৰ মূল্য প্ৰায় ৮ শতাংশ বৃদ্ধি পাই প্ৰতি বেৰেলত ৯০ ডলাৰৰ ওপৰলৈ উঠিছিল। এই নিবন্ধটোৰ অন্যতম লেখক এছফান্দিয়াৰ বাতমাঙ্গেলিদ্জে(Esfandyar Batmanghelidj)এ মত প্ৰকাশ কৰি কৈছে যে ইৰাণ অৰ্থনৈতিক সংকটক লৈ যিমান উদ্বিগ্ন, তেনে ক্ষেত্ৰত "Hormuz Fee" আৰোপৰ তুলনাত তেওঁলোকৰ লক্ষ্য আৰু বহুদূৰ বিস্তৃত বুলিব পাৰি। তেওঁৰ মতে, আমেৰিকাৰ সৈতে কোনো কূটনৈতিক পথ মুকলি হ'লে ইৰাণৰ ওপৰত আৰোপিত নিষেধাজ্ঞা শিথিল হ'ব পাৰে আৰু ইৰাণী তেল ৰপ্তানিৰ পথ পুনৰ মুকলি হ'ব পাৰে। তেওঁ আৰু কয় যে এই ধৰণৰ আলোচনাই তেহৰাণক এক বৃহৎ কৌশলগত সুবিধা প্ৰদান কৰিব। ইয়াৰ জৰিয়তে ইৰাণে দেখুৱাব পাৰিব যে হৰমুজ প্ৰণালী কেতিয়াও যুদ্ধ-পূৰ্ব অৱস্থালৈ উভতি নাযায় আৰু তেওঁলোকে আমেৰিকাৰ সৈতে দীঘলীয়া সংঘাতৰ মাজতো নিজৰ ক্ষমতা আৰু প্ৰভাৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

সামগ্ৰিকভাৱে চাবলৈ গ'লে, হৰমুজ প্ৰণালীৰ বহুজাতিক পৰিচালনাৰ এক পৰিকল্পনাই উপসাগৰীয় অঞ্চলৰ এক মৌলিক প্ৰশ্নৰ উত্তৰ দিব পাৰে- যুদ্ধোত্তৰ পৰিস্থিতিত অধিক আত্মবিশ্বাসী ইৰাণৰ চেলেঞ্জৰ সন্মুখীন অঞ্চলটোৰ দেশসমূহ কেনেকৈ হ'ব আৰু সম্ভাব্য শান্তিক কেনেকৈ সুদৃঢ় কৰিব। কিন্তু ট্ৰাম্পে পুনৰ সামৰিক আক্ৰমণৰ পথ বাছি লোৱাৰ ফলত ফলপ্ৰসূ কূটনৈতিক আলোচনাৰ পথ আপাতত বন্ধ হৈ পৰিছে বুলিব পাৰি। হৰমুজ প্ৰণালী স্থিতিশীল কৰাৰ কোনো চুক্তি হ'লেও সি কেৱল যুদ্ধৰ ফলত সৃষ্টি হোৱা নতুন সমস্যাসমূহৰহে সমাধান দিব। ইৰাণৰ পাৰমাণৱিক আৰু ক্ষেপণাস্ত্ৰ কাৰ্যসূচীক লৈ ৱাশ্বিংটনৰ বহুদিনীয়া উদ্বেগৰ সমাধান তাত হয়তো নাথাকিব। লাইল গোল্ডষ্টেইনৰ মতে, "Trump's options have now become so limited that, despite numerous obstacles and difficulties, reaching some kind of compromise in the end appears almost inevitable." লগতে তেওঁ কয়, "This may well be the most painful of all possible compromises. That is precisely why the United States and the Western world have long proclaimed freedom of navigation as one of their fundamental principles."

অতীতত অধিকাংশ আমেৰিকান ৰাষ্ট্ৰপতিয়ে ইৰাণৰ ওপৰত কূটনৈতিক চাপ বৃদ্ধি কৰিবলৈ মিত্ৰ দেশসমূহৰ সহায় লৈছিল। উদাহৰণস্বৰূপে, ওবামা যুগৰ পাৰমাণৱিক চুক্তিৰ ক্ষেত্ৰত ইউৰোপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ১৯৭৯ চনৰ ইছলামিক বিপ্লৱৰ পিছত আমেৰিকাই বিচ্ছিন্ন কৰা কূটনৈতিক সম্পৰ্কৰ বহু অংশ ইউৰোপে ইৰাণৰ সৈতে বজাই ৰাখিছিল। কিন্তু ট্ৰাম্পে আটলাণ্টিক মহাসাগৰৰ পাৰৰ দেশসমূহৰ সৈতে আমেৰিকাৰ ঐতিহাসিক মৈত্ৰীৰ যথেষ্ট ক্ষতি কৰিছে। বাণিজ্যিক শুল্ক বৃদ্ধি আৰু কঠোৰ মন্তব্যৰ জৰিয়তে তেওঁ বহুদিনীয়া মিত্ৰ দেশসমূহৰ সৈতে প্ৰায় বৈৰী আচৰণ কৰিছে। ইয়াৰ ফলত ৰাজনৈতিকভাৱে দুৰ্বল ইউৰোপীয় নেতাসকলৰ ট্ৰাম্পক সহায় কৰাৰ প্ৰেৰণা কমি গৈছে। NATOৰ মিত্ৰ দেশসমূহেও নিজৰ সীমাবদ্ধতাৰ বাবে সাৱধানতা অৱলম্বন কৰা দেখা গৈছে। উদাহৰণস্বৰূপে, তেওঁলোকে হৰমুজত মাইন অপসাৰণৰ বাবে সামৰিক সহায়ৰ প্ৰস্তাৱ দিছে যদিও সেই সহায় সকলো যুদ্ধংদেহী কাৰ্যকলাপ বন্ধ কৰাৰ চৰ্ততহে।

ব্ৰাছেলছস্থিত চিন্তন কেন্দ্ৰ 'The German Marshall Fund of the United States (GMF)'ৰ বিশিষ্ট ফেলো ইয়ান লেছাৰে কয়, "It is one thing to seek Europe's cooperation when there is a clear and widely agreed-upon strategy. But at present, no such consensus-based strategy exists. In fact, it is not even clear what the United States' strategy actually is।" মাৰ্কিন উদ্দেশ্যক লৈ এই অবিশ্বাসে কূটনৈতিক প্ৰচেষ্টাকো বাধাগ্ৰস্ত কৰিছে। এছফান্দিয়াৰৰ মতে, তেহৰাণৰ সংশ্লিষ্ট পক্ষসমূহে ওমানৰ প্ৰস্তাৱ সম্পূৰ্ণভাৱে নাকচ কৰা নাই। কিন্তু তেওঁ লগতে কয় যে আমেৰিকাই যেতিয়া উত্তেজনা বৃদ্ধি কৰিয়েই আছে, তেতিয়া হৰমুজৰ ওপৰত নিয়ন্ত্ৰণ ত্যাগ কৰাৰ বিষয়টো ইৰাণে এতিয়াও গভীৰভাৱে বিবেচনা কৰি আছে। তেওঁৰ ভাষাত, "Iran may eventually allow conditions in the strait to return to normal. Doing so would be in its own interest. However, it cannot move in that direction until it is convinced that the United States has learned its lesson."

ট্ৰাম্পে এই যুদ্ধ বন্ধ কৰিব নোৱাৰাৰ ফলত ওমানৰ দৰে উপসাগৰীয় ৰাষ্ট্ৰ আৰু ইউৰোপীয় শক্তিসমূহেও বৃহৎ মূল্য ভৰিবলগীয়া হৈছে। যদি ৱাশ্বিংটন আৰু তেহৰাণে শীঘ্ৰে এই পাৰস্পৰিক উত্তেজনা আৰু ধ্বংসাত্মক সংঘাতৰ চক্ৰৰ পৰা ওলাই আহিব নোৱাৰে, তেন্তে আন দেশসমূহে হস্তক্ষেপ কৰি সহায়ৰ হাত আগবঢ়োৱাৰ বাহিৰে আন কোনো বাস্তৱ বিকল্প নাথাকিব।

# কাজিৰঙাৰ Eco Sensitive Zoneক লৈ প্ৰশ্ন নাহিদা চৌধুৰীৰ; ‘Issue divert নকৰি ৰাইজক প্ৰকৃত সত্য অৱগত কৰক’

**অসম বাৰ্তা, অভয়াপুৰী, ২১ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক কেন্দ্ৰ কৰি Eco Sensitive Zone (ESZ) সন্দৰ্ভত সৃষ্টি হোৱা বিতৰ্কই পুনৰ ৰাজনৈতিক আৰু সামাজিক মহলত চৰ্চা লাভ কৰিছে। এই বিষয়টোক লৈ অসম প্ৰদেশ মহিলা কংগ্ৰেছ কমিটীৰ সম্পাদিকা নাহিদা চৌধুৰীয়ে একাধিক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰি ৰাইজক সমগ্ৰ বিষয়টোৰ প্ৰকৃত সত্য অৱগত কৰিবলৈ আহ্বান জনাইছে। নাহিদা চৌধুৰীয়ে অভিযোগৰ সুৰত কয় যে মূল বিষয়ৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰাই অন্য বিষয়লৈ ‘Issue divert’ কৰাৰ পৰিৱৰ্তে কাজিৰঙাত Eco Sensitive Zone কিয় আৰু কাৰ স্বাৰ্থত নিৰ্ধাৰণ কৰা হৈছে, সেই বিষয়ে স্পষ্টকৈ জনসাধাৰণক অৱগত কৰা উচিত। কাজিৰঙাৰ পৰিৱেশ, বনাঞ্চল আৰু ইয়াৰ আশে-পাশে বসবাস কৰা সাধাৰণ ৰাইজৰ স্বাৰ্থ সুৰক্ষিত কৰাটো সকলোৰে দায়িত্ব বুলিও তেওঁ উল্লেখ কৰে। তেওঁ লগতে কাজিৰঙাক কেন্দ্ৰ কৰি চলি থকা কয়লা ব্যৱসায় আৰু ছেণ্ডিকেটৰ অভিযোগ সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে। বিশেষকৈ, “কয়লা ছেণ্ডিকেটৰ সৰ্দাৰ কোন?” - এই প্ৰশ্ন উত্থাপন কৰি বিষয়টোৰ নিৰপেক্ষ তদন্তৰ দাবী জনায় নাহিদা চৌধুৰীয়ে। তেওঁৰ মতে, কোনো ব্যক্তি বা গোষ্ঠীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰাই শেষ কথা নহয়; অভিযোগসমূহৰ সত্যতা নিৰপেক্ষ তদন্তৰ জৰিয়তে স্পষ্ট হোৱা প্ৰয়োজন। যদি কোনো ধৰণৰ অবৈধ ছেণ্ডিকেট বা অনিয়ম সংঘটিত হৈ আছে, তেন্তে ইয়াৰ সৈতে জড়িত ব্যক্তিসকলক চিনাক্ত কৰি আইনগত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কাজিৰঙাৰ দৰে বিশ্বখ্যাত সংৰক্ষিত বনাঞ্চলৰ পৰিৱেশ আৰু জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ নীতি আৰু সিদ্ধান্তৰ স্বচ্ছতাও অতি গুৰুত্বপূৰ্ণ বুলি তেওঁ মন্তব্য কৰে। একে সময়তে ESZক লৈ স্থানীয় ৰাইজৰ মাজত থকা আশংকা, ভূমি আৰু জীৱিকাৰ সৈতে জড়িত বিষয়সমূহো চৰকাৰে স্পষ্ট কৰা উচিত বুলি দাবী উত্থাপন কৰে। নাহিদা চৌধুৰীয়ে কয় যে কাজিৰঙা আৰু Eco Sensitive Zoneক লৈ সৃষ্টি হোৱা প্ৰশ্নসমূহৰ উত্তৰ তথ্য আৰু নথিৰ আধাৰত ৰাইজৰ সন্মুখত দাঙি ধৰিব লাগে। বিষয়টোক ৰাজনৈতিক বাদানুবাদৰ মাজত সীমাবদ্ধ নাৰাখি পৰিৱেশ, স্থানীয় ৰাইজৰ অধিকাৰ আৰু স্বচ্ছ প্ৰশাসনৰ দৃষ্টিকোণৰ পৰা আলোচনা কৰাৰ প্ৰয়োজন আছে। ইফালে, কয়লা ছেণ্ডিকেটৰ অভিযোগ সন্দৰ্ভত তেওঁ উত্থাপন কৰা ‘সৰ্দাৰ কোন?’ প্ৰশ্নটোৱেও ব্যাপক চৰ্চা লাভ কৰিছে। অৱশ্যে এই অভিযোগসমূহৰ সত্যতা চৰকাৰী তদন্ত বা নিৰ্ভৰযোগ্য প্ৰমাণৰ জৰিয়তে নিশ্চিত হোৱা পৰ্যন্ত কোনো ব্যক্তি বা গোষ্ঠীক দোষী সাব্যস্ত কৰিব নোৱাৰি। কাজিৰঙাৰ ESZ আৰু কয়লা ছেণ্ডিকেটক লৈ উত্থাপিত এই প্ৰশ্নসমূহৰ ক্ষেত্ৰত চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া এতিয়া লক্ষণীয় হৈ পৰিছে।

# ‘আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতি’ৰ উদ্যোগত ঢেকিয়াজুলিত ‘কৰম নাচ কৰ্মশালা’

## সম্প্ৰতি কৰম পৰ্বক আৰ্যীকৰণ কৰাৰ প্ৰচেষ্টা চলিছে; আদিবাসী সংস্কৃতিক উত্তৰপ্ৰজন্মৰ মাজত জীয়াই ৰখাৰ প্ৰয়াস




**অসম বাৰ্তা, লীলাবাৰী, ২১ আগষ্ট ঃ** কৃষিজীৱী চহা আদিবাসী লোকসকলৰ কৰম পৰ্বৰ ‘আখড়া’ত মাদলৰ গুমগুমনি তুলিবলৈ সাজু হৈছে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ আদিবাসী জনগোষ্ঠীয় ৰাইজ। কৰম পৰ্বৰ পৰম্পৰাগত নাচ-গীত উত্তৰপ্ৰজন্মক সাৱলীলভাৱে শিকাই যোৱাৰ প্ৰয়াস আৰু আদিবাসী সংস্কৃতি সংৰক্ষণৰ অৰ্থে ‘আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতি, অসম’ৰ উদ্যোগত তথা ‘আদিবাসী সংস্কৃতি গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ’ আৰু শোণিতপুৰ ঢেকিয়াজুলিৰ আদিবাসী ৰাইজৰ সহযোগত ২০ আগষ্টত বৰছলা চাহ বাগিচা খেলপথাৰত ডেৰ মহীয়া ‘কৰম নাচ কৰ্মশালা’ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অসমৰ স্বনামধন্য আদিবাসী সংস্কৃতিৰ সাধক প্ৰয়াত নিৰল ঝাড়িয়াৰ সন্তান তথা আদিবাসী সংস্কৃতি সংৰক্ষণ সমিতিৰ সভাপতি সন্দীপ ঝাড়িয়া আৰু সংস্থাটিৰ বিষয়া আলফন্স কুজুৰে আঁত ধৰা কৰ্মশালা উদ্বোধনী সভাখনত গৱেষক, সাংবাদিক মিণ্টু মিঞ্জুৰে সন্মানীয় অতিথি আৰু শোণিতপুৰ জিলা মুণ্ডাৰী সাহিত্য সভাৰ সভাপতি-সম্পাদকদ্বয় গ্ৰেট প’ল গুড়িয়া আৰু আপল কনগাড়ীয়ে বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত সন্মানীয় অতিথি ৰূপে অংশগ্ৰহণ কৰি গৱেষক, সাংবাদিক মিঞ্জুৰে কয়, কৰম পৰ্ব কৃষিভিত্তিক সভ্যতাৰ আদিম মানুহৰ আদিম স্তৰৰ যাদু-বিশ্বাসৰ ফচল। সাম্প্ৰতিক সময়ত কৰম পৰ্বক আৰ্যীকৰণ কৰাৰ এক প্ৰচেষ্টা চলিছে। তেখেতে লগতে কয়, আদিবাসী জনগোষ্ঠীৰ প্ৰত্যেক জাতি গোষ্ঠীৰেই ‘কৰম কাহিনী’ আছে, সেই কাহিনীবিলাকৰ চৰিত্ৰ পৃথক পৃথক হ’লেও মূল বক্তব্য এটাই। কৰম কাহিনীবিলাকত মানুহে কৃষি সভ্যতা দিশে অগ্ৰসৰ হোৱা আৰু প্ৰয়োজনীয় উপাদানসমূহ প্ৰকৃতিৰ পৰাই আহৰণ কৰাৰ তথ্য পোৱা যায়। যিদৰে প্ৰত্যেক জাতি গোষ্ঠীৰে কৰম কাহিনীবিলাক পৃথক পৃথক, ঠিক তেনেকৈয়ে জাতি গোষ্ঠী অনুযায়ী গানসমূহ আৰু বাদ্যৰ তাল-লয়ৰ লগতে নাচৰ শৈলীও পৃথক পৃথক হয়। তেখেতে কেইবাটাও কুডুখ, মুণ্ডাৰী, নাগপুৰী কৰম গানৰ উদাহৰণ দি কয়, কৰম গান সমূহত যথেষ্টসংখ্যক নদী, ঠাই আৰু নগৰৰ নাম আছে, যেনে- কুডুম নেদিক, কুৰুমেক পানী, কুডুম পাহাড়ি, হৰদিনগৰে, ঝালড়, কাঁশ নদী, মালাদহ, সিন্ধু নদী, মেলুহা আদি। গানসমূহত এনে নদী, ঠাই আৰু নগৰৰ নাম উল্লেখ থকা প্ৰসংগই আদিবাসী মানুহখিনিৰ লগত থকা যোগসূত্ৰ, স্থানান্তৰৰ ইতিহাস আৰু কৰম পৰ্বৰ উৎপত্তিস্থলৰ সাক্ষ্য বহন কৰে। কাৰ্যসূচীৰ আৰম্ভণিতে ফিতা কাটি কৰ্মশালাটিৰ শুভ উদ্বোধন কৰে শোণিতপুৰ জিলা মুণ্ডাৰী সাহিত্য সভাৰ সভাপতি গ্ৰেট প’ল গুড়িয়াই। তেখেতে ভাষণ প্ৰসংগত কৰম নাচ-গীতৰ এক বিশেষ বৈশিষ্ট্য আছে বুলি উল্লেখ কৰি কালক্ৰমে বিলুপ্তিৰ গৰাহত থকা আদিবাসী সংস্কৃতিক জীয়াই ৰাখিবলৈ নৱপ্ৰজন্মক শিকোৱা আৰু উৎসাহিত কৰাৰ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানটিত ঢেকিয়াজুলিৰ বহুকেইজন আদিবাসী জনগোষ্ঠীৰ সংস্কৃতি সাধকে অতিথি ৰূপে অংশগ্ৰহণ কৰি আদিবাসী সংস্কৃতি সন্দৰ্ভত ভাষণ ৰখাৰ সমান্তৰালকৈ কৰম গীত গোৱাৰ উপৰিও মাদলত চেও ধৰে। ডেৰ মাহ ধৰি অনুষ্ঠিত হ’বলগা কৰ্মশালাখনি জিলাখনৰ তিনিখনকৈ গাঁও আৰু বাগিচাক এটা মণ্ডল হিচাপে লৈ প্ৰায় ১২টা মণ্ডলত কৰম গীত-নাচৰ কৰ্মশালা কৰিব। কৰ্মশালাটিত আদিবাসী সংস্কৃতিৰ সাধকজন কুজুৰ আৰু প্ৰবোধ টপ্পই মুখ্য প্ৰশিক্ষক ৰূপে অংশগ্ৰহণ কৰিব। উল্লেখ্য যে, কৰ্মশালাৰ অন্তত বৰছলা চাহ বাগিচা খেলপথাৰত ৩০ ছেপ্টেম্বৰত হ’বলগা ৰাজহুৱাভাৱে কৰম পৰ্বত কৰম নাচ-গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব।

# ওদালগুৰিৰ নোনাইপাৰা চাহ বাগিছাত অঘটন; বন্যহস্তীৰ আক্ৰমণত গুৰুত্বৰভাৱে আহত এহাল দম্পতী

## সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ; ভূটান সীমান্তৰ বিভিন্ন প্ৰান্তত কেইবাটাও পৰিয়াল গৃহহাৰা, কথমপি প্ৰাণ ৰক্ষা

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ২১ আগষ্ট ঃ** ৰাজ্যত অব্যাহত আছে হাতী-মানুহৰ ভয়াৱহ সংঘাত। বিগত কেইবামাহো ধৰি ওদালগুৰি জিলাৰ ভূটান সীমান্তৱৰ্তী অঞ্চল সমূহত তীব্ৰ ৰূপ ধাৰণ কৰি আহিছে বন্যহস্তীয়ে। বন্যহস্তীৰ উপদ্ৰৱৰ বাবে এতিয়া অহৰ্নিশে বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে ভূটান সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণে। বিশেষকৈ জিলাখনৰ ডিমাকুছি, বামুণজুলি, নোনাই পাৰা, বৰগীতল, সোণাজুলি, কালিখোলা, বাদলাপাৰা, ভুটিয়াচাং, টেংকিস্তী, ফাৰাম চক, ৰাজগড়, নালাপাৰা, ধৰমজুলি, আটাৰীখাটকে ধৰি বিভিন্ন অঞ্চলত প্ৰতি দিনে ঘৰ-দুৱাৰ ভাঙি চুড়মাৰ কৰাৰ উপৰিও বিঘাই-বিঘাই ধান খেতি নষ্ট কৰি অহাৰ সময়তে পুনৰ ওদালগুৰিৰ ভূটান সীমান্তৱৰ্তী নোনাইপাৰা চাহ বাগিছাত বন্যহস্তীৰ আক্ৰমণত গুৰুত্বৰভাৱে আহত এহাল দম্পতী চাহ শ্ৰমিক। বন্যহস্তীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হৈছে নোনাইপাৰা চাহ বাগিচাৰ চাহ শ্ৰমিক নিবেদন বাগ আৰু পত্নী জমুনা বাগ। স্থানীয় ৰাইজৰ অভিযোগ ওদালগুৰিৰ বিভিন্ন প্ৰান্তত দীৰ্ঘদিন ধৰি বন্যহস্তীৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰি অহাৰ পিছতো কুম্ভকৰ্ণ নিদ্ৰাত বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাকে ধৰি বিটিচি চৰকাৰ। ওদালগুৰিৰ ভূটান সীমান্তৱৰ্তী অঞ্চলত প্ৰতিদিনে হাতী-মানুহৰ সংঘাতে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰাৰ পিছতো কিন্তু গা নলৰে ৰজাঘৰীয়াৰ। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই আহি চাহ বাগিছাৰ মাজত আশ্ৰয় লোৱা বৃহৎ বন্যহস্তীৰ জাকৰ সন্ত্ৰাসত স্থানীয় ৰাইজ আতংকিত হৈ পৰা পৰিছে। নিশা পঢ়া টেবুলৰ পৰা উঠিও শিক্ষাৰ্থীয়ে হাতী খেদিবলৈ ওলাই আহিব লাগে। খাদ্যৰ সন্ধানত জনাঞ্চলত সোমাই অহা বন্যহস্তীৰ আক্ৰমণত চলিত বৰ্ষতে বছৰতে ১৫ ৰো অধিক লোকৰ মৃত্যু হোৱাৰ বিপৰীতে কেইবাটাও বন্যহস্তীৰো ৰহস্যজনকভাৱে মৃতদেহ উদ্ধাৰ হৈছে। কিন্তু বন্যহস্তী-মানুহৰ সংঘাত ৰোধত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে ৰাজ্যৰ বিয়াগোম বনবিভাগ। বৃহস্পতিবাৰে পুৱতি নিশা ওদালগুৰিৰ নৱে চেৰফাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত বামুণজুলি চাহ বাগিছাত কেইবাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে বুধবাৰে নিশা নোনাই পাৰা চাহ বাগিছাত এহাল দম্পতী বন্যহস্তীৰ আক্ৰমণত আহত হোৱাৰ বিপৰীতে দুচকীয়া বাহন আৰু থকা ঘৰৰ বিস্তৰ ক্ষতি সাধন কৰে। বামুণজুলি চাহ বাগিচাৰ যোগেন কন্ধ, নবিনশ্বন সোণা, সমৰ সিং মুণ্ডা নামৰ ব্যক্তিকেইজনৰ ঘৰ সম্পূৰ্ণৰূপে টচনচ কৰি পেলায় বন্যহস্তীয়ে, আনহাতে বগৰীতল, নালাপাৰা আৰু ধৰমজুলিতো বন্যহস্তীৰ জাকে চলাই আহিছে তাণ্ডৱ। বন্যহস্তীৰ বৃহৎ জাকৰ পৰা কথমপি প্ৰাণ ৰক্ষা পৰে বহুকেইটা পৰিয়ালৰ। ইতিমধ্যে বন্যহস্তীৰ আক্ৰমণত আহত হোৱা দম্পতী হাল সংকটজনক অৱস্থাত তেজপুৰ মেডিকেল কলেজত সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। ইফালে আদিবাসী আৰ্মীৰ সভাপতি সুমিত নায়ক আৰু স্থানীয় ৰাইজৰ অভিযোগ আছে গৰু নাবাই হালৰ দৰে বিপিএফ বিজেপি মৃতযোজিত চৰকাৰ নথকাই ভাল বুলি ক্ষোভ প্ৰকাশ কৰাৰ লগতে সামাজিক মাধ্যমত ৰীল বনাই ভাইৰেল হৈ থকা নৱে চেৰফাং পৰিষদীয় সমষ্টিৰ এমচিএলএ পল ট’প্প এতিয়া নিৰুদ্দেশ হৈ আছে, নিৰ্বাচনৰ সময়ত আদিবাসী ৰাইজৰ ভোট বিচাৰি ঘূৰি ফুৰা আদিবাসী জনগোষ্ঠীৰ জনপ্ৰতিনিধি হৈয়ো বৰ্তমানেও আহৰি পোৱা নাই কোনো ধৰণৰ খা-খবৰ ল’বলৈ বিপদৰ সময়ত থিয় দিবলৈ। বনবিভাগৰ ওপৰতো তীব্ৰ ক্ষোভ ভুক্তভোগী ৰাইজৰ। ডিমাকুছিৰ সচেতন মহলে স্থানীয় বিধায়ক মহেশ্বৰ বড়োক কাতৰ আহ্বান ওদালগুৰি-তামোলপুৰ পথৰ সংযোগী ডিমাকুছিৰ পৰা বামুণজুলিলৈ যোৱা ড’ন বস্কো ৰোডৰ দুয়োকাষে বামুণজুলিলৈকে ষ্টীক লাইটৰ ব্যৱস্থা কৰাৰ লগতে বগৰীতলত থকা মণিৰাম বড়োৰ কেইবা বিঘা মাটিত হাবি-বননিৰে ভৰপূৰ হৈ থকা ঠাইখিনি জংঘল কাটি পৰিষ্কাৰ কৰি দিবলৈ। কিয়নো বগৰীতলত মণিৰাম বড়োৰ জংঘলেৰে আৱৰি থকা ঠাইখিনিত দিনে-নিশাই বাহৰ পাতি থাকে বন্যহস্তীৰ জাক। কোন মুহূৰ্তত ভয়ানক ঘটনা সংঘটিত হ’ব পাৰে তাৰ কোনো ঠিক নাই, গাঁওবাসীয়ে বাৰে-বাৰে মণিৰাম বড়োক জনোৱাৰ পিছতো কোনো ধৰণৰ সঁহাৰি নিদিয়াৰ অভিযোগ স্থানীয় ৰাইজৰ, সেয়েহে এইবাৰ সংবাদ মাধ্যমৰ যোগেদি স্থানীয় বিধায়ক মহেশ্বৰ বড়োক কাতৰ অনুৰোধ জনাইছে বৰগীতলবাসী ৰাইজে। আনহাতে বিগত সময়ত বন্যহস্তীৰ আক্ৰমণত আহত হোৱা পৰিয়াল আৰু বন্যহস্তীয়ে ক্ষতিসাধন কৰা পৰিয়ালকেইটাক সহায়-সহযোগিতা কৰিবলৈ আহ্বান বনমন্ত্ৰী কিম্বা বিটিচি চৰকাৰ আৰু ৰাজ্য চৰকাৰক।

# মৰিয়নি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ বিৰুদ্ধে মহাবিদ্যালয়ৰ অধ্যক্ষক অপমান কৰাৰ অভিযোগ তদন্তৰ দাবী আদিবাসী ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, মৰিয়নি, ২১ আগষ্ট ঃ** মৰিয়নি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বকুল গগৈৰ বিৰুদ্ধে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেণ গোৱালাক অপমানসূচক আৰু আপত্তিজনক মন্তব্য কৰাৰ অভিযোগ উত্থাপন কৰিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (AASAA), যোৰহাট জিলা সমিতিয়ে। এই ঘটনাৰ নিৰপেক্ষ আৰু উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীত সংগঠনটোৱে যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকলৈ এখন স্মাৰক-পত্ৰ প্ৰদান কৰিছে। স্মাৰক-পত্ৰখনত উল্লেখ কৰা অনুসৰি, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি সম্পৰ্কীয় এটা বিষয়ক লৈ মৰিয়নি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বকুল গগৈয়ে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° হৰেণ গোৱালাৰ প্ৰতি অপমানসূচক মন্তব্য কৰাৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিতেই অপমান সূচক মন্তব্য কৰা হৈছিল। সংগঠনটোৱে দাবী কৰে যে, এগৰাকী শিক্ষানুষ্ঠানৰ মুৰব্বীৰ প্ৰতি এনে আচৰণে তেওঁৰ ব্যক্তিগত মৰ্যাদাত আঘাত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত শিক্ষা আৰু প্ৰশাসনৰ প্ৰতি বিৰূপ প্ৰভাৱ পেলাব পাৰে। সেয়েহে সংগঠনটোৱে ঘটনাটোৰ নিৰপেক্ষ আৰু উচ্চ পৰ্যায়ৰ তদন্ত, অভিযোগ সত্য প্ৰমাণিত হ’লে অভিযুক্ত বিষয়াজনৰ বিৰুদ্ধে আইন অনুসৰি শাস্তিমূলক ব্যৱস্থা আৰু অধ্যক্ষ ড° হৰেণ গোৱালাৰ মৰ্যাদা ৰক্ষাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে। লগতে, স্মাৰক-পত্ৰ দাখিল কৰাৰ ২৪ ঘণ্টাৰ ভিতৰত বিষয়টোত গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে সংগঠনটোক অৱগত নকৰিলে গণতান্ত্ৰিক আৰু শান্তিপূৰ্ণভাৱে বৃহৎ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ হুংকাৰ দিছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা, যোৰহাট জিলা সমিতিয়ে।

## প্ৰশাসনিক এলেকা পৰিৱৰ্তন বিৰোধী দাবী সমিতিৰ সংবাদমেল

# মিছামৰা মৌজা দেৰগাঁও সমজিলাত অন্তৰ্ভুক্তিৰ দাবী

**অসম বাৰ্তা, দেৰগাঁও, ২১ আগষ্ট ঃ** দেৰগাঁও সাহিত্য সভা ভৱনত আজি মিছামৰা প্ৰশাসনিক এলেকা পৰিৱৰ্তন বিৰোধী দাবী সমিতিৰ উদ্যোগত এখন সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত মিছামৰা মৌজাৰ প্ৰশাসনিক এলেকা পৰিৱৰ্তনৰ সিদ্ধান্তৰ বিৰোধিতা কৰি বিভিন্ন দাবী উত্থাপন কৰা হয়। দেৰগাঁও ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় তথা দেৰগাঁও সমজিলাৰ গাতে লাগি থকা মিছামৰা মৌজাৰ পূব মিছামৰা, মধ্য মিছামৰা আৰু পশ্চিম মিছামৰা গাঁও পঞ্চায়ত দেৰগাঁও সমজিলাৰ অন্তৰ্ভুক্ত কৰাৰ দাবী জনায় সমিতিয়ে। সংবাদমেলত দাবী সমিতিৰ বিষয়ববীয়াসকলে কয় যে ভৌগোলিক অৱস্থান আৰু জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত তিনিখন গাঁও পঞ্চায়ত দেৰগাঁও সমজিলাৰ অন্তৰ্ভুক্ত কৰাটো অধিক যুক্তিসংগত। সেয়েহে বিষয়টো চৰকাৰে গুৰুত্বসহকাৰে বিবেচনা কৰি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায় সমিতিয়ে। সমিতিয়ে দাবীসমূহ পূৰণ নকৰিলে আগন্তুক দিনত গণতান্ত্ৰিকভাৱে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰো ইংগিত দিয়ে।

# বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীৰ পৰিয়াললৈ বৰপেটা-বজালী জিলা অধিবিদ্যা পৰিষদৰ আৰ্থিক সাহায্য

## শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ২০০ গৰাকী শিক্ষাৰ্থীলৈ সাহায্য



**অসম বাৰ্তা, নামতি, ২১ আগষ্ট ঃ** শেহতীয়াকৈ অহা প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰী তথা তেওঁলোকৰ পৰিয়ালক সকাহ দিয়াৰ উদ্দেশ্যে বৰপেটা জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকাৰ বিশেষ উদ্যোগত বৰপেটা আৰু বজালী জিলা অধিবিদ্যা পৰিষদৰ উদ্যোগত আৰ্থিক সাহায্য প্ৰদানৰ এক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে আজি নাজিৰাৰ চণ্টক উচ্চ মাধ্যমিক বিদ্যালয় আৰু মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এক চমু অনুষ্ঠানত বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা মুঠ ২০০ গৰাকী ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ শিক্ষানুষ্ঠানৰ নিৰ্বাচিত প্ৰতিগৰাকী বানাক্ৰান্ত শিক্ষাৰ্থীক পাঁচ হাজাৰ টকাকৈ সাহায্য আগবঢ়োৱা হয়। এই সাহায্যৰ জৰিয়তে বানৰ ফলত শৈক্ষিক আৰু পাৰিবাৰিকভাৱে সমস্যাৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীসকলক কিছু সকাহ দিয়াৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানটোত বৰপেটা আৰু বজালী জিলাৰ শিক্ষা বিভাগৰ বিভিন্ন শিক্ষক-কৰ্মচাৰী সংগঠন তথা বিষয়-ববীয়াসকলৰ লগতে সংশ্লিষ্ট শিক্ষা বিভাগৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত উপস্থিত থাকি বি.ডি.এ.চি.-ৰ সভাপতি সদানন্দ শইকীয়া, সম্পাদক চাৰু চক্ৰৱৰ্তী, বজালী ডি.এ.চি.-ৰ সম্পাদক পৰীক্ষিত তালুকদাৰ, সদস্য মুনীন্দ্ৰ কুমাৰ দাস, প্ৰধান শিক্ষক মঞ্চ, বৰপেটাৰ সভাপতি অমূল্য গোস্বামী, মাধ্যমিক শিক্ষক সন্থা, বৰপেটাৰ সভাপতি প্ৰীতম কুমাৰ সাহা, সম্পাদক নবদীপ কুমাৰ গায়ন, উচ্চতৰ মাধ্যমিক শিক্ষক সন্থা, বৰপেটাৰ সভাপতি জেহিৰুল ইছলাম, সম্পাদক ছাদেক আলী আহমেদ, হাইস্কুল শিক্ষক সন্থা, বৰপেটাৰ সদস্য অনিৰুদ্ধ কুমাৰ আৰ্য, বৰপেটা জিলা মধ্য ইংৰাজী (ME) শিক্ষক সন্থাৰ সভাপতি লক্ষ্মীনাথ কাকতি আৰু সম্পাদক ৰতুল কুমাৰ দাস, লগতে প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যালয়, বৰপেটাৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ধনজিৎ কুমাৰ দাস উপস্থিত থাকে। ইফালে, একে উদ্যোগৰ অংশ হিচাপে শিৱসাগৰ জিলাতো বৰপেটা আৰু বজালী জিলা অধিবিদ্যা পৰিষদৰ তৰফৰ পৰা মুঠ ১০০ গৰাকী বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীক আৰ্থিক সাহায্য প্ৰদান কৰা হয়। বানৰ ফলত শিক্ষাৰ্থীসকলৰ পৰিয়ালসমূহে সন্মুখীন হোৱা আৰ্থিক সংকটৰ প্ৰতি লক্ষ্য ৰাখি এই সাহায্য প্ৰদান কৰা হৈছে। এই সাহায্য বিতৰণ কাৰ্যসূচীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা শিক্ষা বিষয়া, উপ-পৰিদৰ্শক আৰু খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়সমূহৰ প্ৰতিনিধিসকলেও সহযোগিতা আগবঢ়ায়। বৰপেটা জিলাৰ গোৱৰ্দ্ধনা, ৰূপসী, চেঙা, মন্দিয়া আৰু ভৱানীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ লগতে সংশি-ষ্ট শিক্ষা বিষয়াসকলে কাৰ্যসূচী সফল কৰি তোলাত সহায় কৰে। ইয়াৰ উপৰি মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, বৰপেটা; অধ্যক্ষ ফ’ৰাম, বৰপেটা; উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, বৰপেটা; জ্যেষ্ঠ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা, বৰপেটা; হাইস্কুল শিক্ষক সন্থা, বৰপেটা; মধ্য ইংৰাজী শিক্ষক সন্থা, বৰপেটা; বৰপেটা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনী; বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষক সন্থা; স্নাতকোত্তৰ শিক্ষক গোট আদিয়েও এই পদক্ষেপত সহযোগিতা আগবঢ়ায়। একেদৰে সমগ্ৰ শিক্ষা, বৰপেটা, লগতে শিৱসাগৰ আৰু চৰাইদেউ জিলা শিক্ষা বিভাগেও এই সাহায্য বিতৰণ কাৰ্যসূচী সফল কৰি তোলাত সহযোগিতা আগবঢ়ায়। শিক্ষা বিভাগ আৰু শিক্ষক-কৰ্মচাৰী সংগঠনসমূহৰ এনে পদক্ষেপে বানত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীসকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে তেওঁলোকৰ শৈক্ষিক জীৱন অব্যাহত ৰখাত সহায় কৰিব বুলি অনুষ্ঠানত উপস্থিত বিষয়ববীয়াসকলে আশা প্ৰকাশ কৰে। বানপানীৰ দৰে দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ কাষত থিয় দি শিক্ষা সমাজে আগবঢ়োৱা এই মানৱীয় সহায়ৰ পদক্ষেপক স্থানীয় ৰাইজেও আদৰণি জনায়।

# বঙাইগাঁৱত APSC মেইনছ পৰীক্ষাৰ্থীৰ বাবে একমহীয়া ক্ৰেছ কোৰ্সৰ শুভাৰম্ভ

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২১ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ APSC মেইনছ পৰীক্ষাৰ্থীসকলৰ বাবে আজি একমহীয়া বিশেষ ক্ৰেছ কোৰ্সৰ শুভাৰম্ভ কৰা হয়। বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত এক অনুষ্ঠানত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে এই বিশেষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। APSC প্ৰিলিমিনাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱা জিলাখনৰ প্ৰাৰ্থীসকলক মেইনছ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে প্ৰয়োজনীয় দিশ-নিৰ্দেশনা আৰু শৈক্ষিক সহায় আগবঢ়োৱাৰ উদ্দেশ্যে সাংসদ ফণীভূষণ চৌধুৰীৰ উদ্যোগত বঙাইগাঁও জিলা প্ৰশাসনৰ সহযোগত এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত APSC প্ৰিলিমিনাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ আগন্তুক মেইনছ পৰীক্ষাৰ সফলতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বঙাইগাঁৱৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নুমল মাহাতো, অভয়াপুৰীৰ CDSP তৰুণ গোৱেল, DDC ৰাজীৱ কুমাৰ দাসৰ লগতে অতিৰিক্ত উপায়ুক্ত আৰু সহকাৰী আয়ুক্তসকল উপস্থিত থাকে।

# মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ত ‘মাজুলী টুৰিজিম’ৰ উদ্যোগত দুগৰাকী টুৰিষ্ট গাইডৰ প্ৰশিক্ষণ

**অসম বাৰ্তা, মাজুলী, ২১ আগষ্ট ঃ** সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ তথা জৈৱ-বৈচিত্ৰ্যৰে সমৃদ্ধ আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি মাজুলীৰ পৰ্যটন ক্ষেত্ৰলৈ আহিছে এক আশাব্যঞ্জক খবৰ। পৰ্যটন উদ্যোগক অধিক সু-সংগঠিত আৰু মাজুলীক পৰ্যটকসকলৰ অনুকূল পৰিৱেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ‘মাজুলী টুৰিজিম’ৰ উদ্যোগত গড়মূৰ পীতাম্বৰদেৱ গোস্বামী মহাবিদ্যালয়ত দুশ গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণপ্ৰাপ্ত টুৰিষ্ট গাইড হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰা হৈছে। পৰ্যটন আৰু আতিথ্যৰ বিভিন্ন দিশৰ ওপৰত বিশেষ প্ৰশিক্ষণ লাভ কৰা এই যুৱক-যুৱতীসকলে আগন্তুক দিনত মাজুলীলৈ অহা দেশী-বিদেশী পৰ্যটকসকলক স্থানীয় ইতিহাস, সত্ৰীয়া সংস্কৃতি, পৰম্পৰা, লোকজীৱন, প্ৰাকৃতিক সম্পদ তথা মাজুলীৰ বৈচিত্ৰ্যৰ সৈতে পৰিচয় কৰাই দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কেৱল পৰ্যটনস্থলী পৰিদৰ্শন কৰোৱাই নহয়, পৰ্যটকক আদৰণি জনোৱা, আতিথ্য প্ৰদান, স্থানীয় সংস্কৃতিৰ সঠিক ব্যাখ্যা দিয়া আৰু পৰ্যটকৰ সুৰক্ষা তথা সুবিধাৰ প্ৰতি লক্ষ্য ৰখাৰ ক্ষেত্ৰতো প্ৰশিক্ষণপ্ৰাপ্ত গাইডসকলে বিশেষ ভূমিকা পালন কৰিব। মাজুলীৰ লগতে লখিমপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰশিক্ষাৰ্থীসকলক বিশিষ্ট পৰ্যটন উদ্যোগী জ্যোতি নাৰায়ণ শৰ্মা, পৰাগ শইকীয়া আৰু লখিমপুৰ ‘গ্ৰাম্যানুভূতি’ৰ স্বত্বাধিকাৰী তথা বিশিষ্ট পৰ্যটন উদ্যোগী দীকপল লাহনে প্ৰশিক্ষণ প্ৰদান কৰে। বিশেষজ্ঞসকলৰ অভিজ্ঞতা আৰু প্ৰশিক্ষণৰ জৰিয়তে যুৱক-যুৱতীসকলক পৰ্যটন ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱহাৰিক জ্ঞান, আতিথ্যৰ কৌশল আৰু পৰ্যটকৰ সৈতে সু-সম্পৰ্ক স্থাপনৰ দিশত দক্ষ কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। উল্লেখযোগ্য যে, মাজুলীৰ পৰ্যটন সম্ভাৱনাক অধিক বিকশিত কৰাৰ লগতে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপন আৰু স্ব-নিয়োজনৰ নতুন সুযোগ সৃষ্টি কৰাৰ ক্ষেত্ৰতো এই পদক্ষেপে ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# ৰূপহীহাটৰ ভাটিয়াখালিত বিলাসী বাহনসহ ৩টা চোৰাং গৰু জব্দ

**অসম বাৰ্তা, ৰূপহীহাট, ২১ আগষ্ট ঃ** ৰূপহীহাটৰ বিভিন্ন অঞ্চলত সঘনাই সংঘটিত হৈ অহা গৰু চুৰিৰ বিৰুদ্ধে আমবাগান আৰক্ষীয়ে আজি ৰাতিপুৱা অভিযান চলাই তিনিটাকৈ চোৰাং গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অভিযানকালত আৰক্ষীয়ে গৰু কঢ়িয়াই অনা এখন বিলাসী বাহনো জব্দ কৰে। জানিব পৰা মতে, ৰূপহীহাটৰ ১ নং ভাটিয়াখালিত আমবাগান আৰক্ষীয়ে গৰু চুৰিৰ বিৰুদ্ধে অভিযান চলাইছিল। সেই সময়তে ভাটিয়াখালিৰ শেখ ফৰিদৰ বাসগৃহৰ সন্মুখত এখন বিলাসী বাহনৰ পৰা গৰু নমাই থকা অৱস্থাত আৰক্ষীয়ে অভিযান চলাই বাহনসহ তিনিটাকৈ গৰু উদ্ধাৰ কৰে। আৰক্ষীৰ উপস্থিতিৰ উমান পাই গৰু চুৰিৰ সৈতে জড়িত চোৰৰ দলটোৱে গৰু আৰু বাহন এৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে জব্দ কৰা গৰু চুৰিত ব্যৱহৃত বাহনখনৰ নম্বৰ হৈছে এএছ-০৩-এম-৬৩২২। ঘটনা সন্দৰ্ভত আমবাগান আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰূপহীহাটৰ বিভিন্ন অঞ্চলত বিগত কিছুদিন ধৰি সঘনাই গৰু চুৰিৰ ঘটনা সংঘটিত হৈ অহাত অঞ্চলবাসী অতিষ্ঠ হৈ পৰিছে। আৰক্ষীয়ে গৰু চুৰিৰ চক্ৰটোৰ বিৰুদ্ধে কঠোৰ অভিযান চলোৱাৰ দাবী জনাইছে সচেতন ৰাইজে।

## পৰ্যটন খণ্ডৰ অৰ্থনৈতিক সংকটত

বাধা প্ৰদান কৰিছে প্ৰতিবাদকাৰীসকলে। ইয়াৰ ফলত মেঘালয়ত ইন্ধন আৰু অন্যান্য নিত্য-প্ৰয়োজনীয় সামগ্ৰীৰ যোগান গুৰুতৰভাৱে ব্যাহত হৈছে। ইফালে, এই সংঘাতৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে মেঘালয়ৰ পৰ্যটন খণ্ডত। সংঘাতৰ খবৰ লাভ কৰাৰ লগে লগে বহু পৰ্যটকে মেঘালয় ভ্ৰমণ বাতিল কৰে, যাৰ ফলত ৰাজ্যখনৰ পৰ্যটনস্থলীসমূহ জনশূন্য হৈ পৰিছে। হোটেল, ৰেষ্টুৰেণ্ট আৰু হোমষ্টেৰ বুকিং ব্যাপক হাৰত বাতিল কৰা হৈছে। উপায়ন্তৰ হৈ মেঘালয়ৰ হোটেল-ৰেষ্টুৰেণ্ট কৰ্তৃপক্ষই পূৰ্বৰ তুলনাত ৫০ শতাংশতকৈও অধিক মূল্য হ্ৰাস কৰিবলৈ বাধ্য হৈছে, কিন্তু তাতো পৰ্যটক ঘূৰাই অনা সম্ভৱ নহৈছে বুলি ব্যৱসায়ী মহলে উদ্বেগ প্ৰকাশ কৰিছে।

## 'স্বাধীনতাৰ পাছতো কংগ্ৰেছে বন্দে

গীতটোক সম্পূৰ্ণ হৃদয়েৰে আঁকোৱালি লোৱা নাছিল বুলি অভিযোগ উত্থাপন কৰি তেওঁ এই গীতৰ প্ৰতি কংগ্ৰেছৰ 'অৱহেলা'ৰ নিন্দা জনায়। সভাত অমিত শ্বাহে কয়, "প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যেতিয়াই লালকিল্লাত পতাকা উত্তোলন কৰে, মই সদায় সেই কাৰ্যসূচীত উপস্থিত থাকোঁ। কিন্তু এইবাৰৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচী আছিল বিশেষ ব্যতিক্ৰমী। ১৫০ বছৰৰ পাছত যেতিয়া আমি স্বাধীনতাৰ ৮০ বছৰ অতিক্ৰম কৰিছো, ৰাষ্ট্ৰ আৰু সমগ্ৰ বিশ্বই লালকিল্লাৰ পৰা পূৰ্ণাংগ 'বন্দে মাতৰম' শুনিবলৈ পালে। বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ এই অমৰ ৰচনাই কেৱল আমাৰ স্বাধীনতা আন্দোলনক গতি প্ৰদান কৰাই নাছিল, ই এখন স্বাধীন ভাৰতৰ সাংস্কৃতিক স্বৰূপো প্ৰতিফলিত কৰিছিল।" কিন্তু স্বাধীনতা আৰু দেশ বিভাজনৰ পাছতো 'বন্দে মাতৰম'ক সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব নোৱাৰাটো অত্যন্ত দুৰ্ভাগ্যজনক বুলি তেওঁ মন্তব্য কৰে। শ্বাহে ৰাষ্ট্ৰীয় সন্মানৰ অপমান প্ৰতিৰোধ (সংশোধনী) আইন, ২০২৬ক 'ঐতিহাসিক সিদ্ধান্ত' হিচাপে অভিহিত কৰি কয় যে এই আইনখনে ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ প্ৰতি যিকোনো বাধা বা অপমানক অপৰাধমূলক অপৰাধ হিচাপে গণ্য কৰিছে। তেওঁ উল্লেখ কৰে, "গৃহ মন্ত্ৰালয়ে সংসদত এখন বিধেয়ক গ্ৰহণ কৰাই 'বন্দে মাতৰম'ৰ সম্পূৰ্ণ পৰিৱেশনক চৰকাৰী কাৰ্যসূচীৰ অংশ হিচাপে সিদ্ধান্ত লৈছে। মই বিশ্বাস কৰোঁ যে ইয়াৰ দ্বাৰা আগন্তুক প্ৰজন্ম, আমাৰ শিশু, কিশোৰ-কিশোৰী আৰু যুৱক-যুৱতীসকলে বংকিম বাবুৰ অমৰ বাৰ্তা লাভ কৰাটো নিশ্চিত হ'ব।" কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰকাশ কৰে যে এই আইন আৰু সিদ্ধান্তই জাতিৰ গৌৰৱ আৰু একতাৰ প্ৰতীক 'বন্দে মাতৰম'ক সকলো স্তৰত সুপ্ৰতিষ্ঠিত কৰাত সহায় কৰিব।

## মেঘালয়ৰ শেহতীয়া পৰিস্থিতিৰ

সীমান্ত অঞ্চল যোৰাবাটত উত্তেজনা চলি আছে। আজিও এই অৱৰোধৰ বাবে বহু অসমীয়া নাগৰিক মেঘালয়ৰ বিভিন্ন প্ৰান্তত আবদ্ধ হৈ আছে আৰু তেওঁলোকৰ সুৰক্ষা লৈ চিন্তা-উদ্বেগ বৃদ্ধি পাইছে। এই জটিল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ অসম আৰক্ষীয়ে আজি আবদ্ধ হৈ থকা লোকসকলৰ বাবে দুটাকৈ বিশেষ হেল্পলাইন নম্বৰ মুকলি কৰিছে। আবদ্ধ লোকসকলৰ লগতে তেওঁলোকৰ আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱীয়েও এইনম্বৰবোৰত যোগাযোগ কৰি প্ৰয়োজনীয় সহায় বিচাৰি পাব। অসম আৰক্ষীয়ে প্ৰকাশ কৰা নম্বৰ দুটা হ'ল — **৯১৮১০১৪৮৮৮** আৰু **০৩৬১২৩৮১৫১১**। অসম আৰক্ষীৰ সূত্ৰমতে, মেঘালয়ত আবদ্ধ হৈ থকা কোনো ব্যক্তি বা বাহনৰ বিষয়ে অৱগত হ'লে পৰিয়ালৰ সদস্য, আত্মীয়-স্বজন অথবা সুহৃদসকলে এই হেল্পলাইন নম্বৰবোৰত ফোন কৰি প্ৰাসংগিক তথ্য প্ৰদান কৰিব পাৰিব। তথ্য প্ৰদানৰ সময়ত ব্যক্তিগত নাম, যোগাযোগ নম্বৰ, বাহন নম্বৰ, বৰ্তমান অৱস্থান আৰু আন সকলো প্ৰাসংগিক বিষয় উল্লেখ কৰিব লাগিব। সংগৃহীত তথ্য সোনকালে মেঘালয়ৰ আৰক্ষী, স্থানীয় প্ৰশাসন আৰু অন্যান্য সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে সমন্বয় কৰি আবদ্ধ লোকসকলক যাতে দ্ৰুত গতিতে উদ্ধাৰ আৰু সহায় প্ৰদান কৰিব পাৰি, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, অসম চৰকাৰ আৰু অসম আৰক্ষী মহাসঞ্চালকৰ মেঘালয়ৰ উচ্চ কৰ্তৃপক্ষৰ সৈতে একেৰাহে যোগাযোগ আৰু আলোচনা অব্যাহত ৰাখিছে। যিসকল লোক সহায়ৰ প্ৰয়োজনত পৰিছে, তেওঁলোকক যাতে কোনো ধৰণৰ অসুবিধা নহয় তাৰ বাবে আৰক্ষী আৰু প্ৰশাসন সদা সচেতন হৈ আছে। লগতে আৰক্ষীয়ে জনসাধাৰণক শান্তি-শৃংখলা অটুট ৰাখিবলৈ আৰু সামাজিক মাধ্যমত অপ্ৰমাণিত বা বিভ্ৰান্তিকৰ তথ্য বিস্তাৰ নকৰিবলৈ আহ্বান জনাইছে। সত্যাসত্য নিৰূপণ নকৰাকৈ কোনো খবৰ শ্বেয়াৰ নকৰিবলৈ অনুৰোধ জনাইছে আৰক্ষী বিষয়াসকলে। চৰকাৰী সূত্ৰই জানিবলৈ দিয়া মতে, আলোচনাৰ জৰিয়তে সোনকালে সমাধান উলিওৱাৰ প্ৰচেষ্টা অব্যাহত আছে, আৰু ইতিমধ্যে মেঘালয় চৰকাৰেও এই প্ৰসঙ্গত আগ্ৰহী হৈ সহায়ৰ হাত আগবঢ়োৱাৰ আশ্বাস দিছে।

## বৰ্ণিহাট-যোৰাবাট পথ বন্ধ

বন্ধৰ বাবে হাজাৰ হাজাৰ যাত্ৰী আৰু বাহন পথত আৱদ্ধ হৈ থাকে, যাৰ ফলত এই অঞ্চলত তীব্ৰ যান-জট আৰু দুৰ্ভোগৰ সৃষ্টি হৈছে। পৰিস্থিতিৰ গুৰুত্ব বুজি মেঘালয়ৰ ৰি-ভয় জিলাৰ প্ৰশাসনে সত্বৰে পদক্ষেপ গ্ৰহণ কৰে। শুকুৰবাৰে জিলা উপায়ুক্ত অভিষেক ছাইনীয়ে এক বিশেষ যাতায়াত পৰামৰ্শ জাৰি কৰি যাত্ৰী আৰু পথচাৰীসকলক নিৰ্দিষ্ট পথ এৰাই চলাৰ আহ্বান জনায়। পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে এই পৰামৰ্শ কাৰ্যকৰী থাকিব বুলি প্ৰশাসনে স্পষ্ট কৰে। পৰামৰ্শ অনুসৰি, বিশেষকৈ চিকিৎসা, বিমানবন্দৰ, ৰে'ল ষ্টেচন আৰু অন্যান্য জৰুৰী প্ৰয়োজনত যাত্ৰা কৰা লোকসকলক নিৰ্ধাৰিত বিকল্প পথসমূহ ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে। শ্বিলং, নংপো আৰু বৰ্ণিহাটৰ পৰা গুৱাহাটী বিমানবন্দৰ তথা গুৱাহাটী ৰে'ল ষ্টেচন অভিমুখী যাত্ৰীসকলৰ বাবে বৰ্ণিহাট—পিলিংকাটা—কিলিং পথ-নংপো—পাথাৰখমাহ—ৰাণী পথ আৰু গুৱাহাটী বিমানবন্দৰ অথবা গুৱাহাটী ৰে'ল ষ্টেচনৰ পৰা শ্বিলং অভিমুখী যাত্ৰীসকলৰ বাবে বশিষ্ঠ—পিলিংকাটা—কিলিং পথ, ৰাণী—পাথাৰখমাহ—মাইৰাং পথ। প্ৰশাসনে স্পষ্টভাৱে অসম আৰু মেঘালয় দুয়োটা দিশৰ পৰাই যোৰাবাট—বৰ্ণিহাট পথ সম্পূৰ্ণৰূপে এৰাই চলিবলৈ আহ্বান জনাইছে। লগতে যাত্ৰীসকলক বিকল্প পথসমূহ ব্যৱহাৰ কৰি যাত্ৰা পৰিকল্পনা কৰিবলৈ আৰু অত্যাৱশ্যকীয় যান-বাহনৰ চলাচল সুচল কৰি ৰখাত কৰ্তৃপক্ষক সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনাইছে। প্ৰশাসনে আশা প্ৰকাশ কৰে যে এই পৰামৰ্শই যাত্ৰীসকলৰ দুৰ্ভোগ কিছু পৰিমাণে লাঘৱ কৰিব আৰু যান-জটৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাত সহায় কৰিব।

## নগাঁও, উধাৰবন্দৰত আৰক্ষীৰ ড্ৰাগছ

সূত্ৰৰ তথ্যৰ ভিত্তিত শুকুৰবাৰে নগাঁও আৰক্ষীৰ নগৰ শাখাৰ উপ-পৰিদৰ্শক বিমান গগৈৰ নেতৃত্বত চলোৱা বিশেষ অভিযানত এছ বি আই বেংকৰ নগাঁও শাখাৰ সন্মুখৰ পৰা ৩০টা কণ্টেনাৰত ভৰ্তি নিষিদ্ধ হেৰ'ইন জব্দ কৰা হয়। AS-02-R-7625 নম্বৰৰ এখন স্কুটিত সৰবৰাহ কৰি থকা অৱস্থাত এই ড্ৰাগছখিনি আৰক্ষীয়ে উদ্ধাৰ কৰে। ঘটনাস্থলীৰ পৰা নগাঁৱৰ ইছলামপত্তি অঞ্চলৰ বাসিন্দা ইছলাম মালিক আৰু চাহিল মালিক নামৰ দুজন অভিযুক্তক আটক কৰি পাছত গ্ৰেপ্তাৰ কৰা হয়। জব্দ হোৱা ড্ৰাগছ আৰু সৰবৰাহকাৰীসকলৰ সম্পৰ্কে অধিক তথ্য সংগ্ৰহৰ বাবে আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ড্ৰাগছৰ ঘাটিত পৰিণত হোৱা নগাঁও জিলাত আৰক্ষীয়ে প্ৰায়ে অভিযান চলাই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিলেও ড্ৰাগছৰ বেহা সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা নাই। সৰবৰাহকাৰীসকলে নিত্য-নতুন কৌশল অৱলম্বন কৰি জিলাখনত ড্ৰাগছৰ সৰবৰাহ চলাই আছে, যাৰ বাবে আৰক্ষী সজাগ হৈ থকাৰ লগতে অভিযান অব্যাহত ৰাখিছে। ইফালে, একেদিনাই উধাৰবন্দৰৰ গোঁসাইপুৰত আৰক্ষীয়ে সফল অভিযান চলাই বিপুল পৰিমাণৰ নিচাজাতীয় দ্ৰব্য উদ্ধাৰ কৰে। অভিযানত ১৫, ৯০০ বটল ক'ডেইন কাহ চিৰাপ আৰু ২, ৬০০টা ট্ৰেমাডল কেপচুল জব্দ কৰা হয়, যাৰ মুঠ বজাৰ মূল্য প্ৰায় ২ কোটি টকা বুলি অনুমান কৰা হৈছে। আটক অভিযুক্ত আৰু উদ্ধাৰ ড্ৰাগছৰ সন্দৰ্ভত উধাৰবন্দৰ আৰক্ষীয়ে পৃথকভাৱে গোচৰ ৰুজু কৰি অনুসন্ধান আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰই জনোৱা মতে, এই ড্ৰাগছসমূহ অসমৰ বিভিন্ন প্ৰান্তত যোগান ধৰাৰ উদ্দেশ্যে মজুত কৰা হৈছিল। আৰক্ষীৰ এই পদক্ষেপে ড্ৰাগছৰ অবৈধ ব্যৱসায়ত জড়িত চক্ৰটোত এক ডাঙৰ আঘাত হানিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ এক্স হেণ্ডেলযোগে এই সফল অভিযানৰ কথা উল্লেখ কৰি আৰক্ষী বাহিনীৰ প্ৰশংসা কৰে। তেওঁ কয় যে অসম চৰকাৰে ড্ৰাগছমুক্ত সমাজ গঢ়াৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই আছে আৰু এই অভিযানসমূহ তাৰ অংশ। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰক্ষীক তৎপৰতাৰে অভিযান অব্যাহত ৰাখিবলৈ আহ্বান জনায়। আগন্তুক সময়ত ড্ৰাগছৰ সৰবৰাহ আৰু ব্যৱহাৰ সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ আৰক্ষীৰ লগতে জনসাধাৰণৰ সহযোগিতাও অত্যন্ত গুৰুত্বপূৰ্ণ বুলি আৰক্ষী বিষয়াসকলে উল্লেখ কৰিছে। নগাঁও আৰু উধাৰবন্দৰত এই যুগ্ম সফলতাই অসম আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ শক্তি আৰু দক্ষতা পুনৰ প্ৰতিফলিত কৰিছে।

## ছাত্ৰ চাহিলৰ ন্যায়ৰ প্ৰতিবাদ নে

যাৰ পিছতে ক্ষুব্ধ ৰাহুল গান্ধীয়ে ভুক্তভোগী চাহিলক লগত লৈ ডিচিপি কাৰ্যালয়ৰ সন্মুখত ধৰ্ণাত বহে আৰু আৰক্ষীক কয়, "গোচৰ পঞ্জীয়ন নকৰিলে মই থানাৰ বাহিৰত ৩০ দিন, প্ৰয়োজনত ছমাহ ধৰ্ণা দিম।" পাছত আৰক্ষীয়ে গোচৰ ৰুজু কৰাত ৰাহুল গান্ধীয়ে ইয়াক 'সত্যৰ জয় আৰু ন্যায়ৰ প্ৰথম পদক্ষেপ' বুলি অভিহিত কৰে। উল্লেখযোগ্য যে দিল্লী আৰক্ষীয়ে পেলেট গান ব্যৱহাৰৰ কথা অস্বীকাৰ কৰিছিল যদিও এইমছৰ ৰিপৰ্ট অনুসৰি চাহিল পেলেটৰ আঘাততে আহত হৈছে। ৰাহুল গান্ধীয়ে ধাৰাবাহিকভাৱে এই ঘটনাৰ প্ৰতিবাদ কৰি আহিছিল। কিন্তু তেওঁৰ এই প্ৰতিবাদক লৈ কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই তীব্ৰ কটাক্ষ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী নাড্ডাই কয়, "সমগ্ৰ দেশেই জানে যে উচ্চতম ন্যায়ালয়ে ২০ জুলাইৰ ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি এজন প্ৰাক্তন ন্যায়াধীশৰ নেতৃত্বত পাঁচজনীয়া উচ্চ পৰ্যায়ৰ তদন্ত সমিতি গঠন কৰিছে। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে যেতিয়া তদন্ত চলাই আছে, তেতিয়া থানাৰ বাহিৰত কেমেৰাৰ সন্মুখত বহি কি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে ৰাহুল গান্ধীয়ে? তেওঁৰ ন্যায়পালিকাৰ প্ৰতি আস্থা নাই নেকি?" নাড্ডাই লগতে অভিযোগ উত্থাপন কৰে যে ৰাহুল গান্ধীৰ এই প্ৰতিবাদ এক 'সস্তীয়া নাটক' মাত্ৰ। তেওঁ কয়, "এই সমগ্ৰ নাটকখনৰ সময় লক্ষ্য কৰিলে স্পষ্ট হয় যে কংগ্ৰেছ দল বৰ্তমান 'বন্দে মাতৰম' বিষয়ত তীব্ৰ সমালোচনাৰ সন্মুখীন হৈছে। তাৰ পৰা মনোযোগ বিচ্যুত কৰিবলৈ ৰাহুল গান্ধীয়ে এই নাটক মঞ্চস্থ কৰিছে। কিন্তু ৰাইজে তেওঁৰ ৰাজনৈতিক ভণ্ডামি সম্পূৰ্ণৰূপে বুজি পাইছে। ৰাহুল গান্ধীয়ে যিমানেই নাটক নকৰক, কংগ্ৰেছে নিজৰ পাপ আৰু জবাবদিহিতাৰ পৰা সাৰি যাব নোৱাৰে। জনসাধাৰণে কংগ্ৰেছৰ পৰা উত্তৰ বিচাৰিছে, আৰু ৰাহুল গান্ধীক সেই উত্তৰ দিবই লাগিব।" ইফালে, আৰক্ষীয়ে গোচৰ ৰুজু কৰাত ৰাহুল গান্ধীয়ে প্ৰতিবাদ ভংগ কৰি প্ৰস্থান কৰে। তেওঁ কয় যে এই প্ৰতিবাদ কোনো ৰাজনৈতিক লাভৰ বাবে নহয়, কেৱল এগৰাকী নিৰীহ ছাত্ৰীৰ ন্যায়ৰ বাবে। কিন্তু কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই এই প্ৰতিবাদক ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি অভিহিত কৰি ৰাহুল গান্ধীৰ সমালোচনা কৰাটো উল্লেখযোগ্য। আগন্তুক দিনত চাহিলৰ গোচৰটোৰ তদন্ত কিদিশে আগবাঢ়ে, তাৰ প্ৰতি ৰাজনৈতিক মহলৰ লগতে ৰাইজেও দৃষ্টি ৰাখিব বুলি ধাৰণা কৰা হৈছে।

## লোকপিয়লৰ কামত শিক্ষক

অভিভাৱক আৰু বিভিন্ন ছাত্ৰ সংগঠনৰ কৰ্মীসকলে এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যালয়খনত বড়ো আৰু অসমীয়া দুটা মাধ্যমত মুঠ ৮৫০জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰে। দুটা মাধ্যমৰ মুঠ শ্ৰেণী কোঠাৰ সংখ্যা ১৩ খন। কিন্তু বিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰীৰ মুঠ সংখ্যা মাত্ৰ ২৮ গৰাকী। জিলা শিক্ষা বিভাগে ইয়াৰে ১৭ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক লোকপিয়লৰ কাৰ্যত নিয়োজিত কৰে। অধ্যক্ষকে ধৰি অৱশিষ্ট ১১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ১৩খন শ্ৰেণী কোঠাত কোনো মতে পাঠদান চলাই আছিল। কিন্তু সম্প্ৰতি দুজন শিক্ষক দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন হৈ পৰাত শিক্ষাদান প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে ব্যাহত হৈছে। সাতটাকৈ বিষয়ৰ পাঠদান কৰিবলগীয়া বিদ্যালয়খনত এতিয়া মাত্ৰ দুইৰ পৰা তিনি বিষয়ৰেহে পঢ়া চলি আছে। ফলত ছাত্ৰ-ছাত্ৰীসকলে গুণগত শিক্ষাৰ পৰা বঞ্চিত হৈছে। অধ্যক্ষকে ধৰি বিদ্যালয়ৰ শিক্ষকসকল অসহায় বোধ কৰি আছে। আজিৰ প্ৰতিবাদস্থলীত নিখিল বড়ো ছাত্ৰ সন্থা (এবছু), বড়ো সাহিত্য সভা, বিটিআৰ আক্ৰাছু, সদৌ চাওঁতাল ছাত্ৰ সন্থা আৰু ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক-অভিভাৱিকাসকলে অংশগ্ৰহণ কৰে। নিখিল বড়ো ছাত্ৰ সন্থাৰ জিলা সভাপতি দিলীপ বসুমতাৰীয়ে কয়, "এটা মাহ ধৰি চলিবলগীয়া লোকপিয়লৰ কামত শিক্ষক-শিক্ষয়িত্ৰীক কোনো অনুসন্ধান নকৰাকৈয়ে চিৰাঙৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক গৰাকীয়ে জধেমধে নিযুক্তি দিছে। ফলত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ পৰা বঞ্চিত হৈছে। অহা মাহত দ্বিতীয় শ্ৰেণী পৰীক্ষা অনুষ্ঠিত হ'ব, কিন্তু ছাত্ৰ-ছাত্ৰীসকলে কি লিখিব?" তেওঁ লগতে সকীয়নি দিয়ে যে অহা সপ্তাহৰ ভিতৰত যদি পৰিদৰ্শক গৰাকীয়ে প্ৰয়োজনীয় শিক্ষকৰ ব্যৱস্থা নকৰে, তেন্তে সংগঠনসমূহে অভিভাৱকসকলক লৈ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব। বিটিআৰ আক্ৰাছুৰ সভাপতি মণিৰাম ৰায়ে অসমীয়া মাধ্যমৰ শোচনীয় অৱস্থা সম্পৰ্কে উল্লেখ কৰি কয়, "বেংতল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অসমীয়া মাধ্যমৰ অৱস্থা আগৰেপৰা শোচনীয় আছিল। এতিয়া লোকপিয়লৰ কামত শিক্ষক নিয়োগ কৰাত 'পানীত হাঁহ নচৰা' অৱস্থা হৈ পৰিছে।" বড়ো সাহিত্য সভাৰ প্ৰতিনিধিসকলে কয় যে চৰকাৰে সঘনাই শিক্ষকসকলক শিক্ষাদানৰ উপৰিও অন্যান্য কামত নিয়োজিত কৰে, যাৰ বাবে তেওঁলোকে নিয়মিত পাঠদান দিব নোৱাৰে। ফলত চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে গুণগত শিক্ষাৰ পৰা বঞ্চিত হয়, আৰু অভিভাৱকসকল বাধ্য হৈ সন্তানক বেচৰকাৰী বিদ্যালয়ত ভৰ্তি কৰায়। যাৰ ফলত মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়বোৰৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা দিনে দিনে হ্ৰাস পাইছে আৰু চৰকাৰে বাধ্য হৈ সেই বিদ্যালয়সমূহ বন্ধ ঘোষণা কৰি আছে। সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ জিলা সভাপতি সলমন মুৰ্মুৱেও একে ধৰণে মন্তব্য প্ৰকাশ কৰি শিক্ষক নিয়োগৰ এই পদ্ধতিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে, লোকপিয়লৰ এমাহীয়া কাৰ্যক্ৰম শেষ নোহোৱালৈকে বিদ্যালয়খনৰ শিক্ষা পৰিস্থিতি অধিক সংকটজনক হোৱাৰ আশংকা কৰিছে অভিভাৱক আৰু শিক্ষানুৰাগীসকলে। প্ৰতিবাদীসকলে জিলা শিক্ষা বিভাগৰ তৎক্ষণাত হস্তক্ষেপৰ দাবী জনাইছে।

## বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ত

১০০ গৰাকী ছাত্ৰ-ছাত্ৰী নামভৰ্তিৰ অনুমতি প্ৰদান কৰিছে। এই অনুমোদনে অসমৰ চিকিৎসা শিক্ষাৰ মানচিত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজৰ এক্স (পূৰ্বৰ টুইটাৰ) হেণ্ডেলযোগে এই সিদ্ধান্তক স্বাগতম জনাই উল্লেখ কৰে যে, "ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ত ১০০জন এমবিবিএছ ছাত্ৰ-ছাত্ৰী নামভৰ্তিৰ বাবে আনুষ্ঠানিক অনুমতি প্ৰদান কৰিছে। এই অনুমোদনৰ ফলত বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় অসমৰ ৰপ্তম চিকিৎসা মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে, আৰু ৰাজ্যৰ মুঠ এমবিবিএছ আসন ১, ৯২৫লৈ বৃদ্ধি পাইছে।" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসমক চিকিৎসা শিক্ষাৰ এক প্ৰধান কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ যাত্ৰাত এই অনুমোদন এক উল্লেখযোগ্য মাইলৰ খুঁটি। তেওঁ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জেপি নাড্ডাৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁৰ অবিৰত সমৰ্থন আৰু এই অনুমোদন প্ৰদানৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে, ইয়াৰ কিছুদিন পূৰ্বেই ৰচ্ছু আগষ্টত অসমৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে নৱনিৰ্মিত বঙাইগাঁও অসামৰিক চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰি কৈছিল যে অসমৰ স্বাস্থ্যখণ্ডত আমূল পৰিৱৰ্তন আহি আছে। বঙাইগাঁও মহাবিদ্যালয়টো আৰম্ভ হোৱাৰ লগে লগে অসমৰ চিকিৎসা শিক্ষাৰ সুবিধা অধিক সম্প্ৰসাৰিত হ'ব আৰু ৰাজ্যৰ শিক্ষাৰ্থীসকলক ঘৰৰ কাষতে উচ্চমানৰ চিকিৎসা শিক্ষা গ্ৰহণৰ সুযোগ প্ৰদান কৰিব। ইফালে, মুখ্যমন্ত্ৰী ড° শৰ্মাই শুকুৰবাৰে দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু শিক্ষামন্ত্ৰী প্ৰ াদ যোশীৰ সৈতেও পৃথক বৈঠক অনুষ্ঠিত কৰে। সেই বৈঠকসমূহত ৰাজ্যৰ বান পৰিস্থিতি, পুনৰুদ্ধাৰ কাৰ্য, শিক্ষা, খাদ্য যোগান আৰু নবীকৰণযোগ্য শক্তি খণ্ডৰ উন্নয়ন সম্পৰ্কে আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী দুয়োগৰাকীয়ে অসমৰ প্ৰতি সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়ৰ অনুমোদনে অসমৰ চিকিৎসা শিক্ষাৰ লগতে স্বাস্থ্য সেৱাতো নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। শিক্ষাৰ্থী আৰু অভিভাৱক মহলত এই সিদ্ধান্তে উৎসাহৰ সৃষ্টি কৰিছে, আৰু অহা শিক্ষাবৰ্ষৰ পৰা মহাবিদ্যালয়খনে শিক্ষা কাৰ্য আৰম্ভ কৰিব বুলি আশা কৰা হৈছে।

## দিল্লী আৰক্ষীৰ DCP কাৰ্যালয়ৰ

পিছতে ক্ষুব্ধ ৰাহুলে ভুক্তভোগী ছাত্ৰীগৰাকীৰ সৈতে পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানাত উপস্থিত হৈ আৰক্ষী উপ-আয়ুক্ত শচডিচিপিগ্নক সাক্ষাৎ কৰে আৰু আনুষ্ঠানিকভাৱে অভিযোগ দাখিল কৰে। ঘটনাৰ সূত্ৰমতে, চঞ্চ জুলাইত দিল্লীৰ যন্তৰ-মন্তৰ অঞ্চলত শান্তিপূৰ্ণ প্ৰতিবাদ সভা চলাই থকা সময়তে আৰক্ষীয়ে ছাহিল লোচাবৰ ওপৰত গুলীচালনা কৰে। ফলত তেওঁৰ চকুত গুৰুতৰ আঘাত লাগে আৰু এটা চকুৰ দৃষ্টিশক্তি হেৰুওৱাৰ উপক্ৰম হয় বুলি অভিযোগ উত্থাপন কৰিছে ৰাহুল গান্ধীয়ে। এই ঘটনাৰ প্ৰতিবাদ স্বৰূপে তেওঁ আৰক্ষী জোৱানৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱাৰ দাবী জনায়। শুকুৰবাৰে পুৱা ৰাহুল গান্ধী ছাহিল লোচাবক লগত লৈ মন্দিৰ মাৰ্গ থানাত উপস্থিত হয়। কিন্তু তাত থানাৰ আৰক্ষী বিষয়াই তেওঁলোকৰ অভিযোগ গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে। তাৎক্ষণিকভাৱে তেওঁলোক পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট থানালৈ যায় আৰু ডিচিপিক লগ পাই অভিযোগ দাখিল কৰে। সামাজিক মাধ্যম এক্সত ৰাহুলে লিখে, "আজি মই পাৰ্লিয়ামেণ্ট ষ্ট্ৰীটৰ ডিচিপিৰ কাৰ্যালয়ত সাহিল লোচাবে সন্মুখীন হোৱা আৰক্ষীৰ বৰ্বৰতাৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰিলোঁ। ২০ জুলাইত যন্তৰ-মন্তৰত শান্তিপূৰ্ণ প্ৰতিবাদৰ সময়ত সাহিলক বন্দুকেৰে আক্ৰমণ কৰিছিল আৰক্ষীয়ে। ইয়াৰ ফলত তেওঁৰ চকুৰ গুৰুতৰ ক্ষতি হৈছে, যিটো এক গুৰুতৰ অপৰাধ।" ইফালে, কংগ্ৰেছ নেতাগৰাকীয়ে এই ঘটনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "ছাহিলে ন্যায় বিচাৰি এফআইআৰ দাখিল কৰিবলৈ আহিলেও তেওঁৰ অভিযোগ মানি লোৱা নহয়। ইয়াৰ দ্বাৰা সাংবিধানিক অধিকাৰৰ ওপৰত আঘাত হানিছে। গৃহমন্ত্ৰী মহোদয়, ন্যায়ৰ প্ৰতি ইমান ভয় কিয়?" গান্ধীয়ে প্ৰশ্ন উত্থাপন কৰে যে যেতিয়া এগৰাকী ছাত্ৰীৰ চকু যাবলৈ ধৰিছে, তেতিয়া তেওঁলোকে ক্ষমা বিচৰাৰ পৰিৱৰ্তে কিয় নীৰৱতা অৱলম্বন কৰিছে। উল্লেখ্য যে, ক'কৰোচ্ছ জনতা পাৰ্টীৰ প্ৰতিবাদকাৰীসকলে যন্তৰ-মন্তৰত ন্যায্য দাবী আগবঢ়াই আছিল, কিন্তু আৰক্ষীয়ে তেওঁলোকৰ ওপৰত বলপূৰ্বক দমন নীতিকে গ্ৰহণ কৰে বুলি অভিযোগ উঠিছে। এই প্ৰসঙ্গত কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ ধৰ্ণাই ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। অহা দিনবোৰত এই ঘটনাই কি দিশে যাত্ৰা কৰে, তাৰ প্ৰতি সমগ্ৰ দেশৰ দৃষ্টি নিবদ্ধ হৈ আছে। ইফালে, আৰক্ষীয়ে যদিও এতিয়ালৈকে কোনো আনুষ্ঠানিক মন্তব্য প্ৰদান কৰা নাই, তথাপি এই ঘটনাই আৰক্ষী আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ ওপৰত পুনৰ প্ৰশ্ন চিনিয়াইছে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ

ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া ব্ৰিকছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবেই তাৰিক ৰহমানে নতুন দিল্লী ভ্ৰমণৰ পৰিকল্পনা কৰিছিল। কিন্তু সাম্প্ৰতিক সময়ত প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক ভাৰতৰ পৰা বাংলাদেশলৈ প্ৰত্যৰ্পণ কৰাৰ দাবীক লৈ নতুন দিল্লী আৰু ঢাকাৰ মাজত সম্পৰ্কত উত্তেজনা বৃদ্ধি পোৱাৰ ফলত এই ভ্ৰমণ অনিশ্চিত হৈ পৰিছে। অৱশ্যে কূটনৈতিক উত্তেজনা হ্ৰাস কৰাৰ বাবে দুয়োপক্ষৰ প্ৰচেষ্টা অব্যাহত আছে। মঙলবাৰে ঢাকাত বাংলাদেশী ব্যৱসায়ী আৰু ভাৰতীয় প্ৰতিনিধি দলৰ বাবে আয়োজিত অনুষ্ঠানত ভাৰতৰ উচ্চায়ুক্ত দীনেশ ত্ৰিবেদীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণক স্মৰণীয় কৰি তুলিব বিচাৰে। ত্ৰিবেদীয়ে উল্লেখ কৰে যে মোদীয়ে কেৱল এইটোকে কৈছে যে 'আমি লগ হ'ব লাগিব।' কিন্তু ঢাকাৰ কূটনৈতিক মহলৰ পৰা অহা সংকেত সতৰ্কতামূলক। বৃহস্পতিবাৰে বাংলাদেশৰ ৰাষ্ট্ৰীয় সংবাদ সংস্থা বিএছএছক দিয়া এক সাক্ষাৎকাৰত বাংলাদেশৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টা হুমায়ুন কবীৰে কয় যে নতুন দিল্লীৰ পৰা পাৰস্পৰিক বিশ্বাস আৰু মৰ্যাদাপূৰ্ণ আমন্ত্ৰণ নাপালে ব্ৰিকছ সন্মিলনত তাৰিক ৰহমানৰ অংশগ্ৰহণ সম্ভৱ নহ'ব। ইয়াৰ লগে লগে এই ভ্ৰমণ সম্পৰ্কীয় অনিশ্চয়তা আৰু গাঢ় হৈছে। ইফালে, ৰাষ্ট্ৰপতি ভৱনৰ বিজ্ঞপ্তি প্ৰত্যাহাৰে এই পৰিস্থিতিত নতুন মাত্ৰা যোগ কৰিছে। কূটনৈতিক বিশ্লেষকসকলে মত দিছে যে অহা কেইদিনমানৰ পাৰস্পৰিক আলোচনা আৰু সংকেতৰ ওপৰতেই তাৰিক ৰহমানৰ ভাৰত ভ্ৰমণ সিদ্ধান্ত নিৰ্ভৰ কৰিব। বাংলাদেশ আৰু ভাৰতৰ মাজৰ সম্পৰ্কৰ বাবে এই ভ্ৰমণ অত্যন্ত গুৰুত্বপূৰ্ণ হ'ব পাৰে বুলি ধাৰণা কৰা হৈছে, যদিও বৰ্তমানৰ অনিশ্চয়তাই উদ্বেগৰ সৃষ্টি কৰিছে।

## বিদ্যালয়বহিৰ্ভূত শিশুক মূলসুঁতিলৈ

এক বিশেষ অনুষ্ঠানত সমগ্ৰ শিক্ষা অসমৰ এই উদ্যোগৰ শুভাৰম্ভ কৰে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। তেওঁ ভাষণত কয় যে এই কাৰ্যসূচীৰ অধীনত সমগ্ৰ শিক্ষাৰ জিলা গুণগত মান ব্যৱস্থাপক আৰু শিক্ষা স্বেচ্ছাসেৱকসকলে প্ৰথমে বিদ্যালয় আধাতে ত্যাগ কৰা আৰু দীৰ্ঘদিন ধৰি অনুপস্থিত থকা শিশুসকলক চিনাক্ত কৰিব। তাৰ পাছত প্ৰয়োজন অনুসৰি শিশুসকলক বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰ বা মুক্ত বিদ্যালয়ৰ জৰিয়তে শিক্ষাৰ মূলসোঁতলৈ অনা হ'ব। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এই লক্ষ্যৰ বাবে ৰাজ্যজুৰি মুঠ ২, ৮৬২ গৰাকী বিশেষভাৱে প্ৰশিক্ষিত কৰ্মচাৰীয়ে ২০ আগষ্টৰ পৰা জৰীপ কাৰ্য আৰম্ভ কৰিছে, যি ২৩ ছেপ্টেম্বৰলৈ চলিব। এই জৰীপৰ জৰিয়তে বহিৰ্ভূত শিশুসকলৰ সঠিক তথ্য সংগ্ৰহ কৰি তেওঁলোকক শিক্ষা ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰা হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ পেগুৱে বিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰৰ জীৱন সংগ্ৰামক বিশেষভাৱে স্মৰণ কৰে। তেওঁ কয় যে নাৰায়ণ কোঁৱৰৰ অনুপ্ৰেৰণাদায়ক জীৱনগাথা 'শিক্ষা যাত্ৰা' কাৰ্যসূচীৰ সৈতে সম্পূৰ্ণ সংগতিপূৰ্ণ। "নাৰায়ণ কোঁৱৰৰ জীৱনে প্ৰমাণ কৰে যে বৰ্তমানৰ প্ৰতিকূলতাই শিশুৰ ভৱিষ্যত নিৰ্ধাৰণ কৰিব নোৱাৰে। তেওঁৰ সংগ্ৰাম আৰু সফলতা আমাৰ বাবে এক আৰ্হি, "— শিক্ষামন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। উল্লেখযোগ্য যে অসম চৰকাৰে শিক্ষাৰ গুণগত মান বৃদ্ধি আৰু বিদ্যালয়বহিৰ্ভূত শিশুৰ সংখ্যা শূন্যলৈ ৰাখিবলৈ এই পদক্ষেপ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰিছে। আগন্তুক সময়ত এই জৰীপৰ ফলাফলৰ ভিত্তিত ৰাজ্য চৰকাৰে বিশেষ শিক্ষা আঁচনি আৰু পুনৰ নামভৰ্তি অভিযান চলোৱাৰ পৰিকল্পনা কৰিছে। সমগ্ৰ শিক্ষা অসমৰ তৰফৰ পৰা জনসাধাৰণক এই অভিযানত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনোৱা হৈছে, যাতে কোনো শিশু শিক্ষাৰ পৰা বঞ্চিত নাথাকে।

## দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা

সীতাৰমণৰ সৈতে অনুষ্ঠিত বৈঠকখনত মুখ্যমন্ত্ৰী শৰ্মাই অসমৰ শেহতীয়া বান পৰিস্থিতিৰ সম্পূৰ্ণ চিত্ৰ দাঙি ধৰে। ৰাজ্য চৰকাৰে বানপীড়িত অঞ্চলত চলাই থকা সাহায্য আৰু পুনৰ্বাসন কাৰ্য, ক্ষয়-ক্ষতিৰ সামগ্ৰিক মূল্যায়ন, আৰু ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ জীৱিকা পুনৰুদ্ধাৰৰ বাবে প্ৰস্তুত কৰা ৰোডমেপৰ বিষয়ে তেওঁ বিত্তমন্ত্ৰীক অৱগত কৰায়। সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰা পোষ্টযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে, "মাননীয়া শ্ৰীমতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীক অসমৰ বানৰ ক্ষয়-ক্ষতিৰ চলি থকা মূল্যায়ন, ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ পুনৰ্নিৰ্মাণ আৰু বানপীড়িত পৰিয়ালসমূহৰ জীৱন-জীৱিকা পুনৰ গঢ়ি তোলাৰ আমাৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰোঁ।" তেওঁ লগতে কয় যে বিত্তমন্ত্ৰীগৰাকীয়ে অসমৰ সমস্যাসমূহ অতি মনোযোগ আৰু সংবেদনশীলতাৰে শুনি এই কঠিন সময়ত কেন্দ্ৰীয় চৰকাৰৰ দৃঢ় সহযোগিতাৰ বিষয়ে আশ্বাস প্ৰদান কৰে। "অসমৰ স্বাৰ্থ আৰু অসমৰ জনসাধাৰণৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ এই আন্তৰিক সহযোগিতা আমাৰ শক্তি আৰু আস্থাৰ এক গুৰুত্বপূৰ্ণ আধাৰ, "— মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লিখিছে। ইফালে, শিক্ষামন্ত্ৰী প্ৰ াদ যোশীৰ সৈতে অনুষ্ঠিত বৈঠকখনত মুখ্যমন্ত্ৰী শৰ্মাই মূলতঃ শিক্ষা, খাদ্য আৰু অসামৰিক যোগান, আৰু নবীকৰণযোগ্য শক্তি খণ্ডত অসমৰ অগ্ৰাধিকাৰ আৰু ভৱিষ্যৎ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে। শিক্ষাৰ গুণগত মান বৃদ্ধি, ডিজিটেল শিক্ষা সম্প্ৰসাৰণ, খাদ্য সুৰক্ষা আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা জবাবদিহিমূলক কৰা, লগতে অসমত সৌৰ আৰু অন্যান্য নবীকৰণযোগ্য শক্তিৰ উৎপাদন বৃদ্ধিৰ সম্ভাৱনা সম্পৰ্কেও মত বিনিময় কৰা হয়। এই বৈঠক সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমত লিখে, "মাননীয় যোশী ডাঙৰীয়াৰ সৈতে মূলতঃ শিক্ষা, খাদ্য আৰু অসামৰিক যোগান তথা নবীকৰণযোগ্য শক্তি খণ্ডৰ অসমৰ অগ্ৰাধিকাৰ আৰু ভৱিষ্যৎ পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা হয়। অসমৰ প্ৰতি তেখেতৰ ইতিবাচক দৃষ্টিভংগী আৰু অব্যাহত সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।" উল্লেখ্য যে অসমৰ একাধিক জিলা বিশেষকৈ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটত সংহাৰী বানপানীয়ে ব্যাপক ক্ষয়-ক্ষতি সাধন কৰাৰ পাছতে ৰাজ্য চৰকাৰে পুনৰুদ্ধাৰ আৰু পুনৰ্বাসন কাৰ্য ত্বৰান্বিত কৰি আছে। এই বৈঠকৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় বিত্তীয় আৰু প্ৰযুক্তিগত সহায় লাভ কৰি অসমৰ পুনৰুদ্ধাৰ প্ৰক্ৰিয়াক অধিক গতিশীল কৰাৰ লক্ষ্য ৰখা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী দুয়োগৰাকীয়ে অসমৰ প্ৰতি আন্তৰিকতা প্ৰদৰ্শন কৰি আগন্তুক সময়ত ৰাজ্যৰ বিকাশ আৰু দুৰ্যোগ প্ৰতিৰোধী পদক্ষেপসমূহত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে বুলি সূত্ৰই জনাইছে।

## 'প্ৰতিবাদৰ নামত অনাকাংক্ষিত

মীমাংসাৰ দায়িত্ব ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সীমান্ত অঞ্চল উন্নয়ন মন্ত্ৰী অতুল বৰাৰ ওপৰত অৰ্পণ কৰিছে আৰু মেঘালয় চৰকাৰৰ সৈতে আলোচনা অব্যাহত আছে। শুকুৰবাৰে সাংবাদিকসকলক সম্বোধন কৰি মন্ত্ৰী অতুল বৰাই স্পষ্ট কৰে যে অসম আৰু মেঘালয়ৰ মাজত ঐতিহ্যপূৰ্ণ বন্ধন আছে বাবে ৰাজ্য দুখনৰ লোকসকলে যাতে কোনো ধৰণৰ ভ্ৰান্ত সিদ্ধান্ত নিগ্ৰহণ নকৰে, তাৰ বাবে তেওঁ মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ সৈতে আলোচনা চলাই আছে। তেওঁ উল্লেখ কৰে যে ব্যক্তিগত বিবাদে কেতিয়াবা সীমান্তীয় সমস্যাৰ ৰূপ ল'ব পাৰে, কিন্তু বৰ্তমানৰ ঘটনাটো সম্পূৰ্ণ পৃথক। মেঘালয়ৰ খাচী ছাত্ৰ সন্থাই নিজা দাবী আগবঢ়াই প্ৰতিবাদ কৰি থকা সময়তে কিয় 'গণতান্ত্ৰিক আন্দোলন'ৰ নাম লৈ অসমীয়া লোকসকলক লক্ষ্য কৰা হ'ল, সেই কথা মেঘালয় চৰকাৰেহে ভালদৰে জানে বুলি অতুল বৰাই মন্তব্য কৰে। প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে যোৰাবাটৰ প্ৰতিবাদকাৰীসকলে উত্থাপন কৰা অভিযোগৰ বিষয়ে দুয়োখন ৰাজ্য চৰকাৰে আলোচনা চলাই আছে। মেঘালয় চৰকাৰে ইতিমধ্যে এখন প্ৰস্তাৱ দিছে, যাৰ জৰিয়তে সোনকালে সমাধান সম্ভৱ বুলি আশা কৰা হৈছে। কোনো নিৰ্দিষ্ট সম্প্ৰদায়ক লক্ষ্য কৰি তেওঁ মন্তব্য কৰিব নিবিচাৰে বুলি উল্লেখ কৰি অতুল বৰাই কয় যে প্ৰতিটো সংগঠনতে কিছু মানুহ থাকে যাৰ বাবে সম্পৰ্ক নষ্ট হয়, সা-সম্পত্তি আৰু জীৱনো বিপদাপন্ন হয়। বৰ্তমান আলোচনা পথত আছে বাবে অতি সোনকালে ইয়াৰ সমাধান হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ইয়াৰ আগতে চলিত বৰ্ষৰ জুন মাহত তাপাট-লাপাংগাপ অঞ্চলৰ ভূমি বিষয়ক বিবাদৰ বাবে দুয়োৰাজ্যৰ কৃষকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল। সেই পৃষ্ঠভূমিৰ পৰাই এইবাৰ যোৰাবাটৰ অৱৰোধই নতুন মাত্ৰা যোগ কৰিছে। মন্ত্ৰী অতুল বৰাই স্পষ্ট ভাষাত কৈছে যে অসম চৰকাৰ সদায় শান্তিপূৰ্ণ সমাধানৰ পক্ষপাতী আৰু মেঘালয় চৰকাৰৰ সৈতে সংলাপ অব্যাহত থকাৰ বাবেই অতি সোনকালে অৱৰোধ উঠাই লোৱাৰ সম্ভাৱনা আছে। ইফালে মেঘালয়ত আবদ্ধ হৈ থকা অসমৰ লোকসকলৰ সুৰক্ষাৰ বাবে অসম আৰক্ষীয়ে ইতিমধ্যে হেল্পলাইন নম্বৰ মুকলি কৰি দিছে, যাৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোকসকলে প্ৰয়োজনীয় সহায় বিচাৰি পাব পাৰে। অসম-মেঘালয় সীমান্তৰ অশান্তি লৈ ৰাজনৈতিক মহলত ইতিমধ্যে তীব্ৰ সমালোচনা আৰম্ভ হৈছে, যদিও মন্ত্ৰীগৰাকীয়ে আলোচনাৰ মাধ্যমতে স্থায়ী সমাধান বিচাৰি উলিওৱাত গুৰুত্ব দিছে।

## KSUৰ প্ৰতিবাদী সমদলৰ পূৰ্বে

শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনাৰ পিছৰে পৰা এই অঞ্চলত উত্তেজনাময় পৰিস্থিতি বিৰাজ কৰি আছে। প্ৰশাসনে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নহওক তাৰ বাবে নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰিছে। প্ৰস্তাৱিত প্ৰতিবাদস্থলীসমূহত অতিৰিক্ত নিৰাপত্তাৰক্ষী মোতায়েন কৰাৰ লগতে সমগ্ৰ শ্বিলঙতে নিৰাপত্তা জাল শক্তিশালী কৰা হৈছে। প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে পৰিস্থিতিৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে। BNSS-ৰ ১৬৩ ধাৰা জাৰি কৰাৰ মূল উদ্দেশ্য হৈছে প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত বৃহৎ সংখ্যক লোকৰ সমাগম নিয়ন্ত্ৰণ কৰা আৰু জনশান্তি আৰু আইন-শৃংখলা অটুট ৰখা। এই ধাৰাৰ অধীনত কোনো ব্যক্তিক অসামাজিক কাৰ্যকলাপত লিপ্ত হ'বলৈ অনুমতি দিয়া নহ'ব আৰু আইন মানি চলাত বাধ্য কৰোৱা হ'ব। উল্লেখযোগ্য যে KSU-ৰ প্ৰতিবাদী সমদলক কেন্দ্ৰ কৰি সংঘটিত হিংসাত্মক ঘটনাৰ পিছৰে পৰা শ্বিলঙত উত্তেজনা চৰি আছে। পৰিস্থিতিৰ অধিক অৱনতি ৰোধ কৰাৰ লগতে সাধাৰণ নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ প্ৰশাসনে বিভিন্ন সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰশাসনৰ তৰফৰ পৰা কয় যে কোনো প্ৰকাৰৰ উস্কানিমূলক কাৰ্যকলাপ সহ্য কৰা নহ'ব আৰু আইন ভংগ কৰিলে কঠোৰ ব্যৱস্থা লোৱা হ'ব। ইফালে, KSU-ৰ নেতৃত্বই এতিয়ালৈকে এই প্ৰশাসনিক নিৰ্দেশৰ প্ৰতি কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। অঞ্চলটোৰ নিৰাপত্তা পৰিস্থিতি সন্তোষজনক বুলি জানিবলৈ দিছে প্ৰশাসনে, আৰু কেৱল প্ৰতিবাদী কাৰ্যসূচীৰ সময়ছোৱাতেই এই বিশেষ নিৰ্দেশাৱলী কাৰ্যকৰী থাকিব।

## ছোমালিয়া আৰু য়েমেনত

'এম টি শিবু ৰ' সশস্ত্ৰ জলদস্যুৱে অপহৰণ কৰে। উপকূলৰ পৰা প্ৰায় ৩০ নটিকেল মাইল দূৰত এই আক্ৰমণ সংঘটিত হয়। জাহাজখনত থকা ১৬জন ভাৰতীয়ৰ উপৰি এজন ছিৰিয়ান, এজন ছুইডেনৰ, এজন ইৰাকী নাগৰিক আৰু এজন নাগৰিকত্ব নিশ্চিত নোহোৱা নাৱিক আছে। বিষয়াগৰাকীয়ে জনোৱা মতে, ৰিক্ৰুইটমেণ্ট এণ্ড প্লেচমেণ্ট ছাৰ্ভিচ লাইচেন্স (আৰপিএছএল) এজেন্সী এছকেএছ ক্ৰিছি মেৰিন ছাৰ্ভিচেজৰ প্ৰাপ্ত তথ্য অনুসৰি বৰ্তমান জাহাজখনত ছয়জন অস্ত্ৰধাৰী জলদস্যু আছে আৰু তেওঁলোকে জাহাজখন সম্পূৰ্ণ নিয়ন্ত্ৰণত লৈছে। ই-নাৱিক অনলাইন মেৰিন কেজুৱেল্টি ৰিপৰ্ট ব্যৱস্থাৰ জৰিয়তে এই ঘটনাৰ প্ৰতিবেদন দাখিল কৰিবলৈ আৰপিএছএলক পৰামৰ্শ দিয়া হৈছে। ছোমালিয়াৰ পুণ্টলেণ্ড উপকূলৰ পৰা সংঘটিত দ্বিতীয় ঘটনাটোত কেমেৰুণৰ পতাকা থকা মালবাহী জাহাজ 'এম ভি এল ইউৰ্টিইউএফ' জলদস্যুৰ হাতলৈ যায়। চলিত সপ্তাহৰ আৰম্ভণিতে সোমবাৰে আইল জিলাৰ মাৰায়াৰ পৰা প্ৰায় ৩.৫ নটিকেল মাইল দূৰত এই জাহাজখন অপহৰণ কৰা হয়। জাহাজখনত তুৰ্কীৰ অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য সামগ্ৰী কঢ়িয়াই নিয়া হৈছিল বুলি ছোমালিয়াৰ এজন বিষয়াই বৃহস্পতিবাৰে নিশ্চিত কৰে। ১০ জনীয়া ক্ৰু দলটোত ছজন ভাৰতীয়, এজন তুৰ্কী, এজন জৰ্জিয়ান নাগৰিক আৰু দুজন ছাৰ্বিয়ান নিৰাপত্তাৰক্ষী আছে। প্ৰায় আঠজন জলদস্যুৱে জাহাজখন পুণ্টলেণ্ডৰ ডাংগোৰয়ো জিলাৰ গাৰ্মালৰ ওচৰৰ উপকূললৈ লৈ যায়। এই দলটোৰ সৈতে ২৬ এপ্ৰিলত 'এম ভি সৰাৰ্ড' অপহৰণৰ সৈতে জড়িত জলদস্যুৰ সম্পৰ্ক থকাৰ সন্দেহ কৰা হৈছে। ইফালে, অপহৃত জাহাজখনৰ কাষ চাপি আহে তুৰ্কীৰ মালিকানাধীন দুখন জাহাজ আৰু তুৰ্কীৰ হেলিকপ্টাৰ আৰু ড্ৰ'নে অঞ্চলটো নিৰীক্ষণ কৰে। মঙলবাৰে দুজন লোকক কঢ়িয়াই নিয়া এখন সৰু নাৱে জাহাজখনৰ কাষ চাপি ছোমালিয়াত প্ৰচলিত উদ্দীপক খাদ্য 'খট' যোগান ধৰে। নাওখন পাৰলৈ উভতি অহাৰ পিছত আকাশমাৰ্গৰ পৰা আক্ৰমণ সংঘটিত হয়, য'ত চাৰিজন লোক নিহত আৰু দুজন আহত হয়। কিন্তু এই বিমান আক্ৰমণ কোনে কৰিলে আৰু নিহতসকল অপহৰণকাৰী আছিল নে নাই, সেই বিষয়ে স্বতন্ত্ৰভাৱে নিশ্চিত কৰিব পৰা নাই। অপহৰণৰ সময়ত ক্ৰু সদস্যসকলে দুৰ্গত শৰণ লৈছিল যদিও জলদস্যুৱে জাহাজত প্ৰৱেশ কৰি তেওঁলোকক দলংলৈ লৈ আহে বুলি জাহাজ মন্ত্ৰণালয়ৰ বিষয়াগৰাকীয়ে উল্লেখ কৰে। এতিয়ালৈকে কোনো আহতৰ খবৰ নাই। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ে এতিয়ালৈকে এই পৰিঘটনা সন্দৰ্ভত কোনো আনুষ্ঠানিক মন্তব্য প্ৰকাশ কৰা নাই। অৱশ্যে জাহাজ মন্ত্ৰণালয়ৰ বিষয়াগৰাকীয়ে আশ্বাস দিয়ে যে সকলো ভাৰতীয় ক্ৰু সদস্য নিৰাপদে আছে আৰু পৰিস্থিতিৰ ওপৰত নজৰ ৰখা হৈছে। আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক পথত জলদস্যুৰ এই আক্ৰমণে ৰণকৌশলগত গুৰুত্বপূৰ্ণ অঞ্চলত নিৰাপত্তা উদ্বেগ পুনৰ উত্থাপন কৰিছে।

## অখিল গগৈৰ অমৰ্যাদাকৰ আচৰণৰ

এই ঘটনা ঘটে আৰু তাৰ ভিডিঅ' ফুটেজ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। এই ভিডিঅ'ত দেখা যায় যে বিধায়কগৰাকীয়ে জিলা আয়ুক্তক অপদস্থ কৰি বিভিন্ন ধৰণে তীব্ৰ ভাষা প্ৰয়োগ কৰিছে। আনহাতে জিলা আয়ুক্ত মৃদুল যাদৱে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয়, "আমি চৰকাৰৰ নিৰ্দেশনা মতে কাম কৰি আছোঁ, কিন্তু বিধায়কগৰাকীয়ে মোক দুৰ্ব্যৱহাৰ কৰিছে। তদুপৰি তেওঁ গোপনে ভিডিঅ' ৰেকৰ্ডিং কৰি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰিলে, যিটো একেবাৰেই অনুচিত। কাৰণ বৈঠকত ভিডিঅ' কৰাৰ কোনো অনুমতি নাছিল।" তেওঁ লগতে কয় যে বানপীড়িতসকলক সহায় কৰাই তেওঁলোকৰ প্ৰাথমিক কৰ্তব্য, কিন্তু এনেধৰণৰ অমৰ্যাদাকৰ আচৰণে প্ৰশাসনিক মনোবল ভাঙি পেলাইছে। প্ৰতিবাদত অংশগ্ৰহণ কৰা এজন কৰ্মচাৰীয়ে কয়, "জিলা প্ৰশাসনৰ মুৰব্বীগৰাকী এগৰাকী আইএএছ বিষয়া। তেওঁক এনেদৰে অপদস্থ কৰাটো আমি কোনোৱেই মৰ্যাদা দিব নোৱাৰো। বানৰ দৰে সংকটময় পৰিস্থিতিত আমি সম্পূৰ্ণ শক্তিৰে কাম কৰি আছো, কিন্তু বিধায়কগৰাকীয়ে প্ৰশাসনীয় ব্যৱস্থাটোকে অস্থিৰ কৰিবলৈ চেষ্টা চলাইছে।" আন এগৰাকী কৰ্মচাৰীয়ে কয়, "আমি কোনো বিশেষ ব্যক্তিৰ বিৰুদ্ধে নহয়, কেৱল অশালীন ব্যৱহাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছো। এনে আচৰণে সমাজত কি বাৰ্তা দিয়ে? আমি পৰৱৰ্তী প্ৰজন্মক কি শিক্ষা দিম? ইয়াৰ পিছত আমি আলোচনা কৰি পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰিম।" প্ৰতিবাদৰ ফলত জিলা আয়ুক্ত কাৰ্যালয়ৰ কাম-কাজ কিছু সময়লৈ স্তব্ধ হৈ পৰে। অৱশ্যে জিলা আয়ুক্ত মৃদুল যাদৱে প্ৰতিবাদকাৰী কৰ্মচাৰীসকলৰ সৈতে কথা পাতি তেওঁলোকক আশ্বস্ত কৰে যে বানপীড়িতসকলৰ সাহায্য কাৰ্য যাতে বাধাগ্ৰস্ত নহয়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হ'ব। তেওঁ কয়, "আমি সকলোকে লৈ আলোচনা কৰি কেনেদৰে বানপীড়িতসকললৈ দ্ৰুত গতিত সাহায্য পোৱাই দিব পাৰি, তাৰ ওপৰত গুৰুত্ব দিম।" উল্লেখ্য, অসমৰ বিভিন্ন প্ৰান্তত চলি থকা বানপৰিস্থিতিৰ মাজতে এই ঘটনাই নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। ৰাজ্যখনৰ ৰাজনৈতিক মহলত ইতিমধ্যেই এই লৈ সমালোচনা-প্ৰতিসমালোচনা আৰম্ভ হৈছে। ফ্লাড ৰিলিফ আৰু প্ৰশাসনিক শৃংখলা ৰক্ষাৰ প্ৰসঙ্গত এই ঘটনাই গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে- জনপ্ৰতিনিধি আৰু প্ৰশাসনৰ মাজত থাকিবলগীয়া সৌজন্য আৰু পাৰস্পৰিক সন্মানৰ সীমাৰেখা ক'ত? ইফালে, বিধায়ক অখিল গগৈৰ পক্ষৰ পৰা এই বিষয়ে কোনো আনুষ্ঠানিক মন্তব্য পোৱা নাযায়, যদিও তেওঁৰ কেইবাটাও ভিডিঅ' বিবৃতি সামাজিক মাধ্যমত ভাইৰেল হৈছে। জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে পুনৰ কাম-কাজ আৰম্ভ কৰিলেও ঘটনাটোৰ প্ৰভাৱ দীৰ্ঘস্থায়ী হ'ব বুলি অনুমান কৰিছে চৰ্চা মহলে।

## সমাজসেৱক অশোক কুমাৰ বৰাক "কলংপৰীয়া জনসেৱা শিৰোমণি বঁটা" প্ৰদান

# নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## অসম সাহিত্য সভাৰ পতাকাই নতুন প্ৰজন্মৰ মাজত মাতৃভাষাৰ প্ৰতি সজাগ হৈ থকাৰ অনুপ্ৰেৰণা দিয়ে ঃ ড° শৰৎ বৰকটকী



**অসম বাৰ্তা, পুৰণিগুদাম, ২১ আগষ্ট ঃ** "বৰ্তমান বিশ্বত ৭, ১১১টা মান ভাষা আছে। ৬৭খন দেশৰ প্ৰধান ভাষা ৰূপে আৰু ২৭খন দেশৰ দ্বিতীয় ভাষা হিচাপে ১১০ কোটিৰো অধিক মানুহে ইংৰাজী ভাষা কয়। হিন্দী ভাষীৰ সংখ্যাও প্ৰায় ৬০ কোটি ১৫ লাখ। অসমীয়া ভাষীৰ সংখ্যা লোকপিয়ল অনুসৰি কমেও ১ কোটি ৪ লাখ মান হ'ব। ২০১০ চনৰ এক সমীক্ষাত অসম সাহিত্য সভাৰ কৰ্মকৰ্তা, ১২৬জন বিধায়ক, প্ৰাক্তন সাংসদ, বিধায়ক, প্ৰাক্তন আছু নেতা, অসমীয়া ভাষাৰ বিশিষ্ট বুদ্ধিজীৱী, বিশ্ববিদ্যালয়- মহাবিদ্যালয়, শিক্ষা বিভাগৰ বিশিষ্ট ব্যক্তি আদি অনেকক সামৰি মুঠ ৪, ৫১৯ গৰাকী ব্যক্তিৰ ১, ২৪৯ গৰাকীয়ে অসমীয়া ভাষাৰ মাধ্যম আৰু ৩, ২৭০ গৰাকীয়ে ইংৰাজী মাধ্যমৰ প্ৰতি দৰদ প্ৰকাশ কৰিছিল। অৰ্থাৎ বিশুদ্ধ অসমীয়া সকলৰ ৩১.০৮ শতাংশই অসমীয়া আৰু ৬৮.৯২ শতাংশই ইংৰাজী মাধ্যম বিচাৰে।" এই মন্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° জগদীশ পাটগিৰিৰ। যোৱা ২০ আগষ্টত কলংপৰীয়া শাখা সাহিত্য সভাৰ আতিথ্যত ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত অনুষ্ঠিত নগাঁও জিলা সাহিত্য সভাৰ ৫৪ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ড° পাটগিৰিয়ে এই মন্তব্য কৰি কয় যে, ব্ৰিটিছ ঔপনিৱেশিকতাবাদ নিঃশেষ হৈছে যদিও ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, শিক্ষা আনকি ভাষা-সাহিত্যৰ মাজত বৰ্তমানও ঔপনিবেশিকতাবাদ ব্যাপ্ত হৈ আছে। ভাষাৰ মৃত্যু ঘণ্টা বজাই ইংৰাজী ভাষাই প্ৰতিটো আঞ্চলিক ভাষাক প্ৰত্যাহ্বানেৰে থকা-সৰকা কৰি আহিছে। অসমত অসমীয়া ভাষাৰ প্ৰতি অৱহেলা হৈ থকাৰ কথা উল্লেখ কৰি তেওঁ লগতে কয় যে, অসমৰ বাহিৰে আন কোনো ৰাজ্যত ৰাজ্যভাষা ব্যৱহাৰৰ প্ৰতি অনীহা প্ৰকাশৰ নিদৰ্শন নাই। ভাৰতৰ উৰিষ্যা, পঞ্জাৱ, গুজৰাট, দক্ষিণ ভাৰতৰ ৰাজ্যৰ নাগৰিক সকলে সকলো কামতে সেই ৰাজ্যৰ ভাষা আশী শতাংশ ব্যৱহাৰ কৰে। অসমত ইয়াৰ বিপৰীত ছবি এখনহে দেখা পোৱা যায়। অসমত প্ৰায়বোৰ কামতে ইংৰাজী ভাষা ব্যৱহাৰ কৰা হয়। জনসাধাৰণৰ মাতৃভাষাৰ প্ৰতি অনীহাই ইয়াৰ মূল কাৰণ। অসম সাহিত্য সভাই ৰাজ্যভাষা আইনখন প্ৰয়োগ কৰিবলৈ অহৰহ প্ৰচেষ্টা কৰি অহাৰ কথা উল্লেখ কৰি ড° পাটগিৰিয়ে কয় যে, অসমৰ মানুহে নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ অস্তিত্ব ৰক্ষাৰ বাবে বহু আন্দোলন বিদ্ৰোহৰে ৰক্ত দিছে। এই ৰক্তৰ মূল্য আমি সকলোৱে দিব লাগিব। ১৯৬০ চনতে প্ৰয়োগ হোৱা ৰাজ্যভাষা আইনখন আজিও সৰ্বস্তৰত প্ৰয়োগ নকৰাটো আমাৰ বাবে চৰম দুৰ্ভাগ্যজনক কথা। ভাষা হৈছে জাতিৰ সত্বা। ভাষাপ্ৰেম, জাতিপ্ৰেমত বৰ্তমান অৱক্ষয়ৰ চিন স্পষ্ট বুলি ড° পাটগিৰিয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অসম সাহিত্য সভা অসমৰ জাতীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ সংগঠন বুলি মন্তব্য কৰি ড° পাটগিৰিয়ে কয় যে অৰ্থনৈতিকভাৱে দেশ শক্তিশালী নহ'লে যুৱশক্তি শক্তিশালী নহ'লে ভাষা-সংস্কৃতি কেতিয়াও শক্তিশালী হ'ব নোৱাৰে। নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সভাপতিত্ব কৰি দিয়া ভাষণত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে কয় যে, অসম সাহিত্য সভাৰ পতাকাখন এখন সাধাৰণ পতাকা নহয়, এইখন অসমীয়াৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু জাতীয় চেতনাৰ প্ৰতীক। এই পতাকাই আমাক আমাৰ শিপাৰ সৈতে সংযুক্ত হৈ থাকিবলৈ, অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰিবলৈ আৰু নতুন প্ৰজন্মৰ মাজত মাতৃভাষাৰ প্ৰতি সজাগ হৈ থকাৰ অনুপ্ৰেৰণা দিয়ে। নগাঁও জিলা সাহিত্য সভাৰ ৫৪ বছৰৰ এই যাত্ৰা কেৱল এটা সংগঠনৰ যাত্ৰা নহয়; ইয়াৰ লগত নগাঁও জিলাৰ সাহিত্য-সংস্কৃতিৰ এক দীঘলীয়া ইতিহাস জড়িত হৈ আছে। বহু সাহিত্যিক, কবি, লেখক, শিক্ষাবিদ আৰু সংস্কৃতিপ্ৰেমীৰ অক্লান্ত সাধনা আৰু ত্যাগে এই অনুষ্ঠানক আজিৰ পৰ্যায়লৈ লৈ আহিছে। তেওঁলোক আমাৰ সকলোৱে শ্ৰদ্ধাৰ পাত্ৰ। তেওঁ লগতে কয় যে, আজিৰ ডিজিটেল যুগত ভাষা আৰু সাহিত্যৰ সন্মুখত নতুন প্ৰত্যাহ্বান আহিছে। সেয়ে সাহিত্য সভাৰ দায়িত্ব আগতকৈ অধিক। আমাৰ সাহিত্যক নতুন প্ৰজন্মৰ হাতত তুলি দিয়াৰ লগতে ডিজিটেল মাধ্যমতো অসমীয়া ভাষাক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব লাগিব। ড° বৰকটকীয়ে আৰু কয় যে, নগাঁও সাহিত্য-সংস্কৃতিৰ উৰ্বৰ ভূমি। এই মাটিৰ পৰাই বহু প্ৰতিভাৰ সৃষ্টি হৈছে। সেই ঐতিহ্যক আগুৱাই নি ভাষা, সাহিত্য, সংস্কৃতি আৰু মানৱীয় মূল্যবোধৰ এক শক্তিশালী সেতু হিচাপে নগাঁও জিলা সাহিত্য সভাই আগন্তুক দিনতো কাম কৰি যাব লাগিব। আমাৰ মাতৃভাষা চিৰঞ্জীৱী হওক, অসমীয়া সাহিত্য অধিক সমৃদ্ধ হওক আৰু আমাৰ সাংস্কৃতিক ঐতিহ্য নতুন প্ৰজন্মৰ মাজত চিৰদিন জীয়াই থাকক। তেওঁ লগতে কয় যে, সাহিত্য কেৱল মনোৰঞ্জনৰ বিষয় নহয়। সাহিত্যই মানুহক, মানুহৰ সৈতে সংযোগ কৰে। সমাজক আত্মসমালোচনাৰ সুযোগ দিয়ে আৰু মানৱীয় মূল্যবোধক জীয়াই ৰাখে। সেয়ে সাহিত্য সভাৰ দায়িত্ব কেৱল সাহিত্য চৰ্চাতে সীমাবদ্ধ নহয়; ভাষা, সংস্কৃতি, মূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰতো সাহিত্য সভাই নেতৃত্ব দিব লাগিব বুলি ড° বৰকটকীয়ে মন্তব্য কৰে। নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক কুমুদ বৰাই আঁত ধৰা আৰু কলংপৰীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কমলাকান্ত বৰাই আদৰণি ভাষণ প্ৰদান কৰা সভাত নগাঁও জিলা সাহিত্য সভাৰ উপদেষ্টা দেৱ কুমাৰ বৰা, প্ৰাক্তন সভাপতিত্ৰয় ৰতিমোহন নাথ, থগিত মহন্ত, নিত্যানন্দ বৰা, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি হৰমোহন কলিতা, অসম সাহিত্য সভাৰ 'আকাশ' উপশমিতিৰ আহ্বায়ক বিনু লস্কৰ ঠাকুৰীয়া, কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মৃণাল হাজৰিকা, সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি নবীন বৰঠাকুৰ, সহকাৰী সম্পাদক মৃগাংক বৰা, প্ৰিয়াঙ্কু শৰ্মাৰ লগতে আৰতি মজুমদাৰ, মহেশ নাথ, ত্ৰিদিৱ লস্কৰ, সমাজকৰ্মী জয়ন্ত কুমাৰ বৰা, জ্যেষ্ঠ সাংবাদিকদ্বয় কনক হাজৰিকা, সভাৰাম মজুমদাৰ, কলংপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি গোলাপ বৰা, সম্পাদক দীপাংকৰ ভূএগ, যুটীয়া সম্পাদক জয়ন্ত বৰা, প্ৰাক্তন সভাপতি থুলেশ্বৰ বৰা, উদযাপন সমিতিৰ সম্পাদক গুণকান্ত বৰা, অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ প্ৰাক্তন কৰ্মচাৰী ৰমেশ মহন্ত আদিয়ে অংশগ্ৰহণ কৰে। সভাত সমাজসেৱক অশোক কুমাৰ বৰাক "কলংপৰীয়া জনসেৱা শিৰোমণি বঁটা" প্ৰদান কৰা হয়। সভাত লেখক খগেন্দ্ৰ নাথৰ "সৰ্বশক্তিমান" আৰু "আনন্দিবাঙ্গৈ" নামৰ গ্ৰন্থ দুখন সাহিত্যিক-সাংবাদিক গুৰমাইল সিং আৰু কলংপৰীয়া শাখা সাহিত্য সভাৰ সাঁকো আলোচনা চক্ৰৰ পুস্তিকা "ছন্দ" উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক কুশল বৰাই। সভাৰ আৰম্ভণিতে কেট্ৰিনা কাশ্যপৰ নেতৃত্বত লোকনৃত্য প্ৰদৰ্শন কৰা হয়। "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক গীত পৰিবেশনৰে আৰম্ভ হোৱা সভাত নৱমল্লিকা কাশ্যপ, বেদশ্ৰী কাশ্যপে বৰগীত, ধৃতিনয়না দেৱীয়ে নৃত্য, নৱমল্লিকা কাশ্যপে জুবিন সংগীত আৰু অৰ্চনা গোস্বামী, ৰূৱী বৰাই ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে। জাতীয় সংগীত পৰিবেশনৰে সভাৰ সামৰণি মৰা হয়। ইয়াৰ আগেয়ে পুৱা মূল পতাকা জিলা সাহিত্য সভাপতি ড° শৰৎ বৰকটকীয়ে উত্তোলন কৰাৰ লগতে ৫৪ জন বিশিষ্ট ব্যক্তিয়ে ৫৪খন পতাকা উত্তোলন আৰু ৫৪গছি বন্তি প্ৰজ্বলন কৰি দৃষ্টিনন্দন পৰিৱেশ সৃষ্টি কৰা পৰিলক্ষিত হয়। ❐

## সজাগতাৰ মাজতো উদ্বেগজনক পৰিস্থিতি

# যুৱপ্ৰজন্মৰ মাজত ড্ৰাগছৰ ভয়াবহতা

**অসম বাৰ্তা, মেৰাপানী, ২১ আগষ্ট ঃ** বৰ্তমান সময়ত সমাজৰ বাবে অন্যতম গুৰুতৰ প্ৰত্যাহ্বান হিচাপে থিয় দিছে ড্ৰাগছ আৰু বিভিন্ন নিচাজাতীয় সামগ্ৰীৰ প্ৰচলন। বিশেষকৈ যুৱপ্ৰজন্মৰ মাজত বৃদ্ধি পোৱা নিচাসক্তিক লৈ অভিভাৱক, শিক্ষক, শিক্ষাবিদ আৰু সচেতন মহলৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। কৌতূহল, বন্ধুৰ প্ৰৰোচনা, মানসিক চাপ তথা পাৰিপাৰ্শ্বিক পৰিৱেশৰ প্ৰভাৱত একাংশ যুৱক-যুৱতী নিচাজাতীয় সামগ্ৰীৰ প্ৰতি আকৃষ্ট হৈ পৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। ড্ৰাগছৰ আসক্তিয়ে কেৱল এজন ব্যক্তিৰ জীৱনলৈ অন্ধকাৰ নমাই নানে, ইয়াৰ প্ৰভাৱ পৰিয়াল আৰু সমাজলৈও বিস্তৃত হয়। নিচাৰ কবলত পৰি বহু যুৱকে শিক্ষা আৰু কৰ্মজীৱনৰ পৰা আঁতৰি যোৱাৰ লগতে শাৰীৰিক, মানসিক আৰু আৰ্থিকভাৱে বিপৰ্যস্ত হৈ পৰে। আনহাতে, নিচাৰ বাবে ধন সংগ্ৰহৰ উদ্দেশ্যে অপৰাধমূলক কাৰ্যকলাপত জড়িত হোৱাৰ আশংকাও বৃদ্ধি পায়। ইয়াৰ মাজতে ড্ৰাগছ আৰু অন্যান্য নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সজাগতা অভিযান তীব্ৰতৰ হোৱা পৰিলক্ষিত হৈছে। বিভিন্ন দল-সংগঠন, সামাজিক আৰু স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হৈছে সজাগতা সভা। এনে সভাসমূহত ছাত্ৰ-ছাত্ৰী আৰু যুৱসমাজক নিচাজাতীয় সামগ্ৰীৰ ভয়াৱহ পৰিণতিৰ বিষয়ে অৱগত কৰাৰ লগতে নিচাৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনোৱা হৈছে। আৰক্ষী, প্ৰশাসন, শিক্ষক, সমাজকৰ্মী আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সজাগতা কাৰ্যসূচীসমূহত ড্ৰাগছৰ বিৰুদ্ধে সামাজিক ঐক্য গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কেৱল সভা-সমিতিতে সীমাবদ্ধ নাথাকি বিভিন্ন সংগঠনে ৰেলী, আলোচনা চক্ৰ, প্ৰচাৰ অভিযান আৰু অন্যান্য জনসচেতনতামূলক কাৰ্যসূচীৰ জৰিয়তেও ড্ৰাগছবিৰোধী বাৰ্তা প্ৰচাৰ কৰি আহিছে। বিশেষকৈ বিদ্যালয় পৰ্যায়ৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক ড্ৰাগছৰ কু-প্ৰভাৱৰ বিষয়ে সজাগ কৰাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। অভিভাৱক, শিক্ষক আৰু সমাজৰ মাজত সুসমন্বয় স্থাপন কৰি যুৱপ্ৰজন্মৰ আচৰণ আৰু মানসিক পৰিৱৰ্তনৰ প্ৰতি সজাগ দৃষ্টি ৰখাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। বিশেষজ্ঞসকলৰ মতে, ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযানৰ লগতে পৰিয়াল আৰু সমাজৰ ভূমিকাও সমানেই গুৰুত্বপূৰ্ণ। যুৱসমাজক খেল-ধেমালি, সাংস্কৃতিক, শৈক্ষিক আৰু সৃষ্টিশীল কাৰ্যকলাপৰ সৈতে জড়িত কৰাৰ লগতে নিচাত আসক্ত লোকসকলক ঘৃণা বা সামাজিকভাৱে একাষৰীয়া কৰাৰ পৰিৱৰ্তে চিকিৎসা, পৰামৰ্শ আৰু পুনৰ্বাসনৰ জৰিয়তে স্বাভাৱিক জীৱনলৈ ঘূৰাই অনাৰ ব্যৱস্থা শক্তিশালী কৰিব লাগিব। ইফালে, ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সৰবৰাহৰ মূল উৎস আৰু চক্ৰৰ সৈতে জড়িত ব্যক্তিসকলক চিনাক্ত কৰি আইনগত ব্যৱস্থা গ্ৰহণৰ দাবীও উত্থাপিত হৈছে। বিশেষকৈ শিক্ষানুষ্ঠান আৰু যুৱসমাজৰ আশে-পাশে নিচাজাতীয় সামগ্ৰীৰ প্ৰৱেশ ৰোধ কৰাটো সময়ৰ অন্যতম দাবী হৈ পৰিছে। সুস্থ যুৱসমাজেই এখন সুস্থ আৰু শক্তিশালী সমাজৰ মূল ভেটি। সেয়েহে ড্ৰাগছৰ বিৰুদ্ধে যুঁজখন কেৱল চৰকাৰ, আৰক্ষী বা প্ৰশাসনৰ দায়িত্ব নহয়; পৰিয়াল, শিক্ষানুষ্ঠান, দল-সংগঠন, সামাজিক অনুষ্ঠান আৰু প্ৰতিজন সচেতন নাগৰিকৰ সামূহিক দায়িত্ব। বিভিন্ন সংগঠন আৰু শিক্ষানুষ্ঠানে অব্যাহত ৰখা সজাগতা অভিযানক অধিক ব্যাপক আৰু ধাৰাবাহিক কৰি তুলিব পাৰিলেহে যুৱপ্ৰজন্মক মাৰাত্মক ড্ৰাগছৰ কবলৰ পৰা ৰক্ষা কৰাৰ লগতে এখন সুস্থ আৰু নিচামুক্ত সমাজ গঢ়ি তোলা সম্ভৱ হ'ব।

## ১৩ সংখ্যক নৱাগত আদৰণি সভা সোণকোষ ডিগ্ৰী কলেজৰ

**অসম বাৰ্তা, গোসাঁইগাঁও, ২১ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ তেলিপাৰাস্থিত সোণকোষ ডিগ্ৰী কলেজৰ আজি নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। একাডেমিক কলেজ ভৱন নিৰ্মাণৰ ফিতা কাটি শুভাৰম্ভ কৰে দোতমাৰ বিধায়ক ৰবিৰাম নাৰ্জাৰী। সোণকোষ ডিগ্ৰী কলেজৰ সহকাৰী অধ্যাপক ড° আলোক জৌহলাও দৈমাৰী সঞ্চালনাত অনুষ্ঠিত হোৱা আদৰণি সভাত গোসাঁইগাঁও সমষ্টিৰ বিধায়ক শোভাৰাম বসুমতাৰী, বিধায়ক ৰবিৰাম নাৰ্জাৰী ছাত্ৰ -ছাত্ৰী সকলৰ উদ্দেশ্যি ভাষণ প্ৰদান কৰাৰ লগতে শিক্ষা প্ৰতিষ্ঠানখনৰ আন্তগাঁথনি সৱল কৰি তোলাৰ গুৰুত্ব প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। সভাত বিশিষ্ট সমাজ কৰ্মী জিৰেণ কুমাৰ বসুমতাৰীয়ে ছাত্ৰ-ছাত্ৰী সকলক মনোযোগ সহকৰে অধ্যয়ন কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। বিটিচিৰ শিক্ষা মন্ত্ৰী ৰবিৰাম নাৰ্জাৰী জানিবলৈ দিয়ে যে ইতিমধ্যে বিটিচিত ভেন্সাৰ স্কুল প্ৰাদেশিকীকৰণৰ বাবে এখন পৰ্টেল খুলিব তাতেই বিটিচিৰ সকলো অপ্ৰাদেশিকৃত বিদ্যালয় নিজ নিজ নথি-পত্ৰ আপলোড কৰিব লাগিব ইয়াৰ ভিতৰত যিবিলাক স্কুল আৰু বৈধ নথি-পত্ৰ থাকিব সেইবোৰ স্কুল প্ৰাদেশিকীকৰণৰ আওতাত আহিব।

## ডুমডুমাত চিপিআই (এম)-ৰ দাবী দিৱস পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ আগষ্ট ঃ** অসমৰ চাৰিখন জিলাত শেহতীয়াকৈ সংঘটিত প্ৰলয়ংকৰী বানপানীৰ কাৰণসমূহৰ তদন্ত, ৰাজ্যখনৰ বান সমস্যাৰ স্থায়ী সমাধান, বানপীড়িত লোকসকলৰ বাবে পৰ্যাপ্ত সাহায্য আৰু পুনৰ সংস্থাপনকে ধৰি ১৪ দফীয়া দাবীৰ সমৰ্থনত ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)এ শুকুৰবাৰে সমগ্ৰ অসমতে দাবী দিৱস পালন কৰে। এই কাৰ্যসূচীৰ অংশ হিচাপে দলৰ বিভিন্ন আঞ্চলিক সমিতিয়ে স্থানীয় প্ৰশাসনৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰদান কৰে। স্মাৰক-পত্ৰত ৰাজ্যখনৰ বান আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে ফলপ্ৰসূ আৰু দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণৰ লগতে শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলক পৰ্যাপ্ত সাহায্য আৰু পুনৰ সংস্থাপনৰ দাবী উত্থাপন কৰা হয়। ডুমডুমাত দলটোৰ ডুমডুমা আৰু কাকপথাৰ আঞ্চলিক সমিতিয়ে ডুমডুমা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে বিভিন্ন দাবীৰ সমৰ্থনত শ্লোগান দিয়াৰ লগতে পিছত ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

## ৰহাত দুৰ্গোৎসৱ সমিতিৰ সভা সম্পন্ন

**অসম বাৰ্তা, ৰহা, ২১ আগষ্ট ঃ** সমাগত দুৰ্গা পূজা প্ৰতি বছৰৰ দৰে এই বছৰো ৰহা পুৰণি চাৰিআলি দুৰ্গোৎসৱ সমিতিয়ে দুৰ্গোৎসৱ অনুষ্ঠিত কৰা মানসৰে পুৰণি সমিতি ভঙ্গ কৰি নতুন সমিতি গঠন কৰা হয়। এই বৰ্ষত ৭ লাখ টকাৰ বাজেট নিৰ্ধাৰণ কৰি আগন্তুক দুৰ্গোৎসৱৰ প্ৰস্তুতি আৰম্ভ কৰে। উল্লেখযোগ্য যে এইবাৰ দুৰ্গোৎসৱৰ উৎসৱ অহা ১৬ অক্টোবৰৰ পৰা আৰম্ভ হ'ব। ইয়াকে লক্ষ্য কৰি যোৱা দেওবাৰে ৰহা মজলীয়া বিদ্যালয়ত সমিতিৰ উপদেষ্টা মহেন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত এখন সভাত চন্দন জ্যোতি ভূএগক সভাপতি আৰু মৃদুল হাজৰিকাক সম্পাদক হিচাপে নিৰ্বাচন কৰি দুৰ্গোৎসৱ আয়োজন সমিতি গঠন কৰা হয়। উক্ত সভাখনত বহু লোকৰ সমাগম আৰু গুৰুত্বপূৰ্ণ পৰামৰ্শ ই সভাখনৰ সফলতা লাভ কৰে। সদৌ শেষত নতুন সমিতিৰ ফালৰ পৰা সকলো ৰাইজৰ সহায় সহযোগ আৰু আশীৰ্বাদ কামনা কৰিছে।

## কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল অঞ্চল ১০ নে ১ কিলোমিটাৰ?

কাৰ্বি ৰাইজৰ এগৰাকী প্ৰতিনিধিয়ে কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ-সংবেদনশীল অঞ্চল ১০ কিলোমিটাৰ হ'লে আটাইতকৈ বেছি প্ৰভাৱিত হ'ব কাৰ্বি-আংলং স্বায়ত্তশাসিত পৰিষদৰ চুছেনধেণ্টা আৰু দ্বাৰ-বাগৰি সমষ্টি। দ্বাৰ-বাগৰি সমষ্টিৰ সদস্য হিচাপে তেওঁলোকে ১০ কিলোমিটাৰ ESZৰ ঘোৰ বিৰোধিতা কৰে। তেওঁ লগতে কয় যে অসম চৰকাৰে কাজিৰঙাৰ ESZৰ সীমা দুমাহৰ ভিতৰত চিনাক্ত কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছে। কিন্তু এই দুমাহত যদি চৰকাৰে কোনো সিদ্ধান্ত নলয়, তেনেহ'লে তেওঁলোকে ইয়াতকৈ বৃহৎ আন্দোলন গঢ়ি তুলিব। কাৰ্বি ৰাইজে কংগ্ৰেছ নেতাসকলক সকিয়াই দিয়ে যে এই বিষয়ত ৰাজনীতি নকৰিব। তেওঁলোকৰ মতে, গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়ৰ পৰা বহি কেৱল ১০ কিলোমিটাৰ ESZৰ দাবী জনোৱা নেতাসকলে কাজিৰঙাৰ আশে-পাশে থকা বাসিন্দাসকলৰ প্ৰকৃত সমস্যা নুবুজেই এনে মন্তব্য কৰিছে। প্ৰতিবাদীসকলে কয় যে কাজিৰঙাৰ কাৰণে তিনিটা পুৰুষে বৰ্তমানৰ ৰাষ্ট্ৰীয় উদ্যানৰ বাবে ভূমি এৰি পাহাৰত বাস কৰি আছে। তাত অসমীয়া আৰু আদিবাসী গাঁও আছিল। এতিয়া ইক' ছেনছেটিভ জ'নৰ নামত যদি ১০ কিলোমিটাৰ কৰে তেন্তে তেওঁলোকে ক'ত থাকিব? বাগৰি হাইস্কুল আৰু জয়সিং দলৈ আদৰ্শ গাঁৱৰ বাসিন্দালৈ কাৰ্বি আংলং জিলাৰ বন বিভাগৰ পৰা জাননী আহিছে যে নতুন নিৰ্মাণ বন্ধ কৰিব লাগে। সেয়ে তেওঁলোকে গৌৰৱ গগৈ আৰু ৰতন ইংতিক সকিয়াই দিছে যে এই বিষয়ত ৰাজনীতি নকৰিব। স্মাৰকপত্ৰখনত কাৰ্বি লোকসকলে তেওঁলোকৰ প্ৰধান আশংকাসমূহ উল্লেখ কৰিছে। তেওঁলোকে কয় যে যদিও তেওঁলোকে কাজিৰঙা আৰু ইয়াৰ বন্যপ্ৰাণীৰ সংৰক্ষণক সম্পূৰ্ণ সমৰ্থন কৰে, তথাপি ESZৰ কঠোৰ নিয়মাৱলীয়ে স্থানীয় লোকসকলৰ জীৱিকা, বাসস্থান, কৃষি, ভূমি ব্যৱহাৰ, ব্যৱসায়-বাণিজ্য আৰু উন্নয়নমূলক কাৰ্যকলাপত প্ৰভাৱ পেলাব পাৰে। স্থানীয় বাসিন্দাসকলে তেওঁলোকৰ আইনী ভূমিত ঘৰ নিৰ্মাণ, মেৰামতি বা নবীকৰণৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব পাৰে। কৃষি, ক্ষুদ্ৰ ব্যৱসায় আৰু আত্মসংস্থাপনমূলক কাৰ্য-কলাপত অতিৰিক্ত বাধা-নিষেধ আৰু জটিল প্ৰক্ৰিয়াৰ সৃষ্টি হ'ব পাৰে। এই নিয়মাৱলীয়ে স্থানীয় ভূমিৰ আইনী ব্যৱহাৰ, হস্তান্তৰ আৰু অৰ্থনৈতিক মূল্যত প্ৰভাৱ পেলাব পাৰে। পথ, বিদ্যালয় আৰু স্বাস্থ্যসেৱাৰ দৰে অপৰিহাৰ্য আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত অতিৰিক্ত বাধাৰ সৃষ্টি হ'ব পাৰে। এনে পৰিস্থিতিত কাৰ্বি ৰাইজে দুটা বিশেষ দাবী স্মাৰকপত্ৰৰ যোগেদি মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিছে। প্ৰথম দাবীটো হৈছে যে জনবসতিপূৰ্ণ আৰু পুৰণি বসতিস্থলত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ-সংবেদনশীল অঞ্চল (ESZ) শূন্য কিলোমিটাৰ হ'ব লাগে। কাৰণ ঐতিহাসিকভাৱে পুৰণি আৰু জনবসতিপূৰ্ণ অঞ্চলসমূহ, য'ত প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি মানুহে বসবাস কৰি আহিছে, তাত এই অঞ্চল শূন্য কিলোমিটাৰতে সীমিত ৰাখিব লাগে। দ্বিতীয় দাবীটো হৈছে যে অন্যান্য অঞ্চলত সৰ্বাধিক ৰ কিলোমিটাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ-সংবেদনশীল অঞ্চল (ESZ) হ'ব লাগে। জনবসতিপূৰ্ণ অঞ্চলৰ বাহিৰৰ ঠাইসমূহ, বিশেষকৈ বনাঞ্চলৰ কাষৰীয়া এলেকাসমূহৰ বাবে এই সীমা সৰ্বাধিক ৰ কিলোমিটাৰ হ'ব লাগে। প্ৰতিবাদীসকলে কয় যে এই পদক্ষেপে বন্যপ্ৰাণী সংৰক্ষণ আৰু স্থানীয় জনসাধাৰণৰ অধিকাৰ, জীৱিকা তথা উন্নয়নৰ প্ৰয়োজনীয়তাৰ মাজত এক উচিত ভাৰসাম্য বজাই ৰাখিব পাৰিব। সেয়েহে, ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীক কাজিৰঙাৰ আশে-পাশে থকা লোকসকলৰ প্ৰকৃত চিন্তাসমূহ বিবেচনা কৰিবলৈ আৰু চূড়ান্ত পৰিৱেশ-সংবেদনশীল অঞ্চলৰ সীমা নিৰ্ধাৰণে যাতে স্থানীয় ৰাইজৰ বাবে কোনো অপ্ৰয়োজনীয় কষ্ট বা অনিশ্চয়তাৰ সৃষ্টি নকৰে, তাক নিশ্চিত কৰিবলৈ আহ্বান জনায়। কাৰ্বি ৰাইজে স্পষ্ট কৰি দিছে যে অসম চৰকাৰে আগতীয়াকৈ ESZৰ সীমা চিনাক্ত কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছে, আৰু যদি সেই দুমাহৰ ভিতৰত কোনো সিদ্ধান্ত নাহে, তেন্তে তেওঁলোকে অধিক তীব্ৰ আন্দোলন গঢ়ি তুলিব।

# বিধ্বংসী বানত সহস্ৰাধিক লোকৰ প্ৰাণ বচালে শ্ৰৱণ, নাৰায়ণ, ৰাজকুমাৰ, ৰবিসহ ২৭ জনীয়া দলে

## বিহুবৰত ৰিয়েল হিৰ'জৰূপে পৰিচিত হৈ পৰিল দলটো



**অসম বাৰ্তা, নামতি, ২১ আগষ্ট ঃ** যোৱা ১৯ জুলাইত উজনি অসমত সৃষ্টি হোৱা বিধ্বংসী বানত নিজৰ জীৱনকো তুচ্ছজ্ঞান কৰি সহস্ৰাধিক লোকৰ জীৱন ৰক্ষা কৰি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে এটা ২৭ জনীয়া দল। উক্ত দিনা মুহূৰ্তৰ ভিতৰতে দিখৌৰ নদীৰ বলিয়া বানে শিৱসাগৰ জিলাৰ নাজিৰা সমজিলাৰ বিহুবৰ শিলনীত সৃষ্টি কৰিছিল বিভিষীকাময় পৰিৱেশৰ। নদীখন যেন সেইদিনা নদী হৈ থকা নাছিল পৰিণত হৈছিল সাগৰলৈ। চুনামি সদৃশ প্ৰবল ঢৌৱে এফালৰ পৰা চাৰখাৰ কৰি নিছিল তেওঁলোকৰ সপোনৰ গাঁওখনৰ লগতে নিকটৱৰ্তী গাঁওসমূহ। চাৰিওফালে কেৱল প্ৰাণৰ মমতাত নৈ পৰীয়া লোকসকলৰ মৰণকাতৰ আৰ্তনাদ, পশুধনৰ চিঞৰ আদিয়ে সৃষ্টি কৰিছিল বিভিষীকাৰ। সকলোৱে প্ৰাণৰ মমতাত পানীৰ মাজতে সংগ্ৰাম কৰিছিল। কোনোবাই যদি পৰিয়াল সহিতে আশ্ৰয় লৈছিল ঘৰৰ মুধচত আন কোনোৱে গছত উঠি জীৱন ৰক্ষা কৰিবলৈ চেষ্টা চলাইছিল। অতি কম সময়ৰ ভিতৰতে দিখৌ নদীৰ প্ৰবল বানে তচনচ কৰি তোলা অঞ্চলটোত এচডিআৰএফ বা এনডিআৰএফৰ নাও বাবে উদ্ধাৰকাৰ্যলৈ অপেক্ষা নকৰি তেনে সময়তে দেৱদূতৰ দৰে সেইসকল লোকৰ ওচৰত উপস্থিত হৈছিল শ্ৰৱণ, নাৰায়ণ আদিৰ দৰে ৰিয়েল হিৰ'জৰ এটা দল। নিজৰ হাতত থকা ছয়খন সৰু নাওৰ সহায়ত ২৭ জনীয়া দলটো ছয় সাতজনকৈ বিভক্ত হৈ নামি পৰিছিল বানত আৱদ্ধ হৈ পৰা লোকসকলক উদ্ধাৰ অভিযানত। দিনৰ প্ৰায় ১১ বজাৰ পৰা নিশা এক দুই বজালৈকে দলটোৱে উদ্ধাৰ অভিযান চলাই বিহুবৰ শিলনী, নেপালীখুটী, মিৰ্দ্ধাবস্তি, চিগনেলবস্তি, নতুনবস্তি আদি কেইবাখনো গাঁৱৰ প্ৰায় বাৰশ তেৰশ মানুহক উদ্ধাৰ কৰিছিল দলটোৱে। নদীৰ কোৱাল সোঁত আৰু বাঢ়নী পানীত উটি অহা প্ৰকাণ্ড গছ, গছৰ ডাল, বাঁহ আদিয়ে উদ্ধাৰকাৰী দলটোলৈ লৈ আহিছিল তীব্ৰ প্ৰত্যাহ্বানৰ। নাও চালনাত সিদ্ধহস্ত দলটোৱে সেই তীব্ৰ প্ৰত্যাহ্বানকো নেওচি এই সময়ছোৱাত চলোৱা অভিযানে সহস্ৰাধিক লোকৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। দলটোৱে এই লোকসকলক উদ্ধাৰ নকৰা হলে হয়তো বানপানীত মৃত্যু হোৱা লোকৰ সংখ্যা শতাধিক হোৱাৰ পৰিৱৰ্তে সহশ্ৰাধিকলৈ পৰিণত হলহেতেন। লোকৰ পেটিত খুদকণো পৰা নাছিল যদিও সেইবোৰলৈ ভ্ৰূক্ষেপ নকৰি দলটোৱে একমাত্ৰ মানুহৰ জীৱন বচোৱাতব্ৰতী হৈছিল। ৰাতি দুই বজাৰ পিছত পোহৰৰ অভাৱত উদ্ধাৰকাৰ্য চলাব নোৱাৰি ক্লান্ত শৰীৰ লৈ দলটোৱে অভিযান সামৰণি মাৰিছিল যদিও পিছদিনা পুৱা পুনৰ নামি পৰিছিল উদ্ধাৰ অভিযানত। দলটোত আছিল শ্ৰৱণ প্ৰসাদ, নাৰায়ণ চৌধুৰী, ৰাজকুমাৰ ৰাজভৰ, ৰবি ৰাজভৰ, কুকিল দাস, মোহন চৌধুৰী, চৌহন চৌধুৰী, ৰাজেশ চৌধুৰী, মিঠু চৌধুৰী, কামেশ্বৰ চৌধুৰী, দিপক চৌধুৰী, বিকি চৌধুৰী, অজয় মাঝি, ৰাজু মাঝি, বাবলু মাঝি, পৰবেশ মাঝি, অনিৰুদ্ধ চৌধুৰী, কানহাইয়া চৌধুৰী, আনন্দ মাঝি, জগদীশ ৰাজভৰ, মুক্তি ৰাজভৰ, বজৰংগী ৰাজভৰ, বুদ্ধু মাঝি, বিমল কৰ, বাহাদুৰ গড় আৰু দিপক মাঝি। এই দলটোত থকা সকলোবোৰ সদস্য বয়স আছিল ২০ বছৰৰ পৰা ৪০-৪২ বছৰ। কিন্তু দলটোৰ অন্যতম সদস্য অনিৰুদ্ধ চৌধুৰীৰ বয়স আছিল ৬৬ বছৰ। ষাঠিউৰ্ধৰ চৌধুৰীয়েও দিনৰ পৰা দুপৰ নিশালৈকে নিজৰ জীৱনৰ কথা চিন্তা নকৰাকৈ নিৰন্তৰে নামি পৰিছিল বানত ককবকাই থকা লোকৰ প্ৰাণ বচোৱাত। উল্লেখযোগ্য যে দিখৌ নদীৰ কাযত কেইবাদশক কাল ধৰি বসতি কৰা এই নৈ পৰীয়া এই লোকসকলে দিখৌ নদীৰ সৰু সুৰা বান বছৰ বছৰ ধৰি প্ৰত্যক্ষ কৰি আহিছে আৰু দিখৌ নদীৰ লগত তেওঁলোক একাত্মভাৱে জড়িত। মূলতঃ নাও চলাই জীৱিকা নিৰ্বাহ কৰা এই লোকসকলে পূৰ্বে কোনো কালেই দেখা নাছিল শান্ত শিষ্ট দিখৌ নদীৰ এনে কালৰূপ। সেই বিভীষিকাময় দিনটোৰ কথা সুঁৱৰি এনেই প্ৰতিবেদকৰ আগত দলটোৰ অন্যতম ষাঠিউৰ্ধৰ চৌধুৰীয়ে কয়, মোৰ বয়স ৬৬ বছৰ, দিখৌৰ বুকুতে জীৱন পাৰ কৰিছো কিন্তু কোনোদিনে দিখৌ এই কালৰূপ দেখা নাই। সেই সময়ত লাগিছিল নে বুলি সোধা প্ৰশ্নৰ উত্তৰত চৌধুৰীয়ে কয় বাঢ়নী পানীলৈ কোনোদিনে ভয় কৰা নাই মই মাথোঁ আনৰ জীৱন তেনেকৈ সুৰক্ষিত কৰিব পাৰো তাৰ কথাহে চিন্তা কৰিছিলো। দলটোৰ থকা যুৱক শ্ৰৱণ প্ৰসাদে সেই দিনটোৰ কথা সুঁৱৰি কয়, সময়ৰ মূল্য কি সেয়া সঠিকভাৱে উপলব্ধি কৰিছিলো সেই সময়ত। কিছু দেৰি হোৱা হলেই বহুলোকক উদ্ধাৰ কৰিব নোৱাৰিলোহেতেন। উদ্ধাৰকাৰ্যৰ মাজতে মোৰ ভাইটীয়ে মোক ফোনত বানত আৱদ্ধ হৈ পৰা বুলি জনোৱাৰ পিছত মই ভাইটী ঘৰৰ ওখ ঠাইত আশ্ৰয় লবলৈ কৈ আবেলি প্ৰায় ৪ বজাত উদ্ধাৰ কৰিছিলো। সেই সময়ছোৱাত প্ৰচণ্ড ভোক আৰু পিয়াহৰ তাড়নাত আমি উটি অহা প্লাষ্টিকৰ বৈয়াম পোৱা বুট আদি খোৱাৰ. গতেখালী বটলত বানপানী ভৰাই কিছুদেৰি ৰাখি সেই পানী খায়েই পিয়াহ দুৰ কৰিছিলো বুলি জানিবলৈ দিয়ে শ্ৰৱণে। নাৰায়ণ চৌধুৰীৰ মতে, সেইদিনটো কোনোদিনে পাহৰিব নোৱাৰিম। চকুৰ সন্মুখতে ঘৰৰ মুধচত আশ্ৰয় লৈ থকা কেইবাটাও পৰিয়ালক ঘৰৰ সৈতে বাঢ়নী পানীত উটি যোৱা শিহৰণকাৰী দৃশ্য দেখিছিলো। আমি আমাৰ এই সৰু নাওকেইখনেৰে উদ্ধাৰ কাৰ্য নচলোৱা হলে বহু লোক আজি আমাৰ মাজত নাথাকিলহেঁতেন।

## বেকী নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ দাবীত বিধায়ক শ্বেৰমান আলী আহমেদলৈ মুকলি চিঠি

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২১ আগষ্ট ঃ** মন্দিয়া সমষ্টিৰ অন্তৰ্গত বানিয়াৰাপাৰা-বাংলিপাৰা, কাছুকাটি-ডাউকমাৰীকে ধৰি কেইবাখনো গাঁৱত বেকী নদীৰ ভয়ংকৰ গৰাখহনীয়াই দীৰ্ঘদিন ধৰি ৰাইজৰ জীৱন-জীৱিকা, কৃষিভূমি আৰু মাটি-ভেটিৰ প্ৰতি ভাবুকি সৃষ্টি কৰি আহিছে। এনে পৰিস্থিতিত গৰাখহনীয়া প্ৰতিৰোধৰ দাবীত সমষ্টিটোৰ জনপ্ৰতিনিধি শ্বেৰমান আলী আহমেদলৈ এখন মুকলি চিঠি প্ৰেৰণ কৰিছে অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজে। মুকলি চিঠিখনত ৰাইজে উল্লেখ কৰে যে বিগত সময়ছোৱাত গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত পৰ্যাপ্ত আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত কাছুকাটি আৰু ডাউকমাৰী গাঁৱৰ বিস্তীৰ্ণ অঞ্চল গৰাখহনীয়াত নিশ্চিহ্ন হোৱাৰ লগতে বানিয়াৰাপাৰা আৰু বাংলিপাৰা গাঁৱৰো কেইবা শ বিঘা কৃষিভূমি বেকী নদীৰ বুকুত জাহ গৈছে। ফলত বহু পৰিয়ালে নিজৰ মাটি-ভেটি, কৃষিভূমি আৰু জীৱিকাৰ সম্বল হেৰুৱাই সৰ্বস্বান্ত হ'বলগীয়া হৈছে। ৰাইজে মুকলি চিঠিখনত কয় যে গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ আশাত তেওঁলোকে জনপ্ৰতিনিধি শ্বেৰমান আলী আহমেদৰ ওপৰত আস্থা প্ৰকাশ কৰিছে। সেয়েহে ৰাইজৰ এই আশা আৰু বিশ্বাসক গুৰুত্ব দি বেকী নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে তৎকালীন, কাৰ্যকৰী আৰু বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনপ্ৰতিনিধিগৰাকীক আহ্বান জনোৱা হৈছে। বিশেষকৈ বানিয়াৰাপাৰা—বাংলিপাৰা অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জৰুৰীভাৱে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি নৈপৰীয়া ৰাইজৰ মাটি-ভেটি, কৃষিভূমি আৰু জীৱন-জীৱিকা সুৰক্ষিত কৰাৰ ক্ষেত্ৰত বিধায়কগৰাকীৰ সক্ৰিয় হস্তক্ষেপ কামনা কৰিছে অঞ্চলবাসীয়ে। ৰাইজৰ আশা- এইবাৰ প্ৰতিশ্ৰুতি নহয়, বেকী নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত দৃশ্যমান আৰু স্থায়ী পদক্ষেপ।

# ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত দেশৰ ১৫ সংখ্যক 'ৰেয়াৰ ডিজিছ'ৰ কেন্দ্ৰ মুকলি

## চলিত বৰ্ষত অত্যাধুনিক লেবৰেটৰী নিৰ্মাণ সম্পূৰ্ণ হ'ব




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ আগষ্ট ঃ** ভাৰত চৰকাৰৰ স্বাস্থ্য বিভাগৰ এন পি আৰ ডি ২০২০-২০২১ আঁচনিৰ অধীনত আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হস্পিটেলত 'চেণ্টাৰ অৱ এক্সিলেঞ্চ ফৰ ৰেয়াৰ ডিজিছ'ৰ এটি কেন্দ্ৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে এছ এছ চি বিল্ডিঙৰ প্ৰথম মহলাত 'পেচেণ্ট এৱাৰনেছ এণ্ড ট্ৰিটমেণ্ট ইনিচিয়েটিভ ডেক্সত সাংবাদিক তথা ৰাইজক সম্বোধি চিকিৎসানুষ্ঠানটিৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে কয় যে সমগ্ৰ দেশৰ ভিতৰত এই কেন্দ্ৰটি হৈছে পোন্ধৰ সংখ্যক কেন্দ্ৰ। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত মণিপুৰত থকা কেন্দ্ৰটোৰ পিছতে অসম চিকিৎসা মহাবিদ্যালয় হৈছে দেশৰ শেষৰটো কেন্দ্ৰ। ইয়াৰ দ্বাৰা অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যৰ 'ৰেয়াৰ ডিজিছ'ৰ ৰোগীসকল বিশেষভাৱে উপকৃত হ'ব। কেন্দ্ৰটোৰ কাম-কাজ আৰু লক্ষ্য-উদ্দেশ্য সম্পৰ্কত ব্যাখ্যা কৰি ডাঃ কাকতিয়ে কয় যে 'ৰেয়াৰ ডিজিছ' হৈছে প্ৰতি এক লাখ শিশুৰ জন্মৰ বিপৰীতে যদি এজনতকৈ কম ৰোগী থাকে তেন্তে সেইখিনি 'ৰেয়াৰ ডিজিছ'ৰ অন্তৰ্ভুক্ত বুলি কোৱা হয়। ভাৰতবৰ্ষত বিশাল জনসংখ্যাৰ বিপৰীতে এই ৰোগীৰ সংখ্যা লাখৰো অধিক হ'ব। এই সংখ্যা দিনক দিনে বৃদ্ধি পাই গৈ থাকিব। ব্যক্তি হিচাপে প্ৰত্যেকজন লোকৰে যিহেতু চিকিৎসা লাভ কৰাৰ অধিকাৰ থাকে; সেয়ে এই শ্ৰেণীভুক্ত ৰোগৰ ৰোগীসকল বংশগত আৰু যাৰ পৰিয়ালত এই ৰোগটো আছে সেয়া বেলেগ বেলেগ বয়সত বেলেগ বেলেগ ৰোগত দেখা যায়। সৰহ সংখ্যক ৰোগীৰ শিশু অৱস্থাতে আৰম্ভ হয়। আনকি মাতৃৰ গৰ্ভাৱস্থাতো সন্তান এই ৰোগত আক্ৰান্ত হ'ব পাৰে। স্নায়ুতন্ত্ৰ, লিভাৰ, ৰক্ত ইত্যাদি এশৰো অধিক শৰীৰৰ অংগ-প্ৰত্যংগত এই ৰোগ হ'ব পাৰে বাবে ৰোগৰ চিকিৎসাও ভিন্ন হ'ব পাৰে। শেহতীয়াকৈ ইয়াৰে কিছুসংখ্যক ৰোগৰ ঔষধ আৱিষ্কাৰ হৈছে যদিও ই অত্যন্ত ব্যয়বহুল। ইয়াৰে বহু ৰোগৰ চিকিৎসাৰ সময় এক দশক বা জীৱনজোৰাও হ'ব পাৰে। এইসকল ৰোগীৰ বাবে চৰকাৰে গ্ৰহণ কৰা চিকিৎসা ব্যৱস্থা কেন্দ্ৰটোৰ অধীনত ৰোগী হিচাপে চিহ্নিত প্ৰতি গৰাকী ৰোগীয়ে ৫০ লাখ টকাপৰ্যন্ত ঔষধ লাভ কৰিব বুলিও ডাঃ কাকতিয়ে জানিবলৈ দিয়ে। সেয়ে এইক্ষেত্ৰত ডাঃ কাকতিয়ে বিশেষকৈ শিশু সকলৰ অভিভাৱকক এনে ৰোগত আক্ৰান্ত বুলি সন্দেহ কৰা শিশুক অতি শীঘ্ৰে নিকট চিকিৎসালয়ত স্বাস্থ্য পৰীক্ষা কৰাৰ বাবে আহ্বান জনায়। অৱশ্যে এই ৰোগত আক্ৰান্ত হোৱাৰ পূৰ্বে কৰিবলগীয়া চিকিৎসা সম্পৰ্কীয় পৰীক্ষা সমূহৰ খৰচ সম্প্ৰতি উক্ত ৫০ লাখ টকাৰ ভিতৰত অন্তৰ্ভুক্ত নহ'ব বুলিও ডাঃ কাকতিয়ে স্পষ্ট কৰি দিয়ে। আজিৰ এই দিনটো সকলোৰে বাবে এক মাইলৰ খুঁটি হৈ ৰ'ব বুলিও উল্লেখ কৰি ডাঃ কাকতিয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তিনিবাৰকৈ কৰা আবেদন আৰু পৰিদৰ্শনৰ অন্তত এই কেন্দ্ৰ লাভ কৰাৰ বাবে ভাৰত চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ ত্ৰিপুৰা, গুৱাহাটী, তেজপুৰ, নগাঁও, তিনচুকীয়াকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ১৭ গৰাকী ইতিপূৰ্বে এই ৰোগত আক্ৰান্ত ৰোগীক উক্ত আঁচনিৰ অধীনত আনুষ্ঠানিক ভাৱে ছয়মাহৰ বাবে প্ৰয়োজনীয় ঔষধ বিতৰণ কৰা হয়। আনহাতে এই ৰোগ চিহ্নিত কৰিব পৰাকৈ পাঁচ কোটি টকাৰ প্ৰয়োজনীয় এটা অত্যাধুনিক লেবৰেটৰীৰ নিৰ্মাণৰ কাম চলিত বৰ্ষতে সমাপ্ত হ'ব বুলিও অধ্যক্ষ কাকতিয়ে জানিবলৈ দিয়ে। এই ৰোগত আক্ৰান্ত বিশিষ্ট লেখিকা শৰ্মিষ্ঠা প্ৰীতমে নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে 'ৰেয়াৰ ডিজিচ'ত ভোগা ৰোগী সকলৰ প্ৰতি পূৰ্বে চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল যদিও অসম চিকিৎসা মহাবিদ্যালয় কতৃৰ্পক্ষই আমাৰ বাবে যি কৰিছে তাৰ ভাষা নাই। আমাৰ এক দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল। অনুষ্ঠানত এএমচিএইছৰ উপাধ্যক্ষ ডাঃ ৰীমা নাথ, নিউৰ'লজি বিভাগৰ মুৰব্বী অধ্যাপক বিনোদ শৰ্মা, কেন্দ্ৰটোৰ ন'ডেল অফিচাৰ তথা মেডিচিন বিভাগৰ অধ্যাপক ডাঃ অনুপম দত্ত, শিশুৰোগ বিভাগৰ মুৰব্বী অধ্যাপক অৰ্পিতা গগৈ, চাৰ্জাৰী বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ ছাজিদ আহমেদ, পেথ'লজি বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ প্ৰণীতা মেধি, ৰেডিঅ'লজি বিভাগৰ মুৰব্বী অধ্যাপক ডাঃ প্ৰণামী বৰাকে ধৰি কৰ্মচাৰী, চিকিৎসক আৰু ৰোগীসকলৰ পৰিয়াল উপস্থিত থাকে।

### মত বিনিময় কৰিলে জিলাখনৰ উচ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধানৰ সৈতে

# তিনিচুকীয়াত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ জৈন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২১ আগষ্ট ঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ জৈন বৃহস্পতিবাৰে আহি তিনিচুকীয়াত উপস্থিত হয়। বৃহস্পতিবাৰে অধ্যক্ষগৰাকীয়ে তিনিচুকীয়াৰ কনভেনচন হলত শিক্ষা বিভাগৰ এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰে। উক্ত সভাত তিনিচুকীয়া জিলাৰ আয়ুক্ত সুমিত চট্টাৰন, তিনিচুকীয়া জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিপ্তি শৰ্মা প্ৰমুখ্যে বিষয়াসকল উপস্থিত আছিল। শুকুৰবাৰে বিয়লি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষগৰাকীয়ে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰত জিলাখনৰ সকলো উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধানসকলৰ সৈতে এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চৈতন্য বৰাই আঁত ধৰা অনুষ্ঠানটিত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ জৈনে দেশত 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০' প্ৰৱৰ্তনৰ পিছত দেশৰ লগতে অসমৰ শিক্ষা ক্ষেত্ৰত অহা পৰিৱৰ্তনসমূহৰ বিষয়ে উল্লেখ কৰে। অসমৰ শিক্ষাৰ গুণগত মান উন্নত কৰিবলৈ এতিয়াও আৰু বহু কাম কৰিবলগীয়া আছে বুলি কৈ জৈনে অসমৰ শিক্ষাৰ্থীসকলক সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত ফেৰ মাৰিব পৰাকৈ গুণগতভাৱে গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষক সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব বুলি কয়। এগৰাকী শিক্ষকে কিদৰে এজন ছাত্ৰ বা ছাত্ৰীৰ জীৱন সলনি কৰি দিব পাৰে সেই কথা তেখেতে নিজৰ জীৱনৰ উদাহৰণ দি বুজাই দিয়ে। তেওঁ লগতে কয় যে কেৱল ভাল নম্বৰ লাভ কৰাটোৱেই এজন শিক্ষাৰ্থীৰ মুল্যায়ণৰ শেষ মাপকাঠী হ'ব নোৱাৰে। কোনো এটা বিষয়ত এশ শতাংশ নম্বৰ লাভ কৰা এজন শিক্ষাৰ্থীৰো বিষয়টোৰ ওপৰত সম্পূৰ্ণ জ্ঞান নাথাকিব পাৰে আৰু তেওঁতকৈ কম নম্বৰ পোৱা শিক্ষাৰ্থী এজনৰ তেওঁতকৈ বেছি জ্ঞান থাকিব পাৰে। 'ৰাষ্ট্ৰীয় শিক্ষানীতি - ২০২০'এ নম্বৰতকৈ জ্ঞান অৰ্জনত অধিক গুৰুত্ব প্ৰদান কৰা বুলি উল্লেখ কৰি জৈনে আৰু কয় যে ইয়াৰ পৰিপ্ৰেক্ষিততে বিগত পাঁচ বছৰৰ পৰা পৰীক্ষাৰ প্ৰশ্নসমূহ ধাৰণা ভিত্তিক (Concept Base) কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছৰে পৰা তেওঁ অসমৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষাত নতুনত্ব আনিবলৈ পাৰ্য্যমানে চেষ্টা কৰি আছে বুলি কৈ জৈনে আৰু কয় যে তেওঁৰ একমাত্ৰ উদ্দেশ্য হ'ল অসমৰ শিক্ষাৰ্থীসকলক উন্নত মানৰ সম্পদ হিচাপে গঢ়ি তোলা। তেওঁৰ নিৰন্তৰ প্ৰচেষ্টাৰ বাবেই আজি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদক ভাৰত চৰকাৰৰ শিক্ষা বিভাগে ইয়াৰ আদৰ্শ বোৰ্ড হিচাপে গ্ৰহণ কৰিছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ হৈছে দেশৰ ভিতৰতে এনে এখন বোৰ্ড যিয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ উপৰিও আন ২৪টা নিযুক্তি পৰীক্ষা সফলতাৰে অনুষ্ঠিত কৰিছে। যিসময়ত সমগ্ৰ দেশতে প্ৰশ্ন কাকত ফাদিল হোৱাক লৈ তুমুল বিতৰ্ক চলি আছে, সেই সময়ত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কোনো বিতৰ্ক নোহোৱাকৈ ইমান কেইটা পৰীক্ষা সফলতাৰে অনুষ্ঠিত কৰিছে। এই পৰীক্ষাসমূহত মুঠ ৬০ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। এই পৰীক্ষাসমূহ সফলতাৰে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ প্ৰধান আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ভূমিকাৰ তেওঁ শলাগ লয়। তেওঁ লগতে কয় যে দেশৰ ১৩খন ৰাজ্যৰ শিক্ষা বোৰ্ডৰ লোক আহি আমাৰ পৰা কিদৰে এনে পৰীক্ষা ত্ৰুটিহীনভাৱে অনুষ্ঠিত কৰিব পাৰি তাৰ প্ৰশিক্ষণ লৈ গৈছেহি। এয়া আমাৰ বাবে এক গৌৰৱৰ বিষয় বুলি তেওঁ উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে পাছত বিভিন্ন বিদ্যালয়ৰ প্ৰধানসকলৰ প্ৰশ্নৰো উত্তৰ দিয়ে। তিনিচুকীয়া জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) জংগমীৰ ৰংফাৰপি আৰু জিলা শিক্ষা বিভাগৰ অন্যান্য বিষয়া তথা কৰ্মচাৰীসকল উপস্থিত থকা অনুষ্ঠানটোৰ শেষত তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিপ্তি শৰ্মাই শলাগ জ্ঞাপন কৰে। জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানটিৰ সামৰণি মৰা হয়। ইয়াৰ পূৰ্বে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষগৰাকীয়ে তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ এক কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।

# ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত নাজিৰাত ১২৩খন বিদ্যালয়ৰ ৪২০৬ গৰাকী শিক্ষাৰ্থীক শৈক্ষিক সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ আগষ্ট ঃ** ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত আৰু জিলাখনৰ অন্তৰ্গত বিভিন্ন খণ্ড সন্মিলনীৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পূৰ্ণ সহযোগত শিৱসাগৰ জিলাত এক বৃহৎ শৈক্ষিক কাৰ্যসূচী ৰূপায়িত কৰা হয়। নাজিৰা শিক্ষা খণ্ডৰ অন্তৰ্গত ১২৩খন প্ৰাথমিক বিদ্যালয়ৰ মুঠ ৪,২০৬ গৰাকী শিক্ষাৰ্থীৰ মাজত নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে এই শৈক্ষিক সামগ্ৰী বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক প্ৰধান শৈলেন্দ্ৰ কলিতাই। উদ্বোধনী ভাষণত তেখেতে শিক্ষক সন্মিলনীৰ এই সমাজমুখী আৰু আদৰণীয় পদক্ষেপৰ শলাগ লয়। কাৰ্যসূচীত উপস্থিত থাকি নাজিৰা শিক্ষা খণ্ডৰ শিক্ষা বিষয়া পৰাশৰ শইকীয়া আৰু নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মঞ্জু ঘৰফলীয়াই ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। ইয়াৰ উপৰিও নাজিৰা মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি প্ৰকাশ নাথ আৰু তথ্য ব্যৱস্থাপনা সমন্বয়ক ছৈয়দ মহচিন অনুষ্ঠানত উপস্থিত থাকি কাৰ্যসূচীৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। সমগ্ৰ শৈক্ষিক সামগ্ৰী বিতৰণ কাৰ্যসূচীটো আঁতধৰে ডিব্ৰুগড় জিলা সন্মিলনীৰ সম্পাদক তথা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সম্পাদক পংকজ বড়াই। পৰৱৰ্তী সময়ত ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ভদ্ৰসেন সোণোৱাল, সম্পাদক পংকজ বড়া আৰু লাহোৱাল খণ্ড সন্মিলনীৰ সম্পাদক শান্ত কোঁৱৰে বিদ্যালয়সমূহৰ নাম একাদিক্ৰমে ঘোষণা কৰি শিক্ষাৰ্থীৰ অনুপাত অনুসৰি সামগ্ৰীসমূহ বিতৰণ কৰে। কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থাপনা কৰি দিয়া শিৱসাগৰ জিলাৰ শিক্ষা বিষয়া ড° সমীৰণ বৰালৈ সন্মিলনীৰ তৰফৰ পৰা বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰা হয়। নাজিৰা শিক্ষা খণ্ডৰ শিক্ষাৰ্থীসকলৰ হৈ শৈক্ষিক সামগ্ৰী সংগ্ৰহ কৰিবলৈ অহা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ লগতে উপস্থিত থকা সকলো সন্মিলনীৰ বিষয়ববীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰা হয়। ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ এই মানৱীয় আৰু শৈক্ষিক প্ৰয়াসক সকলোৱে প্ৰশংসা কৰে।

# শিক্ষাবিদ ৰোহিনী গগৈৰ স্মৃতিচাৰণ সভা সম্পন্ন

## স্মৃতিগ্ৰন্থ 'দিক দৰ্শন' উন্মোচন

**অসম বাৰ্তা, চেলেংহাট, ২১ আগষ্ট ঃ** শিক্ষা, সাহিত্য আৰু সমাজ জীৱনলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই যোৱা হাঁহচৰা উচ্চ মাধ্যমিক (বৰ্তমানৰ উচ্চতৰ মাধ্যমিক) বিদ্যালয়ৰৰ প্ৰতিষ্ঠাপক শিক্ষক তথা পৰৱৰ্তী সময়ত প্ৰধান শিক্ষক ৰূপে অৱসৰ গ্ৰহণ কৰা শিক্ষক সাংস্কৃতিক কৰ্মী প্ৰয়াত ৰোহিনী কুমাৰ গগৈৰ স্মৃতিত আজি আদ্যশ্ৰাদ্ধৰ দিনা বাইলুং গাঁৱৰ নিজা বাসগৃহত এখনি স্মৃতি চাৰণ সভা অনুষ্ঠিত হয়। সভাত প্ৰয়াত শিক্ষাবিদগৰাকীৰ কৰ্মময় জীৱন, শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা স্মৰণ কৰি উপস্থিতসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাধৱ গগৈয়ে আঁত ধৰা কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰৱক্তা দেৱকান্ত বৰুৱাই সভাপতিত্ব কৰা স্মৃতি চাৰণ অনুষ্ঠানটোত প্ৰয়াত ৰোহিনী কুমাৰ গগৈৰ স্মৃতিত প্ৰকাশিত 'দিক দৰ্শন' শীৰ্ষক স্মৃতি গ্ৰন্থখন উন্মোচন কৰা হয়। স্মৃতি গ্ৰন্থখন উন্মোচন কৰে জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যক্ষ অনিল গগৈয়ে। অনুষ্ঠানটোৰ আৰম্ভণিতে প্ৰয়াত গগৈৰ সহধৰ্মিণী ৰিনু পমা গগৈয়ে বন্তি প্ৰজ্বলন কৰে। স্মৃতি তৰ্পণ কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপ-পঞ্জীয়ক খগেন কুমাৰ গগৈয়ে। সভাত বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলে প্ৰয়াত ৰোহিনী কুমাৰ গগৈৰ সৈতে থকা সম্পৰ্ক আৰু তেওঁৰ কৰ্মময় জীৱনৰ বিভিন্ন দিশ স্মৰণ কৰে। বক্তাসকলে কয় যে ৰোহিনী কুমাৰ গগৈ কেৱল এগৰাকী শিক্ষাবিদেই নাছিল, তেওঁ আছিল শিক্ষা, সাহিত্য, অভিনয় আৰু সমাজ-সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এগৰাকী নিষ্ঠাৱান ব্যক্তি। নিজৰ কৰ্ম আৰু আদৰ্শৰ জৰিয়তে তেওঁ পৰৱৰ্তী প্ৰজন্মৰ বাবে এক অনুকৰণীয় দৃষ্টান্ত স্থাপন কৰি গৈছে। অনুষ্ঠানটোত শিক্ষাবিদ তিলক হাজৰিকা, কাশীনাথ পাত্ৰ, ৰমাকান্ত গগৈ, সুনীল কুমাৰ ভট্টাচাৰ্য, অমূল্য গগৈ, উত্তম কুমাৰ বৰুৱা, প্ৰমোদ বৰুৱা, ক্ষেত্ৰধৰ গগৈ, ৰমেশ গগৈ, টংকেশ্বৰ ফুকন, হাঁহচৰা শাখা সাহিত্য সভাৰ সভাপতি অৰ্পণা চুতীয়া, জ্যেষ্ঠ সংবাদকৰ্মী অৰূপ কুমাৰ গগৈ, ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য, চেলেংহাট প্ৰেছ ক্লাবৰ সম্পাদক অনুৰাগ শইকীয়া, দেৱ বিকাশ দত্ত, সমাজকৰ্মী গংগাধৰ দুৱৰা, বিপিন ফুকন, বসন্ত বৰুৱা, তৰুণ ৰাজোৱাৰ, দেৱকান্ত ফুকন আৰু পূৰ্ণ ফুকনকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ উপৰি প্ৰয়াত ৰোহিনী কুমাৰ গগৈৰ পৰিয়ালবৰ্গ, আত্মীয়-স্বজন, শুভাকাংক্ষী আৰু স্থানীয় বহু ৰাইজে অনুষ্ঠানত উপস্থিত থাকি প্ৰয়াত শিক্ষাবিদগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানটোৱে ৰোহিনী কুমাৰ গগৈৰ স্মৃতি পুনৰ সজীৱ কৰাৰ লগতে তেওঁৰ শিক্ষা আৰু সামাজিক আদৰ্শক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ এক প্ৰয়াস হিচাপে বিশেষ তাৎপৰ্য বহন কৰে।

# বানপীড়িতৰ পুনৰ সংস্থাপনত হাত আগবঢ়াইছে সেৱা সক্ষম সৰ্বদা আৰু হেল্প' লাইফ ফাউণ্ডেচনে

**অসম বাৰ্তা, চেলেংহাট, ২১ আগষ্ট ঃ** সাম্প্ৰতিক বানে ব্যাপক ক্ষতি সাধন কৰা চৰাইদেউ, শিৱসাগৰ আৰু যোৰহাট জিলাৰ বানপীড়িত লোকসকলৰ কাষত থিয় দিছে ৰাজ্যৰ দুই অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন "সেৱা সক্ষম সৰ্বদা" আৰু "হেল্প' লাইফ ফাউণ্ডেচন"। কেৱল সাহায্য সামগ্ৰী বিতৰণতে সীমাবদ্ধ নাথাকি দুয়োটা সংগঠনে বানত ঘৰ-দুৱাৰ হেৰুৱোৱা এটা পৰিয়ালৰ বাবে নতুনকৈ ঘৰ নিৰ্মাণৰো উদ্যোগ গ্ৰহণ কৰিছে। অনিশ্চয়তাৰ মাজত দিন কটোৱা পৰিয়ালৰ বাবে এইপদক্ষেপে নতুন আশাৰ সঞ্চাৰ কৰিছে। বানপীড়িত অঞ্চলসমূহত সংগঠন দুটাই দৈনন্দিন জীৱনৰ বাবে অতি প্ৰয়োজনীয় সামগ্ৰী যেনে গেছ ষ্টোভ, চাৰ্জিং লাইট আৰু পানী পৰিশোধক (ফিল্টাৰ) আদি বিতৰণ কৰি আহিছে। বিদ্যুৎ, বিশুদ্ধ পানী আৰু ৰন্ধন ব্যৱস্থাৰ সমস্যাত ভোগা বানপীড়িতসকলৰ বাবে এই সামগ্ৰীসমূহ বিশেষভাৱে উপযোগী হৈ পৰিছে। সংগঠন দুটাৰ এইপদক্ষেপৰ মূল লক্ষ্য হৈছেবানপীড়িত লোকসকলক তাৎক্ষণিক সহায় আগবঢ়োৱাৰ লগতে তেওঁলোকৰ পুনৰ সংস্থাপন আৰু স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ পথ সুগম কৰা। "মানুহৰ বিপদৰ সময়ত মানুহৰ কাষত থিয় দিয়াটোৱেই প্ৰকৃত সেৱা" এই আদৰ্শক সাৰোগত কৰি "সেৱা সক্ষম সৰ্বদা" আৰু "হেল্প' লাইফ ফাউণ্ডেচন"এ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ বানপীড়িত অঞ্চলত গ্ৰহণ কৰা এই উদ্যোগে মানৱতা, সহমৰ্মিতা আৰু সামাজিক দায়বদ্ধতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। আগশাৰীৰ ইউটিউবাৰ ডিম্পু বৰুৱাৰ হেল্প' লাইফ ফাউণ্ডেচনে "সেৱা সক্ষম সৰ্বদা"ৰ সহযোগত বানপীড়িতসকললৈ আগবঢ়োৱা এই মানৱসেৱাক সকলোৱে মুক্তকণ্ঠে প্ৰশংসা কৰিছে।

# ডিব্ৰুগড়ৰ বকুল মাজগাঁৱত গ্ৰাম্য বজাৰ নিৰ্মাণ আৰু ভূমি আৱণ্টন বাবে ডিব্ৰুগড় জিলা আয়ুক্তক স্মাৰক-পত্ৰ মটক স্বায়ত্তশাসিত পৰিষদৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত বকুল মাজগাঁৱৰ খিলঞ্জীয়া লোকসকলৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ ৰাইজৰ আৰ্থ-সামাজিক দিশৰ বিকাশৰ উদ্দেশ্যে এখন গ্ৰাম্য বজাৰ নিৰ্মাণৰ বাবে এক পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই উপলক্ষে মটক স্বায়ত্তশাসিত পৰিষদৰ পাৰিষদ দীপজয় শইকীয়াই ডিব্ৰুগড়ৰ জিলা আয়ুক্তক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। সম্প্ৰতি অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ অৰ্থনীতি সবলীকৰণৰ উদ্দেশ্যে গ্ৰাম্য বজাৰ নিৰ্মাণত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। সেই পৰিপ্ৰেক্ষিতত বকুল মাজ গাঁৱৰ ৪৭২নং দাগৰ চৰকাৰী সংৰক্ষিত ভূমিত বকুল গাঁও পঞ্চায়তৰ সমীপতে খিলঞ্জীয়া লোকসকলৰ সুবিধা হোৱাকৈ এই গ্ৰাম্য বজাৰখন নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। নিৰ্মাণ কাৰ্যত যাতে কোনোধৰণৰ আইনী বা প্ৰশাসনিক জটিলতাৰ সৃষ্টি নহয়, তাৰ বাবে স্মাৰক-পত্ৰখনৰ জৰিয়তে জিলা প্ৰশাসনৰ ওচৰত আৱশ্যকীয় ভূমি আৱণ্টনৰ বাবে আবেদন জনায়। পাৰিষদ দীপজয় শইকীয়াই আশা প্ৰকাশ কৰে যে জিলা প্ৰশাসনে এই আবেদন সহানুভূতিৰে বিবেচনা কৰি অতি সোনকালে ভূমি আৱণ্টনৰ ব্যৱস্থা কৰিব। এই প্ৰকল্প বাস্তৱায়িত হ'লে মটক জনগোষ্ঠীৰ লোকসকলৰ লগতে সমগ্ৰ অঞ্চলটোৰ স্বাৱলম্বী খিলঞ্জীয়া ব্যৱসায়ীসকলৰ কাৰণে এক সুন্দৰ অৰ্থনৈতিক থলী হিচাপে গঢ়ি উঠিব আৰু স্থানীয় গ্ৰাম্য অৰ্থনীতিলৈ এক উল্লেখনীয় গতি আহিব। উল্লেখ্য যে এই আবেদন পত্ৰৰ একোখনকৈ প্ৰতিলিপি মটক স্বায়ত্তশাসিত পৰিষদৰ প্ৰধান সচিব তথা জিলা উন্নয়ন আয়ুক্ত আৰু ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ চক্ৰ বিষয়ালৈকো পৰৱৰ্তী পদক্ষেপৰ বাবে প্ৰেৰণ কৰা হয়।


# ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত নাজিৰাত ১২৩খন বিদ্যালয়ৰ ৪২০৬ গৰাকী শিক্ষাৰ্থীক শৈক্ষিক সামগ্ৰী বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২১ আগষ্ট ঃ** ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নেতৃত্বত আৰু জিলাখনৰ অন্তৰ্গত বিভিন্ন খণ্ড সন্মিলনীৰ শিক্ষক-শিক্ষয়িত্ৰীৰ পূৰ্ণ সহযোগত শিৱসাগৰ জিলাত এক বৃহৎ শৈক্ষিক কাৰ্যসূচী ৰূপায়িত কৰা হয়। নাজিৰা শিক্ষা খণ্ডৰ অন্তৰ্গত ১২৩খন প্ৰাথমিক বিদ্যালয়ৰ মুঠ ৪, ২০৬ গৰাকী শিক্ষাৰ্থীৰ মাজত নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত আনুষ্ঠানিকভাৱে এই শৈক্ষিক সামগ্ৰী বিতৰণ কৰা হয়। এই কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক প্ৰধান শৈলেন্দ্ৰ কলিতাই। উদ্বোধনী ভাষণত তেখেতে শিক্ষক সন্মিলনীৰ এই সমাজমুখী আৰু আদৰণীয় পদক্ষেপৰ শলাগ লয়। কাৰ্যসূচীত উপস্থিত থাকি নাজিৰা শিক্ষা খণ্ডৰ শিক্ষা বিষয়া পৰাশৰ শইকীয়া আৰু নাজিৰা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মঞ্জু ঘৰফলীয়াই ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। ইয়াৰ উপৰিও নাজিৰা মহকুমা শিক্ষক সন্মিলনীৰ সভাপতি প্ৰকাশ নাথ আৰু তথ্য ব্যৱস্থাপনা সমন্বয়ক ছৈয়দ মহচিন অনুষ্ঠানত উপস্থিত থাকি কাৰ্যসূচীৰ সম্পূৰ্ণ সহযোগিতা আগবঢ়ায়। সমগ্ৰ শৈক্ষিক সামগ্ৰী বিতৰণ কাৰ্যসূচীটো আঁতধৰে ডিব্ৰুগড় জিলা সন্মিলনীৰ সম্পাদক তথা অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ-সম্পাদক পংকজ বড়াই। পৰৱৰ্তী সময়ত ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ভদ্ৰসেন সোণোৱাল, সম্পাদক পংকজ বড়া আৰু লাহোৱাল খণ্ড সন্মিলনীৰ সম্পাদক শান্ত কোঁৱৰে বিদ্যালয়সমূহৰ নাম একাদিক্ৰমে ঘোষণা কৰি শিক্ষাৰ্থীৰ অনুপাত অনুসৰি সামগ্ৰীসমূহ বিতৰণ কৰে। কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰাৰ বাবে ক্ষিপ্ৰ ব্যৱস্থাপনা কৰি দিয়া শিৱসাগৰ জিলাৰ শিক্ষা বিষয়া ড° সমীৰণ বৰালৈ সন্মিলনীৰ তৰফৰ পৰা বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰা হয়। নাজিৰা শিক্ষা খণ্ডৰ শিক্ষাৰ্থীসকলৰ হৈ শৈক্ষিক সামগ্ৰী সংগ্ৰহ কৰিবলৈ অহা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ লগতে উপস্থিত থকা সকলো সন্মিলনীৰ বিষয়ববীয়াক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰা হয়। ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ এই মানৱীয় আৰু শৈক্ষিক প্ৰয়াসক সকলোৱে প্ৰশংসা কৰে।


অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব

Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন